শৰত গ্ৰন্থাৱলী—অসমীয়া সংস্কৰণ

সম্পাদনা—শ্ৰীবিভূভূষণ চৌধুৰী

The
Nabin Bardaloi Hall & Library
GAUHATI

বিৰাজ-বৌ

কথাশিল্পী শৰতচন্দ্ৰৰ অমৰ গ্ৰন্থাৱলী

বৈকুণ্ঠেৰ উইল
দেবদাস
বামুনেৰ মেয়ে
চন্দ্ৰনাথ
বিন্দুৰ ছেলে
দত্তা
নৱবিধান
শ্ৰীকান্ত ১ম
শ্ৰীকান্ত ২য়
শ্ৰীকান্ত ৩য়
শ্ৰীকান্ত ৪র্থ
পণ্ডিত মশাই
গৃহদাহ
শেষেৰ পৰিচয়
শেষপ্ৰশ্ন
পথেৰ দাবী

দেনাপাওনা
বিৰাজ-বৌ
অৰক্ষণীয়া
পৰিণীতা
নিষ্কৃতি
বড়দিদি
স্বামী
মেজদিদি
ছবি
কাশীনাথ
চৰিত্ৰহীন
শুভদা
পল্লীসমাজ
বিপ্ৰদাস
হৰিলক্ষ্মী
নাৰীৰ মূল্য

অনুৰাধা সতী ও পৰেশ
ইত্যাদি

চপলা বুক ষ্টল
শিলং

বিৰাজ-বৌ

ৰচনা

শৰতচন্দ্ৰ চট্টোপাধ্যায়

অনুবাদ

শ্ৰীশান্তি দত্ত

সম্পাদনা

শ্ৰীবিভুভূষণ চৌধুৰী

ardalai Hall & Library
GAUHATI

চপলা সাহিত্য সদন
সাহিত্য প্ৰকাশ আৰু প্ৰচাৰ প্ৰতিষ্ঠান
শ্বিলং

প্ৰকাশক
শ্ৰীবিভুভূষণ চৌধুৰী
চাৰু সাহিত্য কুটীৰ
লাবান, শ্বিলং

পৰিবেশক
চপলা বুক ষ্টল
শ্বিলং, আসাম

মুদ্ৰাকৰ
শ্ৰীসৌৰেন্দ্ৰনাথ মিত্ৰ, এম-এ
৫ শঙ্কৰ ঘোষ লেন,
কলিকতা ৬

প্ৰকাশক কৰ্ত্তৃক
সৰ্ব্বসত্ব সংৰক্ষিত
প্ৰথম সংস্কৰণ
১৯৫৫ চন

মূল্য আঢ়ৈ টকা

৩৭২৭০

NABIN BARDaloi HALL & LIBRARY

The
Nabin Bardaloi Hall & Library.
GAUHATI.

সম্পাদকৰ নিবেদন

প্ৰখ্যাত কথাশিল্পী শৰতচন্দ্ৰ চট্টোপাধ্যায় ডাঙৰীয়াৰ উপন্যাস-ৰাজি কুৰি শতিকাৰ ভাৰতীয় সাহিত্যৰ বিশিষ্ট সম্পদ। তেখেতৰ অমৰ লেখনি নিঃসৃত গ্ৰন্থসমূহ দ্ৰুত বিভিন্ন ভাৰতীয় আৰু বৈদেশিক ভাষাত ভাষান্তৰিত হৈ সেই সেই ভাষাভাষী জনসাধাৰণৰ মাজত অপূৰ্ব্ব আনন্দ আৰু তৃপ্তিৰ ৰহন জোগাই আছে।

এই অমৰ সাহিত্য প্ৰতিভাৰ অন্যতম জনপ্ৰিয় সাহিত্যকীৰ্ত্তি বিৰাজ-বৌ কিতাপখনত আমাৰ গাঁৱলীয়া জীৱনৰ এটি বৰ করুণ মধুৰ চিত্ৰ অতি নিপুণ আৰু নিখুঁতভাৱে অঙ্কিত হৈছে। এই কিতাপখনৰ এটি প্ৰাঞ্জল অসমীয়া অনুবাদ আমি ৰাইজলৈ আগ-বঢ়াব পাৰি বিশেষ সন্তোষ লাভ কৰিছোঁহক।

উপন্যাসখন অসমীয়ালৈ ৰূপান্তৰিত কৰি দিয়াৰ দায়িত্ব লাবান অসমীয়া ছোৱালী হাইস্কুলৰ অধ্যক্ষা শ্ৰীযুতা শান্তি দত্ত বি-এ, বি-টি, মহোদয়াই সানন্দে গ্ৰহণ কৰি আমাক অনুগৃহীত কৰিছে। তেখেতৰ শ্ৰম সাৰ্থক হব আৰু এই সৰস অনুবাদে সাহিত্য ৰসগ্ৰাহী অসমীয়া পঢ়ুৱৈ সমাজক আনন্দ, তৃপ্তি আৰু সন্তোষ দান কৰিব পাৰিব বুলি আমাৰ বিশ্বাস।

ভাৰতীয় আৰু অভাৰতীয় সাহিত্যৰ শ্ৰেষ্ঠ ৰত্নৰাজি মাতৃভাষাৰ জৰিয়তে অসমীয়া ৰাইজলৈ নিবেদন কৰাৰ যি শুভ সংকল্প

আমি গ্ৰহণ কৰিছোঁ, সেই সংকল্প লাহে লাহে হলেও নিশ্চিত পদক্ষেপেৰে আগবাঢ়ি যাব ধৰিছে ই আমাৰ সৌভাগ্য।

যি সকল সহৃদয় বন্ধু-বান্ধব, শিক্ষক-অধ্যাপক, সুধী-সজ্জন, শিল্পী-সাহিত্যিক আৰু সম্পাদক-সাংবাদিকে আমাৰ এই প্ৰচেষ্টাক অভিনন্দিত কৰিছে আৰু নানাভাবে দিহা পৰামৰ্শ দি আমাক সহায় সাহায্য কৰি আছে এই ছেগতে তেওঁলোকৰ আন্তৰিকতাৰ কথা সকৃতজ্ঞ চিত্তে স্মৰণ কৰিছোঁ।

বিৰাট অসমীয়া পঢ়ুৱৈ সমাজে আমাৰ এই উদ্যোগৰ প্ৰতি যি অকপট সহানুভূতি দেখুৱাই আছে সেইবাবে তেওঁলোক আমাৰ ধন্যবাদাৰ্হ।

বিশেষ চেষ্টা সত্বেও কিতাপখন মুদ্ৰাকৰ প্ৰমাদশূন্য কৰিব পৰা নাই বুলি আমি দুঃখিত। ইতি—

বহাগ বিহু
১৩৬২

বিনীত
শ্ৰীবিভুভূষণ চৌধুৰী

GAUHATI

বিৰাজ-বৌ

হুগলী জিলাৰ সপ্তগ্ৰাম গাঁৱত নীলাম্বৰ আৰু পীতাম্বৰ চক্ৰবৰ্ত্তী নামে দুজন ভাইককাই আছিল। গাওঁখনৰ ভিতৰত নীলাম্বৰৰ দৰে কীৰ্ত্তন গোৱা, খোল বজোৱা, ভাং খোৱা আৰু মৰা খৰি দিয়াত পাকৈত আন এজন নাছিল। তেওঁৰ শকত-আৱত বগা শৰীৰটোত শক্তিও আছিল অসাধাৰণ; পৰোপকাৰী বুলি তেওঁৰ যেনেকৈ সুনাম, গোঁৱাৰ বুলি দুৰ্ণামো ঠিক তেনেকৈয়ে শুনিবলৈ পোৱা যায়। পীতাম্বৰ কিন্তু ককায়েকৰ একেবাৰে বিপৰীত; এওঁ আছিল দেখাত নিশকতীয়া। ক'ৰবাত মানুহ মৰা কথা শুনিলে সন্ধিয়াৰ পাছত ঘৰৰ বাজ ওলাবলৈকে ভয় কৰে। পীতাম্বৰ ককায়েকৰ দৰে লেখাপঢ়া নজনা মানুহ নহয়, আৰু তেওঁৰ স্বভাৱত গোঁৱাৰামি গুণটোও পাৱলৈ নাই। ৰাতিপুৱাৰ লগে লগে ভাত-পানী খাই নিজৰ কাগিজ-পত্ৰ লৈ কেছাৰী ঘৰৰ পছিম ফালৰ গছ এজোপাৰ তলত বহি লৈ ওৰে দিনটো আৰ্জি লেখি পোৱা ধনখিনি গধূলিৰ আগতে সামৰি আনি বাকচত ভৰাই থয়হি। ৰাতি ঘৰৰ দুৱাৰ খিলিকি থৈৰ নিজে তন্ন তন্নকৈ চোৱাৰ উপৰিও ঘৈণীয়েকৰ হতুৱাই আকৌ এবাৰ ভালকৈ চোৱাই হে শুবলৈ যায়।

সেইদিনা ৰাতিপুৱা নীলাম্বৰে চৰা ঘৰৰ এচুকত বহি ... খাই আছিল—এনেতে তেওঁৰ ভণীয়েক হৰিমতী মনে মনে আহি ককায়েকৰ পিঠিত মুখটো থৈ কান্দিবলৈ ধৰিলে। নীলাম্বৰ হোঁকাটো বেৰত আওজাই থৈ আন্দাজতে ভণীয়েকৰ মূৰত হাত ফুৰাই মৰমেৰে সুধিলে—"এই ৰাতি পুৱাই নো কান্দিবলৈ কি হ'ল বাৰু ?"

হৰিমতীয়ে চকুৰ পানীখিনি ককায়েকৰ পিঠিত সানি সানি জনালে যে নবৌয়েকে তাইৰ গালত টেপি দিছে আৰু কাণী বুলি গালি পাৰিছে। নীলাম্বৰে হাঁহি হাঁহি ক'লে "তোকনো কাণী বোলে নে ? এই যেন চকু দুটা থাকোতে যদি কোনোবাই কাণী বুলি কয়, তেনেহলে তেওঁ নিজেই হে কাণী। ... ক চোন বাৰু গালখন টেপি দিলে কেলেই ?"

হৰিমতীয়ে কান্দি কান্দি ক'লে "এনেই"। "এনেই দিলে ' বাৰু ব'লচোন চাওঁ" বুলি ভণীয়েকৰ হাতত ধৰি ভিতৰলৈ সোমাই আহি মাতিলে "বিৰাজ, অ বিৰাজ—।"

ঘৈণীয়েকৰ নাম বিৰাজ ... বছৰ বয়সতেই বিয়া কৰাই অনা বাবে তেওঁক সকলোৱে বিৰাজ-বৌ বুলি মাতে। এতিয়া বয়স উনৈশ বিশ মান হৈছে। শাহুৱেক ঢুকুৱাৰ পাছৰ পৰা বৰ্ত্তমানলৈ তেৱেঁই ঘৰৰ গৃহস্থনী।

বিৰাজ দেখাত বৰ শুৱনী। চাৰি বছৰ মান আগতে লৰা এটি হৈ কেচুৱাতে ঢুকুৱাৰ পৰা আৰু লৰাছোৱালী হোৱা নাই। বিৰাজে পাকঘৰত কিবা কাম কৰি আছিল, ধিৰিয়েকৰ মাতত

বাহিৰলৈ ওলাই আহি ককায়েক ভণ্ডীয়েক দুয়োকে একেলগে দেখি খঙত জ্বলি উঠি ক'লে "বন্দৰাচি, আকৌ নালিচ কৰিবলৈ গৈছ ?"

নীলাম্বৰে ক'লে "নেযাব কিয় ? তুমি তাইক কাণী বুলি গালি পাৰিলা সেইটো যেনিবা এৰিছোৱেই, তাইৰ গালত আকৌ টেপি দিলা কিহৰ কাৰণে ?"

বিৰাজে এফালৰ পৰা ক'বলৈ ধৰিলে "ইমান জনী হ'ল, টোপনিৰ পৰা সাৰ পায়েই মুখহাত কাপোৰ-কানি ধোৱা-পখলা নকৰাকৈ গোহালিৰ পৰা পোৱালি মেলি দিলেগৈ। আজি এটোপা গাখীৰো নোলায় আৰু ! এই জনীক ধৰি মৰিয়ালেহে ঠিক !"

নীলাম্বৰে ক'লে "নহয়—বাইজনীক গাখীৰ বিচাৰি [illegible] ঘৰলৈ পঠোৱাহে ঠিক। কিন্তু, বাৰু ভণীটি, তুমিনো হঠাৎ [illegible] গৈ গৰু পোৱালি মেলি দিলা কিয় ? এইটো কাম তুমি [illegible] লগীয়া নহয় !"

হৰিমতীয়ে ককায়েকৰ পাছফালে থিয় হৈ লাহে লাহে ক'লে "মই গাখীৰ খীৰোৱা হ'ল বুলি ভাবিছিলোঁ।"

"আৰু কেতিয়াবা এনেকৈ ভাবিলে চাবি" এই বুলি কৈ বিৰাজে পাক ঘৰলৈ খোজ ল'লে—নীলাম্বৰে হাঁহি হাঁহি কলে "এনেকুৱা বয়সত তুমিও এদিন আয়ে পোহা চৰাই উৰাই দিছিলা। সঁজাৰ দুৱাৰ খুলি দি ভাবিছিলা সঁজাত থকা চৰাই উৰিব নোৱাৰে বুলি। মনত আছে নে [illegible]" বিৰাজে হাঁহি উত্তৰ দিলে "মনত

আছে। কিন্তু এই বয়সত নহয় ইয়াতকৈ সকতে" এই বুলি নিজৰ কামলৈ গ'ল।

হৰিমতীয়ে ক'লে "ককাইদেউ ব'লা বাৰীৰ আম পকিছে নে চাওঁগে।" "বাৰু ব'লা ভণীটি।"

যদু বোলা চাকৰ লৰাটো আহি খবৰ দিলেহি "নাৰাণ ককা আহি বহি আছেহি।"

অলপ সেমেনা সেমেনি কৈ নীলাম্বৰে ক'লে "এই ৰাতি-পুৱাতে আহি বহি আছেহি নে?" পাকঘৰৰ ভিতৰৰ পৰা এই কথা কাণত পৰিলত বিবাজে অলপ ডাঙৰকৈ ক'লে "খুড়াক যাবলৈ কৈ দে।" গিৰিয়েকৰ ফালে চাই ক'লে "ৰাতিপুৱাই যদি এই বোৰ খাবলৈ ধৰাঁ মোৰে শপত। আজিকালি তোমাৰ মতি গতি দিনে দিনে কিয় এনে হৈ গৈছে বাৰু?"

নীলাম্বৰে উত্তৰত একো নেমাতি ভণীয়েকৰ হাতত ধৰি বাৰীৰ ফালে গুচি গ'ল।

বাৰীখনৰ একালেদি সৰস্বতী নৈৰ সৰু সুঁতি এটা বৈ গৈছে নৈখন শেলাইৰে পোত খোৱা—মাজে মাজে গাঁৱৰ মানুহে পানী নিবলৈ অ'ত ত'ত খান্দি খোৱা কুৱাবোৰ আছে—সেই খন্দা গাতৰ স্বচ্ছ পানীৰ মাজত অসংখ্য শামুক ব'দৰ কিৰণত তিৰবিৰকৈ মণি মুকুতাৰ দৰে জিলিকি আছে। নৈৰ কাষত বাৰিষাৰ চলে উটুৱাই অনা ক'ৰবাৰ কবৰৰ শিল এচটা পৰি আছে—গাঁৱৰ জীয়াৰী বোৱাৰীহঁতে শিলটোৰ ওপৰত সদায় গধূলি মৃত আত্মাৰ উদ্দেশে চাকি একোটা জ্বলাই দি যায়।

সেই শিলগুটিৰ ওপৰত নীলাম্বৰ ভণীয়েকৰ লগত আহি বহিলহি নৈৰ দুয়ো দাতিয়ে আমগছ আৰু বাঁহনি, দুই এজোপা বৰগছৰ ডাল আহি নৈৰ পানী পাইছেহি। এই গছৰ ওপৰতে কতদিনৰ পৰা কত চৰাই-চিৰিকতিয়ে বাঁহ সাজি নিশ্চিন্তমনে থাকি গৈছে, গছৰ ফল খাই গীত গাই কত পোৱালি ইয়াতে ডাঙৰ হৈছে ; এই গছৰ তলতে দুয়ো কিছুপৰ নিমাত হৈ বহি থাকিল।

হঠাৎ হৰিমতীয়ে ওচৰ চাপি আহি সুধিলে—"ককাই-দেউ, নবৌৱে তোমাক কেলেই বৰাগী কাই বুলি মাতে ?" নীলাম্বৰে ডিঙিত ওলমি থকা তুলসীৰ মালাডাল দেখুৱাই হাঁহি হাঁহি ক'লে "মই বৰাগী দেখি বৰাগীকাই বুলি মাতে।"

হৰিমতীয়ে অবিশ্বাসৰ সুৰত কলে "ইঃ বৰাগী-বোৰে দেখোন মাগি ফুৰে ? বাৰু ককাইদেউ কোৱাঁচোন মানুহে কিয় মাগি ফুৰে ?" "সিহঁতৰ একো নাই বাবেই মাগে।"

হৰিমতীয়ে ককায়েকৰ মুখলৈ চাই সুধিলে "সিহঁতৰ একো নাই নেকি ? পুখুৰী, বাৰী, ধানৰ ভড়াল এইবোৰ একোৱেই নাই ?" নীলাম্বৰে মৰমেৰে ভণীয়েকৰ মূৰত হাত বুলাই ক'লে "নাই অ ভণীটী, একোৱেই নাই ; বৰাগী মানুহৰ একোৱেই নেথাকে।"

হৰিমতীয়ে ক'লে "তেনেহলে আটাইয়ে অলপ অলপ নিদিয়ে কিয় ?" নীলাম্বৰে ক'লে "তোৰ ককায়েৰেই জানোঁ।

কিবাটো দিব পাৰিছে সিহঁতক'' ? "কি[illegible]ৰেউ, আমাৰ দেখোন ইমান আছে!" নীলাম্বৰে হাঁহি হাঁহি ক'লে "ইমান থাকোতেও ককায়েৰে একোকে দিব নোৱাৰে ; ডাঙৰ হ'লে যেতিয়া ৰাজৰাণী হ'বি তেতিয়া তয়েই দিবি!"

ছোৱালী মানুহ যদিও কথাটো শুনি তাই লাজ পাই ককায়েকৰ কোলাত মুখ লুকুৱাই ক'লে "ইঃ।"

নীলাম্বৰে তাইৰ মূৰটো ডাঙি লৈ দুইহাতেৰে মৰম কৰিবলৈ ধৰিলে। মাক-বাপেক নথকা এই ভণীয়েকজনীৰ ওপৰত তেওঁৰ যে কিমান মৰম তাৰ সীমা নাই ; সাত বছৰ আগতে তিনি বছৰীয়া ভণীয়েকৰ ভাৰ ককায়েক-বোৱেকৰ হাতত গতাই দি বাৰী মাক ঢুকায়—তেতিয়াৰ পৰা নীলাম্বৰে তাইক ডাঙৰ-দীঘল কৰিছে গোটেই গাওঁখনৰ বেমাৰীৰ শুশ্ৰূষাৰ পৰা মৰা খৰি দিয়ালৈকে কীৰ্ত্তন গাই ফুৰাৰ পৰা ভাং খোৱালৈকে সকলো কৰি ফুৰিছে যদিও মাকে মৰিবৰ সময়ত দিয়া শেষ আদেশটো এক মুহূৰ্ত্তৰ কাৰণেও আওহেলা কৰা নাই। এইদৰে অবাধে মৰম আদৰ পাই থকাৰ কাৰণে হৰিমতীয়ে ককায়েকক মাকৰ দৰে ভাল পায় আৰু সেই বাবেই একো সঙ্কোচ নকৰাকৈ ককায়েকৰ বুকুত মূৰটো থৈ মনে মনে থাকিল।

আঁতৰত বাইজনীৰ মাত শুনা গ'ল "পুটি, গাখীৰ খাবলৈ বোৱে মাতিছে।"

হৰিমতীয়ে ককায়েকলৈ চাই কাবৌ কৰি ক'লে "ককাইদেউ, মই এতিয়া গাখীৰ নেখাওঁ বুলি তুমি [illegible]

দিয়াচোন ... ... গাখীৰ নেখায় ?" "মোৰ অকনো ভোক লগা নাই।" নীলাম্বৰে হাঁহি হাঁহি ক'লে "সেই কথাটো মই বুজি পালেও, তোমাৰ গাল টেপি দিয়া জনে বুজিছে নহয়।" বাইজনীৰ আকৌ চিঞৰ শুনা গ'ল "পুটি"—নীলাম্বৰে লৰালৰিকৈ ... তুলি দি ক'লে "যা সোনকালে কাপোৰ সলাই গাখীৰ খাই আহগৈ ; মই ইয়াতে বহি আছোঁ।" হৰিমতী অলপ দুখমনেৰে লাহে লাহে উঠি গ'ল।

সেইদিনা দুপৰীয়া ভাত বাঢ়ি দি বিৰাজে গিৰিয়েকৰ কাষত বহি ক'লে "বাৰু তুমিয়ে কোৱাচোন মই সদায় সদায় কিহেৰে তোমাক ভাত দিওঁ ? ইটো নেখাওঁ সিটো নেখাওঁ কৈ এতিয়া মাছ খাবলৈও এৰিলা!"

নীলাম্বৰে খাবলৈ বহি ক'লে "এইয়া দেখোন অতবোৰ আঞ্জা পাতি আছে!" "এই সোপানো আৰু কি ? সদায় একেবোৰ ; ইয়াৰেনো কোনোবাই খাব পাৰেনে ? এইখন ... ... যে সকলো বস্তু ইয়াত পোৱা যাব ; গাৱঁৰ মাছকিটাই সকলো— তাকো খাবলৈ এৰিলা ? পুটি ক'লৈ গ'লি অ ? ককায়েৰক আলপু খুচি দেহি—নহয় নহয় উঠিব নোৱাৰা—আজি পাতত এটা ভাত এৰা যদি মোৰে শপত!"

নীলাম্বৰে হাঁহি মুখে মনে মনে খাবলৈ ধৰিলে। ইহঁা দেখি বিৰাজে খঙত জ্বলি উঠি ক'লে "কিনো হাহঁা, দেখিলে মোৰ খঙে মূৰত চুলি পায়গৈ। দিনে দিনে খোৱাৰ পৰিমাণ কিমান কমি গৈছে, মন কৰিছা নে ? ডিঙিৰ হাড়বোৰ ওলাবলৈ ধৰিছে সেই-

ফালে চকু আছে নে ?" নীলাম্বৰে ক'লে "[illegible] [illegible] সেইটো তোমাৰ মনৰ ভুল।" বিৰাজে ক'লে "মনৰ ভুল ? তোমাৰ [illegible] পৰিমাণ অলপ কমিলে, তুমি অলপ খীণালে মই গাত হাত ফুৰায়েই কৈ দিব পাৰোঁ। তাক জানা নে ?"

"পুটি, বিচনী থৈ যাচোন, পাক ঘৰৰ পৰা গাখীৰ আনগৈ।" হৰিমতীয়ে বিচনীখন থৈ গাখীৰ আনিবলৈ গ'ল। বিৰাজে আকৌ ক'বলৈ আৰম্ভ কৰিলে "পুণ্য অৰ্জ্জন কৰিবলৈ আৰু বহুত সময় আছে। আজি সৌঘৰৰ পেহীটী আহিছিল, তোমাৰ কথা শুনি ক'লে 'ইমান কুম বয়সতে মাছ এৰিলে চকু বেয়া হয়, গাৰ বলশক্তি কমি যায়—নহয় নহয় তুমি সেইবোৰ নকৰিবা পাছত কি কৰোঁতে কি হয়গৈ তাৰ ঠিকনা নাই। মই তোমাক কেতিয়াও মাছ এৰিবলৈ নিদিওঁ।" বিৰাজৰ কথা শুনি নীলাম্বৰৰ হাঁহি উঠিল, তেওঁ ক'লে "মোৰ সলনি তয়েই অলপ সৰহকৈ খাবি, তেতিয়াই হৈ যাব।" বিৰাজে খঙেৰে ক'লে "কি নীহ-কুলীয়া মানুহৰ দৰে তই-তোকাৰি কৈ কথা কয় ?" নীলাম্বৰে অলপ লাজপাই ক'লে "মোৰ মনত নেথাকে অ', সৰুকালৰ অভ্যাস বেগেতে যাব নোখোজে ; সৰুতে তোৰ কিমান কাণ মলি দিছিলোঁ। মনত আছে নে ?" বিৰাজে মুখৰ হাঁহি সামৰি ক'লে, "আছে তো, অকনমান দেখি মোৰ ওপৰত জানো কম জুলুম কৰিছিলা ? দেউতা আইয়ে নেদেখাকৈ মোৰ হুতুৰাই কম ধপাত-ছিলিম সজাই লৈছিলা নে ? তুমি জানো কম আছিলা !"

নীলাম্বৰে জোৰে জোৰে হাঁহিবলৈ ধৰিলে "অ' তোৰ হু'বলা

সেইবোৰৰ কথা আজিও মনত আছে ? কিন্তু তেতিয়াৰ পৰাই ভোকজ্বালা পাইছিলোঁ।।" বিৰাজে হাঁহি হাঁহি ক'লে "মই জানো, পুটি আছিছে এতিয়া মনে মনে থাকা।"

গাখীৰৰ বাটিটো আগবঢ়াই দি পুটিয়ে বিচিবলৈ ধৰিলে। বিৰাজ উঠি গৈ হাত ধুই আহি গিৰিয়েকৰ ওচৰত বহি ক'লে "চাওঁ বিচনীখন মোক দে—তই খেলগৈ যা পুটি!"

পুটি যোৱাৰ পিছত বিৰাজে বিচি বিচি কৰবলৈ ধৰিলে "সঁচাকৈয়ে ইমান সৰুতে বিয়া হোৱা ভাল নহয়।" নীলাম্বৰে ক'লে "কিয়নো ভাল নহয় ? মোৰ মতে ছোৱালীবোৰৰ খুব সৰুতে বিয়া হোৱা ভাল।" বিৰাজে মূৰ জোকাৰি ক'লে "নহয় —মোৰ কথা সুকীয়া কাৰণ মই তোমাৰ হাতত পৰিছিলোঁ; তাৰ উপৰিও মোৰ জা-ননদ কোনো নাছিল; দহ বছৰ বয়সৰ পৰাই ময়েই ঘৰৰ ঘৈণী। কিন্তু আনৰ দেখিছোঁ নহয় ? সেই সৰুৰ পৰাই মাৰকিল গালিশপনি খাই খাই পাছত ডাঙৰ হ'লে সিহঁতে সেইবোৰৰ হাত সাৰিব নোৱাৰা হয়গৈ। সেই কাৰণে আমাৰ পুটিৰ বিয়াৰ মই আজিলৈকে নামকে লোৱা নাই; নহলে পৰহিও ৰাজেশ্বৰীতলাৰ ঘোষালহঁতৰ ঘৰৰ পৰা খবৰ আহিছিল, তেওঁলোকে গাৰ অলঙ্কাৰপাতিৰ উপৰি আৰু এহেজাৰ নগদ টকাৰ কথা কৈছিল তথাপি মই কলোঁ—নহয় এতিয়া, সেইবোৰ নলাগে আৰু দুবছৰ যাব যক।" নীলাম্বৰে আচৰিত হৈ সুধিলে 'তই তেন্তে হ'লে পণ লৈ ছোৱালী বেচিব খুজিছ নেকি ?" বিৰাজে ক'লে "কিয় নলম ? মোৰ লৰা থকা হ'লে তাৰ কাৰণে টকা খৰচ

কৰি ছোৱালী আনিব লগা নহ'লহেতেন নে ? মোক তোমালোকে তিনি শ টকা দি কিনি অনা নাই জানোঁ ? দেওৰৰ বিয়াতো পাঁচ শ টকা লগা নাই নে ? নহয়—তুমি আমাৰ কথা-বোৰত থাকিব নেলাগে—আমাৰ যি নিয়ম মই তাকেই কৰিম।" নীলাম্বৰে এই কথাত আৰু বেছি আচৰিত হৈ ক'লে "ছোৱালী বেচাটো আমাৰ নিয়ম, এই খবৰটো তোক কোনে দিলে ? আমি টকা দিওঁ হয়, কিন্তু ছোৱালীৰ বিয়াত এটা পইচাও নলওঁ—মই পুটিক দানহে কৰিম বুলি ভাবিছোঁ !" বিৰাজে গিৰিয়েকৰ চকু মুখৰ ভাব লক্ষ্য কৰি হাঁহি ক'লে "বাৰু বাৰু যিহকে ইচ্ছা তাকে কৰিবা—এতিয়া খোৱাঁচোন, এটা ছল কৰি খোৱা পাতৰ পৰা উঠি যাব নেলাগে।"

নীলাম্বৰে কথা শুনি হাঁহি উঠিল, ক'লে "মই হ'বলা ছল চাই খোৱাপাতৰ পৰা উঠি যাওঁ ?" বিৰাজে ক'লে "নাই নাই, ক'তা, কেতিয়াও নোযোৱা ! এই দোষটো তোমাক শত্ৰুৱেও দিব নোৱাৰে ; ইয়াৰ কাৰণেই মই কতদিন লঘোনে থাকিব লগা হয় তাক সকলোৱেই জানে। অ তোমাৰ খোৱা হ'লেই নেকি ?" বিৰাজে বিচনীখন থৈ বৰ ব্যস্ত ভাবে গাখীৰৰ বাটিটো লৈ ক'বলৈ ধৰিলে "মোৰ মূৰকে খোৱাঁ—হুঠিবা, অ পুটি যাচোন—সৰু-বোৱেৰৰ পৰা ছুটা সন্দেশ খুজি আনগৈ—নাই নাই নোৱাৰোঁ বুলিলে নহ'ব, তোমাৰ কেতিয়াও ভোক গুচা নাই—সঁচাকৈয়ে মই শপত খাইছোঁ, উঠি যোৱাঁ যদি মই আজি ভাতকে নেখাওঁ—কালি নিশা এটা বজালৈকে বহি বহি মই সন্দেশ কৰি থৈছোঁ আকৌ ?"

হৰিমতীয়ে কাঁহী এখনত আটাইবোৰ সন্দেশ আনি থলেহি। নীলাম্বৰে তাকে দেখি হাঁহি উঠি ক'লে "বাৰু তুমিয়েই কোৱাঁচোন ইমানবোৰ জানো এতিয়া খাব পাৰি?" মিঠাইৰ পৰিমাণলৈ লক্ষ্য কৰি বিৰাজে তলমূৰকৈ ক'লে "কথা পাতি পাতি খাই থাকিলে পাৰিবা।" "তেও খাবই লাগিব?"

বিৰাজে ক'লে "ওঁ লাগিবতো! হয় মাছ এৰিব নোৱাৰা, নহয় এইবোৰ বস্তু অলপ সৰহকৈ খাব লাগিব।" নীলাম্বৰে কাঁহীখন টান মাৰি লৈ ক'লে "তোৰ এই খুউৰাৰ জুলুমৰ বাবেই কেতিয়াবা বনত গৈ সোমাবৰ মন যায়।" পুটিয়ে ক'লে "ককাইদেউ মোকো"—বিৰাজে ধমক্ দি উঠিল "হৈছে হৈছে মনে মনে থাক্, নেখালেনো বাৰু জীয়াই থাকিবি কেনেকৈচোন! বিয়া দি দিলে ইয়াৰ মজাটো পাবি!"

দুই

দুমাহ মান পাছৰ কথা, পাঁচ ছদিন জ্বৰত ভুগি নীলাম্বৰে আজি ৰাতিপুৱা অলপ ভাল পাইছে। বিৰাজে বাহী কাপোৰ-কানি সলাই নিজহাতে পৰিষ্কাৰ কাপোৰ পিন্ধাই মাৰীত বিছনা পাৰি নীলাম্বৰক শুৱাই থৈ গৈছে। নীলাম্বৰে খিৰিকিয়েদি বাহিৰৰ নাৰিকল গছ এজোপাৰ ফালে চাই চাই মনে মনে বিছনাত পৰি আছিল।

হৰিমতী ওচৰতে বহি বিচি আছিল। অলপ পৰ পাছতে

বিৰাজে গা ধুই তিতা চুলিৰে পাটৰ কাপোৰ এখন পিন্ধি কোঠাত সোমালহি। তেওঁ অহাৰ লগেলগে গোটেই ঘৰ যেন পোহৰ হৈ উঠিল। নীলাম্বৰে তেওঁৰ ফালে চাই ক'লে "কি হ'ল?" বিৰাজে ক'লে "যাওঁ পঞ্চানন দেৱতালৈ পূজা এভাগ পঠাই দিওঁগৈ" এই বুলি ওচৰলৈ আহি হাতেৰে গিৰিয়েকৰ কপালৰ তাপ অনুভৱ কৰি ক'লে "নাই এতিয়া জ্বৰ নাই। ক'ব নোৱাৰি এইবাৰ আই শীতলাৰ মনত কি আছে? ঘৰে ঘৰে আইসকল দেখা দিছে, আমাৰ মতি গাওঁবুঢ়াৰ লৰাটোৰ গাত যে অকনো সন্ধিয়েই নাই!"

নীলাম্বৰে ব্যস্ত হৈ সুধিলে "মতিৰ কোনটো লৰাৰ আই ওলাইছে?" "ডাঙৰ লৰাটোৰ; হে আই শীতলা গাওঁখনক শান্তি দিয়া আই! শনিবাৰে শেহৰাতি তোমাৰ গাত হাত লাগোতে চাওঁ যে গা একেবাৰে পুৰি গৈছে—ভয়ত মোৰ গাৰ তেজ পানী হৈ গ'ল! বিছনাত বহি লৈ বহুত পৰ কান্দিলোঁ। তাৰ পাছত মনে মনে ঠিক কৰিলোঁ। যদি আই শীতলাই কৃপা কৰি ভাল কৰে তেহে মই পূজা এভাগ আগবঢ়াই খোৱাবোৱা কৰিম, নহ'লে নেখাই থাকি মৰিম।" কথা কোৱাৰ লগে লগে তাইৰ দুচকুৰেদি পানী বৰলৈ ধৰিলে। নীলাম্বৰে আচৰিত হৈ ক'লে "আৰু সেই কাৰণেই তুমি লঘোন দি আছাঁ নেকি?"

পুটিয়ে ক'লে "ককাইদেউ হয় সঁচাকৈয়ে নবৌৱে একোকে নেখায়। গধূলি এমুঠি চাউল আৰু পানী খাই থাকে; আমাৰ কাৰো কথা নুশুনে।"

নীলাম্বৰ এই কথাত বৰ অসন্তুষ্ট হ'ল, ক'লে "এইবোৰ একেবাৰে বলিয়ালি।" বিৰাজে চকু মচি ক'লে "বলিয়ালি নহয় কি আচল বলিয়ালি! তিৰোতা হৈ জন্ম ললে স্বামী কি বস্তু তাক বুজিলাহেতেন! এনেকুৱা সময়ত জ্বৰ হ'লে তেতিয়া বুজিলাহেতেন মানুহৰ বুকুৰ ভিতৰখন কেনেকুৱা কৰিবলৈ ধৰে।" কথাৰ লগে লগে উঠি ক'লে "পুটি বাইৰ লগতে তয়ো সোনকালে গা ধুই পূজা ভাগ দিবলৈ যা।" পুটিয়ে ৰঙতে তৎ নোহোৱা হৈ ক'লে "বাৰু বৌ যাম।" "তেনেহলে অলপ থৰ কৰিবি দেই, গোসাঁইৰ পৰা ককায়েৰৰ কাৰণে খুব ভাল বৰ এটা মাগি লবি।" পুটি গুচি গ'ল।

নীলাম্বৰে হাঁহি ক'লে "তাই মোৰ বাবে তোমাতকৈ ভাল কৈহে বৰ মাগি আনিব পাৰিব।" বিৰাজে মুৰটো জোকাৰি হাঁহি হাঁহি ক'বলৈ ধৰিলে" "তেনে বুলি নেভাবিবা। ভাই ককাই, আই বোপাই যিমানে নহক, তিৰোতা মানুহৰ স্বামীতকৈ ডাঙৰ আন কোনো হ'ব নোৱাৰে। ভাই ককাই, আই বোপাই গ'লে দুখকষ্ট বহুত হয় যদিও, স্বামী হেৰুৱালে সৰ্ব্বস্ব যায়। আজি পাঁচ ছদিন লঘোনে আছোঁ যদিও দুৰ্ভাৱনাৰ বাবে খোৱাৰ কথা মনলৈকে অহা নাই—কিন্তু ক'তা! মাতাচোন তোমাৰ কোনোবা ভণীয়েৰাক, চাওঁ কোনে কিমান"—নীলাম্বৰে লৰালৰিকৈ কথা বন্ধ কৰি দি ক'লে "আকৌ!"

বিৰাজে ক'লে "তেনেহলে কিয় কোৱা? বলিয়ালি নে কি তাক একমাত্ৰ মই আৰু অন্তৰ্যামী দেৱতা যি জনে মোক ৰক্ষা

কৰিলে তেৱেঁই হে জানে! আন কিবা হোৱা হ'লে মই কেতিয়াও জীয়াই নেথাকোঁ, শিৰৰ সেন্দুৰ মচাৰ আগতে মুৰটো শিলেৰে ঘঁহি চাঁচি দিলোহেতেন! কোনো শুভকামৰ আগত মানুহে মুখ নেচাব, খালি হাত দুখন মানুহৰ আগত দেখুৱাব নোৱাৰিম এনেকৈ জীয়াই থকা জানোঁ ভাল? আগৰ কালত যে একেলগে পুৰি মৰা হৈছিল—ঠিকেই কৰিছিল। মানুহবোৰে তেতিয়া তিৰোতাৰ দুখ বুজিছিল আজিকালি নুবুজে আৰু!" নীলাম্বৰে ক'লে "নাই নুবুজে তই গৈ বুজাই দেগৈ।" বিৰাজে ক'লে "পাৰিম নো, অকল ময়েই নহয় তোমাক পাই হেৰুৱাব লগা হ'লে আনেও পাৰিব—অকল মই নহয়। এঃ মইনো কি বুলিয়াৰ দৰে বকি আছোঁ বাৰু" এইবুলি হাঁহি উঠিল। তাৰ পাছত স্বৰ সন্তৰ্পণে আকৌ এবাৰ গিৰিয়েকৰ তাপ চাই সুধিলে "গাৰ ক'তো বিষ নাই নহয়?" নীলাম্বৰে "নাই" বুলি ক'লে।

বিৰাজে ক'লে "তেনেহলে আৰু একো ভয় নাই। আজিহে মোৰ ভোক লাগিছে, যাও দুটামান ৰন্ধাৰ দিহা কৰোঁগৈ! সঁচাকৈ কৈছোঁ আজি কোনোবাই মোৰ হাত দুখন কাটি পেলালেও মোৰ খং নুঠে।" বাহিৰৰ পৰা যদু বোলা চাকৰটোৱে সুধিলে "আই কবিৰাজক আজিও এবাৰ আহিবলৈ ক'ম নেকি?"

নীলাম্বৰে ক'লে "নাই, নাই একো দৰকাৰ নাই।" যদু তথাপি আয়েকৰ অনুমতি ল'বলৈ ৰৈ থাকিল।

বিৰাজে তাকে দেখি ক'লে "বাৰু যাচোন, আজিও এবাৰ আহি ভালকৈ চাই যকহি।"

ইয়াৰ দুই তিনিদিন পাছত নীলাম্বৰে গা ভাল পোৱা দেখি চ'ৰা ঘৰত বহি আছিল, হঠাৎ মতি গাওঁবুঢ়া আহি ভৰিত পৰি কান্দি কান্দি ক'বলৈ ধৰিলে "দেউতা ঈশ্বৰ, তুমি এবাৰ গৈ চাই নাহিলে মোৰ ছিমন্ত আৰু নেবাচে, তুমি দয়া কৰি ভৰিৰ ধূলি দিলে কি জানি এই যাত্ৰা ৰক্ষা—" ইয়াকে কৈ সি বৰকৈ কান্দিবলৈ ধৰিলে।

নীলাম্বৰে সুধিলে "গাত বৰ বেছিকৈ দেখা দিছে নেকি?" মতিয়ে চকুপানী মচি ক'বলৈ ধৰিলে "তাকনো আৰু কি ক'ম? আয়ে যেন গোটেই গাতে ঢালিহে দিছে। নীহকুলত জন্ম লৈছোঁ দেউতা—একোকে নুবুজোঁ। কি কৰোঁ ভাবি বিমোৰত পৰিছোঁ—এবাৰ ব'লা ঈশ্বৰ" ইয়াকে কৈ ভৰিদুটাত সাৱটি ধৰিলে।

নীলাম্বৰে ভৰিদুটা মোকোলাই ক'লে "তই একো ভয় নকৰিবি মতি! যা মই গৈছোঁ!"

মতিৰ কন্দাকটা দেখি নীলাম্বৰে নিজৰ বেমাৰৰ কথা পাহৰিয়েই গ'ল। বিশেষকৈ নানাৰকমৰ বেমাৰ-এজাৰৰ শুশ্ৰূষা কৰি সি ইমান পাকৈত হৈছিল যে গাৱঁৰ ক'ৰবাত কাৰবাৰ টান নৰিয়া হ'লে নীলাম্বৰ নহ'লে কোনো মানুহেই আনৰ ওপৰত ভৰসা কৰিব নোৱাৰিছিল।

নীলাম্বৰে নিজেও এইটো কথা বঢ়িয়াকৈ বুজে। ডাক্তৰ কবিৰাজৰ দৰবতকৈ অশিক্ষিত মানুহবোৰে তেওঁৰ ভৰিৰ ধূলি নাইবা জৰা-পানীটোপাক বেছি বিশ্বাস কৰে আৰু সেইবাবেই তেওঁ কাকো বিমুখ কৰিব নোৱাৰে। মতি গাওঁবুঢ়াই আৰু

এবাৰ কন্দাকটা কৰি ভৰিৰ ধূলি দিবলৈ কাবৌ কৰি গুচি গ'ল।

নীলাম্বৰ মহাচিন্তাত পৰিল। তেওঁৰ গা অলপ দুৰ্ব্বল হৈ আছে যদিও সি ধৰিব লগীয়া নহয়। ঘৰৰ পৰা বাহিৰ ওলোৱাৰ উপায় এটা তেওঁ ভাবিবলৈ ধৰিলে।

বিৰাজলৈ বৰ ভয় লাগে, এই কথা তেওঁৰ আগত কয় কেনেকৈ? ঠিক এই সময়তে হৰিমতীয়ে ভিতৰ চোতালৰ পৰা চিঞৰি কোৱা কথাকেইটা কাণত পৰিল "ককাইদেউ, বৌৱে ভিতৰলৈ আহি শুবলৈ কৈছে।"

নীলাম্বৰে একো নেমাতিলে! কেই মিনিটমানৰ পাছত হৰিমতী নিজেই আহি ওলালহি "শুনা নাই নৈকি?" নীলাম্বৰে মুৰ জোকাৰি ক'লে "নাই।"

হৰিমতীয়ে ক'লে "অথনিয়ে দুটামান খাই বহি আছাহি বৌৱে কৈছে আৰু বহি থাকিব নেলাগে অলপ শোৱাঁগৈ।" নীলাম্বৰে লাহে লাহে সুধিলে "তোৰ বৌৱেৰে কি কৰিছে অ হৰিমতী?"

হৰিমতীয়ে ক'লে "এতিয়া খাবলৈ বহিছে।"

নীলাম্বৰে বৰ নৰম লগাকৈ ক'লে "শুনছোন আইজনী, মোক কাম এটা কৰি দিব পাৰিবি নে?"

পুটি সম্মত হ'ল। নীলাম্বৰে মাতটো আৰু বেছি মোলায়েমকৈ কলে "মনে মনে মোৰ ছাতিটোৰে চাদৰখনে আনগৈ!"

"চাদৰ আৰু ছাতি?" নীলাম্বৰে কলে "ওঁ"। হৰিমতীয়ে

চকুকেইটা বৰ একোটাকৈ কলে "ঔ আই! বৌৱে ঠিক এই-ফালে মুখকৈ খাবলৈ বহিছে নহয় ?"

নীলাম্বৰে আৰু এবাৰ শেহবাৰলৈ চেষ্টা কৰি কলে "নোৱাৰা নেকি ?" হৰিমতীয়ে মুখ জোকাৰি কলে "নাই মই নোৱাৰোঁ, দেখিব নহয় ? তাতকৈ তুমি শুবলৈ বলা !"

দুপৰীয়া দুটামান বাজিছে, বাহিৰত ৰ'দৰ কোব বৰ বেছি, এই ৰ'দত ছাতি নোহোৱাকৈ যোৱাৰ কথা ভাবিবই নোৱাৰি। কোনো আশা নেদেখি ভণীয়েকৰ হাতত ধৰি শুবলৈ ভিতৰলৈ সোমাই আহিল। হৰিমতীবো কিবাকিবি বলকি থকাৰ পাছত টোপনি আহিল।

নীলাম্বৰে কথাটো বিৰাজৰ আগত কেনে ধৰণে কোৱা যায়, তাকে চিন্তা কৰিবলৈ ধৰিলে। আবেলি হৈ আহিল। বিৰাজে গাৰু এটাত ভেজা দি চিমেণ্টৰ ওপৰত শুই মোমায়েক মায়েকলৈ বৰ দীঘল চিঠি লেখি আছিল। চিঠিৰ বিষয় হল কেনেকৈকেনো আই শীতলাই দয়া কৰি এই যাত্ৰা মৰা মানুহক প্ৰাণ দিলে আৰু তেওঁৰ শিৰৰ সেন্দুৰ হাতৰ লোহা অক্ষয় হৈ থাকিলে তাৰে বিস্তৃত বিবৰণ ; ইয়াৰ সামৰণি নৌ মাৰোতেই পালেঙৰ ওপৰৰ পৰা নীলাম্বৰে মাতি ক'লে "বিৰাজ, মোৰ এটা কথা ৰাখিবা নে ?"

দোৱাতৰ ভিতৰত কলম থৈ বিৰাজে মুৰ তুলি ক'লে "কি কথা ?" "যদি কথাটো ৰাখাঁ তেহে কম।" বিৰাজে ক'লে "ৰাখিব লগীয়া কথা হলে কিয় নেৰাখিম ? বাৰু কথাটোনো কি তাকে কোৱাচোন !" মুহূৰ্ত্তৰ কাৰণে চিন্তা কৰি নীলাম্বৰে কলে

"কৈ লাভ নাই বিৰাজ! মই জানো তুমি কেতিয়াও কথাটো ৰাখিব নোৱাৰাঁ!" ইয়াৰ উত্তৰত একো নোকোৱাকৈ বিৰাজে আকৌ চিঠি লেখাত মন দিলে। লেখাত কিন্তু মন নবহিলে, কথাটো জানিবৰ কাৰণে মনটো উচ্‌পিচাবলৈ ধৰিলে।

তেওঁ উঠি বহি ক'লে "বাৰু কথাটো কোৱা, মই ৰাখিম।" নীলাম্বৰে কিছুপৰ তলকা মাৰি তাৰ পাছত ক'লে "তুপখীয়া মতি গাওঁবুঢ়া আহি মোৰ ভৰিদুটাত সাৱটি ধৰিছিলহি, সিহঁতৰ বিশ্বাস যে মোৰ ভৰিৰ ধূলি অকনমান নেপালে ছিমন্ত নেবাচে। মই এবাৰ তালৈ যাব লাগে।"

বিৰাজে তেওঁৰ মুখলৈ ৰ লাগি চাই থাকিল। অলপ পৰ ৰৈ ক'লে "এই দুৰ্ব্বল গাৰে যাবলৈ ওলাইছা?"

"কি কৰিম, কথা দিলোঁ। যেতিয়া মই এবাৰ যাবই লাগিব!"

"কথা দিলা কিয়?" নীলাম্বৰে একো নেমাতিলে। বিৰাজে কঠিন সুৰত ক'লে "তুমি ভাবা নেকি তোমাৰ প্ৰাণটো অকল তোমাৰেই বুলি, ইয়াত কাৰো একো ক'ব লগীয়া নাই, যি মন যায় তাকেই কৰিব পাৰাঁ?"

নীলাম্বৰে কথাটো পাতলাই দিবলৈ হঁহাৰ চেষ্টা কৰিলে, কিন্তু ঘৈণীয়েকৰ মুখলৈ চাই আৰু হাঁহিবৰ সাহ ন'হল। কোনোমতে কৈ পেলালে "কিন্তু তাৰ যদি কান্দোন দেখিলাহেঁতেন!" বিৰাজে কথাৰ মাজতে কৈ উঠিল "ঠিকেই! তাৰ কান্দোন দেখিলে—কিন্তু মোৰ কান্দোন শুনা মানুহ সংসাৰত কোনোবা আছেনে?" এই বুলি কৈ চাবি পিঠি ভৰাই লেখা চিঠিখন লৈ চিৰাচিৰ কৰি

ক'বলৈ ধৰিলে—"উঃ মতা মানুহবিলাক কি ! চাৰিদিন চাৰি ৰাতি নেখাই ন'বৈ কটালোঁ।—তাৰ প্ৰতিফল এতিয়া হাতে হাতে দিবলৈ ওলাল। ঘৰে ঘৰে জ্বৰ, আইসকল ওলাইছে আৰু এই দুৰ্ব্বল অৱস্থাৰে বেমাৰী চাবলৈ ওলাইছে ! যাব খুজিছা যোৱা থাকু, ঈশ্বৰ মোৰ সহায়" এই বুলি গাৰুটো ঠিক কৈ লৈ শুই পৰিল। নীলাম্বৰৰ মুখত এটা ক্ষীণ হাঁহি বিৰিঙিলে, লাহে লাহে ক'লে "সেই ভৰসা জানোঁ। তইঁতৰ আছে বিৰাজ, যে কথায় কথায় ঈশ্বৰৰ নাম আওবাই থাক।" বিৰাজে লৰালৰিকৈ উঠি বহি খঙেৰে ক'ব ধৰিলে—'নাই, ঈশ্বৰৰ ওপৰত ভৰসা অকল তোমালোকৰহে আছে, আমাৰ নাই ! আমি কীৰ্ত্তন গাই তুলসীৰ মালা লৈ মৰা মানুহ খৰি দি নুফুৰোঁ। নহয় আমাৰ কেনৈ থাকিব ! খং উঠা দেখি নীলাম্বৰে হাঁহিবলৈ ধৰিলে—ক'লে "খং নকৰিবি বিৰাজ ! সঁচা কথাই কৈছ, অকল তয়েই নহয় তইঁতৰ সকলোৰেই একে ! ভগবানক ভৰসা কৰিবলৈ যিমানখিনি জোৰ লাগে সিমান খিনি জোৰ তিৰোতাৰ গাত নেথাকে—তোৰনো দোষ কি ?" বিৰাজৰ খং চৰিহে গ'ল—ক'লে—"দোষ কেনেই হ'ব সেইটো হ'ল গুণহে। কিন্তু গাৰ বলৰে যদি ইমান দৰকাৰ তেনেহলে বাঘ ভালুকৰ গাত দেখোন সৰহ হে বল আছে ! আৰু জোৰ থক-নথক তোমাক মই আজি কেতিয়াও যাবলৈ নিদিওঁ—তুমি তৰ্ক কৰিলে কি হ'ব ?"

নীলাম্বৰে আৰু একো নেমাতিলে, মনে মনে শুই থাকিল। বিৰাজে কিছুপৰ তলকা মাৰি থাকি 'গধূলি হ'ল বুলি উঠি

গ'ল। এঘণ্টামানৰ পাছত চাকি দিবলৈ আহি দেখে যে গিৰিয়েক বিছনাত নাই। বেগাবেগিকৈ ওলাই আহি সুধিলে "পুটি ককায়েৰ ক'ত অ? বাহিৰত চাই আহগৈচোন।" পুটি পাঁচ মিনিট মানৰ পাছত ফোপাই ফোপাই আহি ক'লে "ককাইদেউক ক'তো নেপালোঁ, নৈৰ পাৰতো নাই।" বিৰাজে মুখটো জোঁকাৰি "হেঁ" বুলি শলাগি পাক ঘৰৰ দুৱাৰ দলিত গুম্ হৈ বহি থাকিল।

তিনি

তিনি বছৰ মান পাছৰ কথা। দুমাহ মান হ'ল হৰিমতী গিৰিয়েকৰ ঘৰলৈ যোৱা। ভায়েক পীতাম্বৰ একেলগে থাকে যদিও খোৱা-বোৱা বেলেগ কৰি লৈছে।

ৰ'দ গৈ বাহিৰ চোতালত গধূলিৰ ছাঁ পৰিছেহি। নীলাম্বৰ ফটা কঠ এখন পাৰি বহি আছিল। বিৰাজ আহি নিঃশব্দে ওচৰত থিয় দিলে। নীলাম্বৰে চাই ক'লে "হঠাৎ বাহিৰলৈ আহিলা দেখোন?" বিৰাজে এফালে বহি লৈ ক'লে "এটা কথা সোধোঁ বুলি আহিলোঁ।" "কি?" বিৰাজে ক'লে "কি খালে মৰণ হয় ক'ব পাৰানে?" নীলাম্বৰ মনে মনে থাকিল। বিৰাজে আকৌ ক'লে "হয় কৈ দিয়া, নহয় মোক খুলি কোৱা তুমি কিহৰ কাৰণে দিনে দিনে ইমান খীণাই গৈছা?" "খীণাইছোঁ বুলি নো কোনে ক'লে?"

বিৰাজে কিছুপৰ তেওঁৰ ফালে চাই থাকি ক'লে "কোনোবাই কৈ দিব তেহে মই জানিম, বাৰু সঁচাকৈ এইটোৱেই তোমাৰ মনৰ কথা নে?" নীলাম্বৰে অলপ হাঁহিলে। নিজৰ কথাটো সলাই ক'লে "নহয় অ সেইটো নহয়। তথাপি তোৰ হেনো ভুল বৰ বেছি হয় সেই বাবেই সুধিছোঁ এই কথাটো আনে কৈছে নে তই নিজেই ঠিক কৰিছ?"

বিৰাজে এই কথাৰ উত্তৰ দিয়াটো দৰকাৰ বুলি নেভাবিলে— ক'লে "তোমাক কিমান ক'লো তাত পুটিৰ বিয়া নিদিবা মোৰ কথা কোনোমতে নুশুনিলা। নগদ টকা যি আছিল সকলো গ'ল, মোৰ গাৰ গহনাপাতি, দুখনকৈ বাগান বিক্ৰী হৈ গ'ল তাৰোপৰি এই দুবছৰে খেতিবাতিও হোৱা নাই। জোঁৱাইৰ পঢ়া খৰচ মাহে মাহে ক'ৰ পৰা যোগাবা কোৱাচোন? অলপ হেৰফেৰ হ'লে পুটিক নানা কথা শুনাব—তাই মোৰ বৰ অভিমানী ছোৱালী, তোমাৰ নিন্দা কোনোমতেই সহিব নোৱাৰিব, শেহত গৈ ক'ৰ পৰা কি হয়গৈ ঈশ্বৰেহে জানে? তুমিনো বাৰু কিয় এনে কাম কৰিলা?" নীলাম্বৰে একো নেমাতিলে। বিৰাজে ক'লে "ইফালে পুটিৰ ভাললৈ চাওঁতে মোৰ সৰ্ব্বনাশ কৰিবলৈ ওলাইছাঁ। মই তাক কেতিয়াও হ'বলৈ দিব নোৱাৰোঁ। তাতকৈ এটা কাম কৰোঁ; মাটি কেইবিঘামান পাঁচ শ মান টকাত বেচি দি টকাখিনি লৈ গলবস্ত্ৰেৰে জোঁৱাইৰ বাপেকক ধৰি কোৱাঁ গৈ 'ইয়াকে লৈ আমাক আৰু ৰেহাই দিয়ক, আমি দুখীয়া মানুহ আৰু ইয়াতকৈ একো কৰিব নোৱাৰোঁ।' ইয়াত

ভাল হক বেয়া হক পুটিৰ অদৃষ্ট!” তথাপি নীলাম্বৰে একো নেমাতিলে।

বিৰাজে গিৰিয়েকৰ মুখলৈ চাই থাকি সুধিলে—“কি হ’ল, ক’ব নোৱাৰবা নেকি?” হুমুনিয়া এটা কাঢ়ি নীলাম্বৰে ক’লে “পাৰিম কিন্তু এটাইবোৰ বিক্ৰী কৰি দিলে পাছলৈ আমাৰ কি গতি হ’ব?” বিৰাজে ক’লে “কিটো হ’ব আৰু? বিষয় সম্পত্তি-বোৰ বন্ধকত দি মহাজনৰ সুদ আৰু টান মাতকথা শুনাতকৈ বহুত ভাল হ’ব। আমাৰ লৰাছোৱালী নাই যেতিয়া কিহ’ৰ চিন্তা? দুটা মানুহৰ যেনে তেনে চলি যাব, আৰু নিতান্ত যদি নচলে তোমাৰ লগত ময়ো বৈৰাগী হৈ কাশী বৃন্দাবন ঘূৰি ফুৰিমগৈ।” নীলাম্বৰে অলপ হাঁহি ক’লে “তই মন্দিৰা বজাবি নেকি?” “ওঁ বজামতো। আৰু যদি নোৱাৰোঁ তোমাৰ মোনাটোকে লৈ ফুৰিম। তুমি গোৱা নাম কীৰ্ত্তন শুনি বনৰ পশুপখীও মোহ যায়, আমাৰ উপায় এটা নোলাবনে? ব’লা ভিতৰলৈ যাওঁ, এন্ধাৰত মই তোমাৰ মুখখনকে মণিব পৰা নাই।”

ঘৰৰ ভিতৰ সোমাই বিৰাজে গিৰিয়েকৰ মুখৰ ওচৰলৈ চাকি এটা আনি হাঁহিটো সামৰি লৈ ক’লে “নাই, মোৰ সাহ নহয়। তোমাৰ নিচিনা বৈৰাগীক আন পাঁচজনীৰ আগত উলিয়াবলৈ মনটোৱে নকয়; তাতকৈ ঘৰতে নেখাই শুকাই মৰা ভাল।” নীলাম্বৰে হাঁহিবলৈ ধৰিলে তাৰ পাছত ক’লে “ভাত অকল বৈৰাগীয়নীয়েই নহয় নহয় বৈৰাগীও বহুত আছে।”

বিৰাজে ক'লে "থাকক বাৰু! এজন দুজন নেলাগে লাখ লাখ জন থাকক্" ইমানকে কৈ চাকিটো আগৰ ঠাইত থৈ আহি নীলাম্বৰৰ ভৰিৰ ওচৰত বহি বৰ গহীনাই শুধিলে "সংসাৰত সতী আৰু অসতী এই দুবিধ তিৰোতা আছে বুলি শুনিছোঁ, অসতী তিৰোতা কেতিয়াও চকুৰে দেখা নাই—তেওঁলোকক কেনেকুৱা মোৰ বৰ চাবৰ মন যায়। ঠিক আমাৰে নিচিনা নে কিবা বেলেগ! তেওঁলোকে কেনেকৈ থাকে কি খায় এইবোৰ চাবলৈ বৰ মন যায়! বাৰু তুমি অসতী তিৰোতা ক'ৰবাত দেখিছা নে?" নীলাম্বৰে ক'লে "দেখিছোঁ।" "দেখিছা? বাৰু তেওঁলোকে এই মইহঁত বহাৰ দৰে বহি লৈ যাৰ তাৰ লগত কথা পাতে নেকি?" নীলাম্বৰে হাঁহি ক'লে "ক'ব নোৱাৰোঁ, মই সিমান দৰে মন কৰা নাই।" বিৰাজে কিছু সময় গিৰিয়েকৰ মুখলৈ ৰ লাগি চাই থাকিল হঠাৎ কিবা ভাবি তেওঁৰ গোটেই গাটো ভয়ত জিকাৰ খাই উঠিল। তাকে দেখি নীলাম্বৰে ক'লে "কি হ'ল অ'?"

বিৰাজে ক'লে "উঃ তাৰা তাৰা? দুৰ্গা! দুৰ্গা! গধূলি পৰত কি কথাবোৰ যে ওলালে? ক'তা সন্ধ্যা নকৰিলা দেখোন।" নীলাম্বৰে ক'লে "এইয়া যাওঁ"। "বাৰু যোৱা হাত ভৰি ধুই আহাঁগৈ, মই ইয়াতে সন্ধ্যাৰ যোগাৰ কৰি দিও।"

ইয়াৰ পাঁচ ছয় দিন মানৰ পাছত নীলাম্বৰে ৰাতি দহমান বজাত ধপাত হুপি বিছনাত শুই আছিল। কাম কাজ সকলো শেষ কৰি বিৰাজে শোৱাৰ আগত মাটিত বহি লৈ

কিহৰ কাৰণে ডাঙৰকৈ তামোল এখন কাটি কাঢ়ি, সুধিলে বাৰু শাস্ত্ৰৰ কথাবোৰ সঁচা নেকি ?"

ধপাতৰ নলীডাল আঁতৰাই থৈ নীলাম্বৰে বিৰাজৰ ফালে ঘূৰি লৈ ক'লে "শাস্ত্ৰৰ কথা সঁচা নহৈ মিছা নে ?" বিৰাজে ক'লে "নহয় মিছা বোলা নাই, তথাপি আগৰ কালৰ নিচিনাকৈ এতিয়াও সকলো কথা ফলিয়ায় নে ?

অলপ পৰ মনে মনে থাকি নীলাম্বৰে কবলৈ ধৰিলে "বিৰাজ মই পণ্ডিত নহওঁ কাৰণে সকলো কথা নেজানোঁ কিন্তু তথাপি মোৰ মতে যি সঁচা, সি আগৰকালতো সঁচা এতিয়াও সঁচা ।"

বিৰাজে ক'লে "বাৰু ধৰা সাবিত্ৰী সত্যবানৰ কথা—মৰা স্বামীক তেওঁ যমৰ ঘৰৰ পৰা ঘূৰাই আনিছিল এই কথাটো সঁচা হ'ব পাৰেনে ?" নীলাম্বৰে ক'লে "কিয়নো নোৱাৰিব ? তেওঁৰ নিচিনা সতীয়ে নিশ্চয় পাৰে ।"

"তেনেহলে ময়ো পাৰোঁ। নীলাম্বৰে হাঁহি উঠি কলে "তই তেওঁৰ দৰে সতী জানোঁ ? তেওঁ হ'ল দেৱতা !"

তামোলৰ বটাটো এফালে থৈ লৈ বিৰাজে ক'লে "হ'ব নোৱাৰিছে দেৱতা ! সতীত্বত কিবা মই তেওঁতকৈ ক'ম নেকি ? সংসাৰত মোতকৈ মনেজ্ঞানে ডাঙৰ সতী কোনোবা আছে বুলি মোৰ বিশ্বাস নহয়। সাবিত্ৰীয়েই হক বা আন কোনোবাই হক মই কাতোকৈ কম সতী নহওঁ ।"

এই কথাৰ একো উত্তৰ নিদি নীলাম্বৰে চাই থাকিল। গাকিৰ আগত বহি বিৰাজে তামোল কাটি আছিল ।

চাকিৰ গোটেই পোহৰটো মুখত পৰি আছিল, আৰু পোহৰত দেখিলে বিৰাজৰ চকুদুটাৰ পৰা আচৰিত জ্যোতি এটা ওলাই আছিছে। নীলাম্বৰে অলপ ভয়ে ভয়ে ক'লে "তেনেহ'লে তুমিও পাৰিবা" !

বিৰাজ উঠি আহি গিৰিয়েকৰ ভৰিৰ ধূলি মূৰত লৈ, ওচৰতে বহি ক'লে "এই আশীৰ্ব্বাদকে কৰাঁ। যদি মই জ্ঞান হোৱাৰ পৰা তোমাৰ ভৰিদুটিৰ বাহিৰে আন একো নেজানি থাকোঁ, যদি যথাৰ্থতে মই সতী হওঁ, তেনে অসময়ত তেওঁৰ দৰেই তোমাক ফিৰাই আনিব পাৰোঁ যেন ! তোমাৰ ভৰিৰ ওপৰত মূৰটো থৈ যেন মই মৰিবলৈ পাওঁ—এই সেন্দুৰ আৰু শাখাৰে মই যেন চিতাত শুবলৈ পাওঁ !"

নীলাম্বৰ ব্যস্ত হৈ উঠি বহি সুধিলে "তোৰ আজিনো কি হ'ল বিৰাজ।" বিৰাজৰ চকুদুটাত পানী উপচি পৰিছিল যদিও মুখত মধুৰ হাঁহি এটা ওলাল। ক'লে "আন এদিন শুনিবা, মই আজি নকওঁ। আজি অকল এয়ে আশীৰ্ব্বাদ কৰাঁ। যেন মৰণকালত ভৰিধূলি অকন পাওঁ, তোমাৰ কোলাতে মূৰ থৈ তোমাৰ মুখলৈ চাই যেন মৰিব পাৰোঁ।" আৰু একো ক'ব নোৱাৰা হ'ল, মাত বন্ধ হৈ আহিল। নীলাম্বৰে ভয় খাই বুকুৰ মাজলৈ বিৰাজক টানি আনি ক'লে "আজি কি হল অ ? কোনোবাই কিবা ক'লে নেকি ?" স্বামীৰ বুকুৰ মাজত মুখ লুকুৱাই বিৰাজে কান্দি থাকিল। একো উত্তৰ দিব নোৱাৰিলে। নীলাম্বৰে আকৌ ক'লে "তইতো কোনোদিনাই এনেথন নকৰ

বিৰাজ! আজি হৈছে কি কচোঁন্," বিৰাজে চকুৰ পানী মচিবলৈ ধৰিলে, মুখ নুতুলিলে, মৃদুকণ্ঠে ক'লে—'আন এদিন শুনিবা—।"

নীলাম্বৰে আৰু জোৰ নকৰি সেইদৰেই বহি থাকি বিৰাজৰ চুলিৰ মাজত আঙুলি বুলাই বুলাই সান্ত্বনা দিবলৈ ধৰিলে।

ক্ষমতাৰ অতিৰিক্ত খৰচ কৰি ভণীয়েকৰ বিয়া দিয়া কাৰণে তেওঁৰ চাৰিওফালে ধাৰ লাগিল, আগবদৰে ঘৰ-চলোৱা শক্তি নোহোৱা হ'ল। তাৰোপৰি দুবছৰ লেঠাৰিকৈ খেতি নাই, ভঁড়ালৰ ধান নুকাল, পুখুৰীৰ পানী শুকাই যোৱাত মাছো নাইকিয়া হ'ল, বাৰীৰ ফলমূলবোৰ অসময়ত জহি যাব ধৰিলে। ধাৰলৈ দিয়াৰ সুদৰ তাগিদ আৰু পুটিৰ শহুৰেকৰ পৰা পঢ়োৱা খৰচৰ বাবে চিঠি এখন দুখনকৈ আহিয়েই আছিল—এইবোৰ কথা বিৰাজক কোৱা নাই। বেয়ালগা কথাবোৰ নীলাম্বৰে প্ৰাণপণে লুকাই থৈছিল। আজি বৰ চিন্তিত হৈ ভাবিলে কি জানি বিৰাজে কাৰোবাৰ পৰা এই সকলো কথা জানিব পাৰিছে! হঠাৎ বিৰাজে মূৰ ডাঙি অলপ হাঁহি ক'লে "এটা কথা ক'ম সঁচাকৈ উত্তৰ দিবানে?"

নীলাম্বৰে মনে মনে বৰ ভয় খাই ক'লে "কি কথা?"

বিৰাজৰ মুখৰ হাঁহিটোৱেই সকলোতকৈ ডাঙৰ সৌন্দৰ্য্য, সেই হাঁহি এটা মাৰি শুধিলে "মইতো ক'লা কুৎচিৎ নহওঁ?"

নীলাম্বৰে মূৰ জোকাৰি ক'লে "নাই, নহয়।"

"মই ক'লা কুৎচিৎ হোৱা হলেও তুমি মোক ইমান ভাল পালাহেতেন নে?"

এনে ধৰণৰ প্ৰশ্নত নীলাম্বৰৰ কিছু আচৰিত হ'ল যদিও মনৰ পৰা ডাঙৰ বোজা এটা পাতলি গ'ল।

তেওঁ ৰঙেৰে হাঁহি ক'লে "সকৰে পৰা এজনী বৰ শুৱনী তিৰোতাকেইহে ভাল পাই আহিছোঁ। এতিয়ানো বাৰু মই কওঁ কেনেকৈ, যে তেওঁ দেখাত বেয়া হোৱা হ'লে কি কৰিলোঁহেঁতেন।"

বিৰাজে গিৰিয়েকক সাৰটি ধৰি মুখৰ ওচৰলৈ মুখ আনি ক'লে "কওঁনে কি কৰিলাহেঁতেন? তেতিয়াও তুমি মোক ইমানেই ভাল পালাহেঁতেন!" নীলাম্বৰে একো নেমাতি তেওঁৰ মুখলৈ চাই থাকিল। বিৰাজে ক'লে "তুমি ভাবিছা মইনো জানিলোঁ কেনেকৈ নহয়?"

এইবাৰ নীলাম্বৰৰ মাত ওলাল, ক'লে "এৰা সচাকৈয়ে ভাবিছোঁ তুমি কেনেকৈ জানিলা?"

বিৰাজে নিজৰ হাতদুখন একুৱাই একাষে শুই লৈ ওপৰ ফালে চাই চাই ক'লে "মোৰ মনে কৈ দিয়ে। মই তোমাক যিমানখিনি চিনি পাওঁ, তুমি নিজেও সিমান নোপোৱা। সেইকাৰণেই জানোঁ যে তুমি মোক ইমানেই ভাল পালাহেঁতেন! যি কাম কৰিলে পাপ বা অন্যায় হয় তুমি তেনে কাম কেতিয়াও কৰিব নোৱাৰা; ঘৈণীয়েকক ভাল নোপোৱাটো অন্যায়, সেইবাবে মই কণা খোঁৰা হোৱা হ'লেও তুমি মোক সমান মৰম আদৰেৰে কৰিলাহেঁতেন!" নীলাম্বৰে একো নেমাতিলে।

এক মুহূৰ্ত্তমান মনে মনে থাকি বিৰাজে চকুৰ দাঁতিত আঙুলি দি সুধিলে "চকুত পানী কেলেই?"

হাতখন আঁতৰাই দি নীলাম্বৰে ক'লে "কিনেকৈ জানিলা ?"

বিৰাজে ক'লে "কিয় পাহৰি যোৱা মোৰ ন'বছৰ বয়সতে বিয়া হৈছিল বুলি ? আৰু তেতিয়াৰ পৰাই তোমাক সম্পূর্ণকৈ পাইছোঁ বুলি ? নিজৰ গাত হাত দি বুবুজা নে যে মইয়ো তাৰ লগতে মিলি আছোঁ বুলি ?"

নীলাম্বৰ মৌন হৈ ৰ'ল, তেওঁৰ দুগালেদি চকুপানী বৈ যাবলৈ ধৰিলে। বিৰাজে উঠি বহি বৰ যতনেৰে চকুপানী মচি দি ক'বলৈ ধৰিলে "একো চিন্তা নকৰিবা, মৰিবৰ সময়ত আয়ে পুটিক তোমাৰ হাততে গতাই দি গৈছিল আৰু তুমিও পুটিৰ যাতে মঙ্গল হয় তাৰে চেষ্টা কৰিছা ; সেইবোৰে আয়ে স্বৰ্গৰ পৰা আমাক আশীৰ্ব্বাদ দি থাকিব। তুমি মাত্ৰ সুস্থসবল হৈ উঠা, ধাৰবোৰৰ পৰা মুক্ত হোৱা, তাত সৰ্ব্বস্বান্ত হ'লেও হানি নাই।"

নীলাম্বৰে চকু মচি মচি ক'লে "তই ক'ব নোৱাৰ বিৰাজ, মই তোৰ কি কৰিলোঁ।—"

বিৰাজে আৰু ক'বলৈ নিদিলে হাতেৰে মুখত সোপা দি ক'লে "মই জানোঁ, আৰু জানোঁ বা নেজানোঁ। তাৰ কথা ভাবি ভাবি তোমাক এইদৰে খীণাই যাবলৈ দিব যে নোৱাৰোঁ এইকথাটো নিশ্চয়কৈ জানোঁ। নহয় নহয় আৰু তেনেখন নকৰিবা যাৰ যি পাবলগীয়া দি দিয়া, দি এটাই নিশ্চিন্ত হোৱা তাৰ পাছত ওপৰত ঈশ্বৰ আৰু ভৰিৰ তলত মই আছোঁ !" নীলাম্বৰে হুমুনিয়া কাঢ়ি মনে মনে থাকিল।

চাৰি

ইয়াৰ পাছত ছমাহ পাৰ হৈ গ'ল। হৰিমতীৰ বিয়াৰ আগতে ভায়েকে সম্পত্তি ভগাই লৈছিল। নীলাম্বৰৰ ভাগৰ কিছুমান বিয়াৰ খৰচৰ কাৰণে বন্ধকত দিব লগা হৈছিল। পীতাম্বৰে এটা পইচা দিও সহায় কৰা নাছিল। নীলাম্বৰৰ বাকী থকা সম্পত্তিবো এটাৰ পাছত এটাকৈ বন্ধকত দি জোৱাঁইৰ পঢ়া খৰচ দিব লগা হৈছিল। এইবোৰ কাৰণতে দিনে দিনে ধাৰ বাঢ়ি যাবলৈ ধৰিছে। বোপাইকালৰ সম্পত্তি বেচিবলৈও মনে নেমানে। আজি আবেলি গাঁৱৰে ভোলা মুখাৰ্জ্জী আহি সুদৰ কাৰণে ৰব টান মাত কথা কৈ যোৱা বিৰাজে ভিতৰৰ পৰা শুনি আছিল। নীলাম্বৰ ভিতৰ সোমোৱাৰ লগে লগে বিৰাজ আহি আগত থিয় দিলেহি। তেওঁৰ মুখলৈ চাই নীলাম্বৰৰ খুব ভয় লাগিল। অপমান আৰু বেজাৰত বিৰাজৰ বুকুখন ডেইপুৰি আছিল, সেই ভাবটো কোনোমতে সংযত কৰি লৈ পালেংখন হাতেৰে দেখুৱাই নীলাম্বৰক ক'লে "বহঁা।"

নীলাম্বৰ বহাৰ লগে লগে ভৰিৰ তলত বহি ক'লে "হয় তুমি মোক ধাৰৰ পৰা উদ্ধাৰ কৰা নহয় মোৰে শপত।"

নীলাম্বৰে বুজিলে আজি বিৰাজে এটাইবোৰ শুনিছে সেইকাৰণে লৰালৰিকৈ মুখত সোপা দি ক'লে "ইমানকণ কথাতেই এনেকুৱা কৰিব লাগেনে?" মুখৰ পৰা হাত

গুচাই দি বিৰাজে ক'লে -"ইমানতো মানুহ বিচলিত নহ'লে কেতিয়া হ'ব ?"

ইয়াৰ উত্তৰত একো বিচাৰি নেপাই নীলাম্বৰ মনে মনে ৰ'ল।

বিৰাজে ক'লে "ক'তা একো নেমাতি আছা দেখোন ?"

নীলাম্বৰে ক'লে "ক'বলৈ কিটো আছে বিৰাজ। কিন্তু"— বিৰাজে বাধা দি কৈ উঠিল "কিন্তু বুলিলে নহ'ব আৰু—মোৰ ঘৰতে মানুহ আহি তোমাক অপমান কৰি যাব আৰু তাকে মই সহি থাকিম, সেই আশা নকৰিবা। ইয়াৰ হয় কিবা উপায় কৰাঁ নহয় মই আপোনঘাতী হ'ম।"

নীলাম্বৰে ভয়ে ভয়ে মাত লগালে "এনে দিনাই নো কি উপায় কৰিম বিৰাজ!" "আৰু দুদিন পাছত নো কি কৰিবা তাকে কোৱাচোন।" নীলাম্বৰ আকৌ মনে মনে থাকিল।

বিৰাজে ক'লে "অসম্ভৱ কিবা এটা আশা কৰি নিজক ভুল বুজাই মোৰ সৰ্ব্বনাশ নকৰিবা। দিন যোৱাৰ লগে লগে ধাৰৰ মাত্ৰাও বাঢ়ি হে যাব, মই দুটা ভৰিত ধৰি কাবৌ কৰিছোঁ যি হয় এটা উপায় কৰাঁ।" কোৱাৰ লগে লগে কান্দোনত মাত বন্ধ হৈ আহিল। ভোলা মুখাৰ্জ্জীৰ কথা কিটাই শেল বিন্ধাদি বিন্ধিবলৈ ধৰিলে। নীলাম্বৰে চকু পানী মচি দি ক'লে "ইমান অধীৰ হলে জানো চলে বিৰাজ ? এবছৰত ষোল অনা শইচ হ'লে তাৰ বাব অনাৰে সম্পত্তি উদ্ধাৰ কৰিব পাৰিম। বেচি দিলে আৰু কেতিয়াও সেইবোৰ ঘূৰাই নেপাওঁ সেইটোও ভাবি চোৱাঁ ?"

বিৰাজে ক'লে "অহা বছৰ ষোল অনাৰ শইচ যে পাবা তাৰ

কিবা সম্ভাবনা আছে জানো ? ইয়াৰ উপৰি স্বদ আৰু মাহুহৰ কেটৈহা মাত্ত আছে৷ মই সকলো সহিলেও তোমাৰ অপমান মোৰ কোনোমতে সহ্য নহয় ।”

নীলাম্বৰে এই কথা ভালকৈয়ে বুজি পায় দেখি একো মাতিব নোৱাৰিলে। বিৰাজে আকৌ ক'বলৈ ধৰিলে “অকল এই জানো মোৰ দুখ ? দিনে দিনে ভাবিচিন্তি তুমি মোৰ চকুৰ আগতে খীণাই গৈছা, সোণৰ নিচিনা বৰণ ক'লা পৰি গৈছে বাৰু তুমিয়ে কোৱাঁচোন ইমানবোৰ মই সহিম কেনেকৈ ? যোগীনৰ পঢ়াশুনা আৰু নৌ কিমানদিন দিব লাগিব ?” “আৰু এবছৰৰ পাছতে সি ডাক্তৰ হ'ব পাৰিব।”

বিৰাজ অলপ পৰ মনে মনে থাকি ক'লে “পুটিক তুলিতালি ডাঙৰ কৰিলো তাই ৰাজৰাণী হক—কিন্তু তাইৰ কাৰণে ইমান খিনি দুখ পাব লাগিব বুলি জনা হ'লে সৰুতেই তাইক নৈত উটুৱাই দিলোঁহেতেন। নিজৰ মূৰ নিজে এইদৰে নেখালোঁ-হেতেন। হে প্ৰভু! ইমান ধনী হৈয়ো জোকৰ দৰে মোৰ তেজ সুহি নিবলৈ তেওঁলোকৰ বেয়া নেলাগে নে ?” এইবুলি দীঘলকৈ হুমুনিয়া কাঢ়ি মনে মনে থাকিল। বহুত সময় হৈ যোৱাৰ পাছত লাহে লাহে মুখ তুলি ক'লে “কেউফালে অভাৱ, আকাল, ইয়াৰ ভিতৰতে কিছুমানে এসাজ খাইছে কিছুমানে লঘোনে আছে এই হেন দুৰ্দ্দিনত বাৰু লোকৰ লৰাক ক'ৰপৰা পুহিম ? পুটিৰ শহুৰেক ধনী মানুহ, একোৰে অভাৱ নাই ; তেঁৱেই যদি লৰা পঢ়াব নোৱাৰে আমিনো ক'ৰ পৰা পঢ়াম ? যি হ'ল

হ'ল তুমি আৰু ধাৰ কৰিব নোৱাৰা ?” নীলাম্বৰে কাঠ হাঁহি এটা মাৰি অতি কষ্টেৰে ক'লে “সকলো বুজি পাওঁ বিৰাজ। কিন্তু শালেগ্ৰাম আগত লৈ মই যে শপত খাইছিলোঁ তাৰ কি হ'ব ?” বিৰাজে তৎক্ষণাৎ উত্তৰ দিলে “একো নহয়। শালেগ্ৰাম যদি সচাসচি দেৱতা হয় তেনেহলে মোৰ মনৰ দুখ বুজি পাব। আৰু মই তোমাৰ আধাখিনি, ইয়াত কিবা পাপ হ'লে গোটেইবোৰ মোৰ গাত পাতি লৈ জনমে জনমে নৰকত ডুবি থাকিম ; তোমাৰ কোনো ভয় নাই, তুমি আৰু ধাৰ কৰিব নোৱাৰা।” ধাৰ্ম্মিক গিৰিয়েকৰ দুখৰ লেশ মাত্ৰও তেওঁ নজনাকৈ থকা নাই। তথাপি আৰু সহ্য কৰিব নোৱাৰা হ'ল। স্বামীয়েই তেওঁৰ সৰ্ব্বস্ব ; তেওঁৰ চিন্তাক্লিষ্ট শুকান মুখখন দেখিলে হিয়া ফাটি যায়। ইমানবাৰ কথা কৈ আছিল আৰু নোৱাৰিলে, গিৰিয়েকৰ বুকুত মুখ লুকুৱাই কান্দিবলৈ ধৰিলে। নীলাম্বৰে সেঁহাতখন বিৰাজৰ মূৰত থৈ নিৰ্ব্বাক হৈ বহি থাকিল। বহুতপৰ কন্দাৰ পাছত দুখ কিছু পাতকি যোৱাৰ পাছত বিৰাজে ক'লে “লৰাকালৰে পৰা তোমাক গোঙোঠা মুখে থকা কেতিয়াও দেখৰে কথা মনত নপৰে ; আজিকালি তোমাৰ মুখলৈ চালে অন্তৰত ৰাৱণৰ চিতা জ্বলি উঠে। নিজলৈ নেচালেও তুমি এবাৰ মোৰ ফালে চোৱাঁ, মোক তুমি সঁচাকৈ বাটৰ মগনীয়া কৰিব খুজিছা নেকি ? আৰু তেনেকুৱা হ'লে তুমি জানোঁ সহিব পাৰিবা ?” নীলাম্বৰে একো মাতিব নোৱাৰিলে, নিজমনে বিৰাজৰ চুলিত আঙুলি ফুৰাই থাকিল।

এনে সময়ত সুন্দৰীবাই আহি সুধিলে "আই চৌকা জ্বলাম নেকি ?"

বিৰাজ লৰালৰিকৈ উঠি বাহিৰলৈ আহিল।

তাই আকৌ সুধিলে "জুই জ্বলাম নেকি ?"

বিৰাজে অস্পষ্টকৈ ক'লে "জ্বলাই দে, মোলৈ নহলেও তইঁতক দুটামান বান্ধি দিব লাগিব, মই আজি আৰু একো নেখাঁও।" বাইজনীয়ে নোলাম্বৰে শুনাকৈ চিঞৰি ক'লে "আই ৰাতি ৰাতি নেখাই আপুনি আধা হৈ গ'ল—ৰাতি খাবলৈ একেবাৰে এৰি দিব খুজিছে নেকি ?" বিৰাজে তাইৰ হাতখনত ধৰি টানি পাকঘৰ পোৱালেগৈ। জ্বলি থকা জুইৰ পোহৰ আহি বিৰাজৰ মুখত পৰিছিল, অলপ দূৰত বহি সুন্দৰীয়ে তাকে চাই আছিল, হঠাৎ কৈ উঠিল "সঁচা আই, আপোনাৰ নিচিনা ৰূপ মই মানুহৰ দেখা নাই ; ইমান ৰূপ ৰজাঘৰতো নোলাব"। বিৰাজে তাইৰ ফালে ঘুৰি লৈ অলপ বিৰক্ত হৈ ক'লে "ৰজাঘৰৰ খবৰ তই ৰাখ নেকি ?"

সুন্দৰীৰ বয়স ৩৫।৩৬ মান হৈছে। এসময়ত তাইৰ ৰূপৰো খ্যাতি আছিল, এতিয়াও একেবাৰে লোপ হোৱা নাই। .

তাই কয় "কেতিয়া তাইৰ বিয়া হৈছিল, কেতিয়া বাৰী হ'ল তাইৰ মনত নাই কিন্তু এতিয়াও সধবাৰ সৌভাগ্যৰ পৰা যে বঞ্চিত হোৱা নাই এই সুখ্যাতি এতিয়াও তাইৰ গাওঁ কৃষ্ণপুৰত শুনা যায়।"

সুন্দৰীয়ে হাঁহি মাৰি ক'লে "ৰজাঘৰৰ খবৰ ৰাখোঁ দেখিয়েই কৈছোঁ। নহ'লে সিদিনা তাক বাঢ়নিৰ কোব দিলোঁহেতেন।"

এইবাৰ বিৰাজৰ সঁচাকৈয়ে বৰ খং উঠিল। "তই যেতিয়াই তেতিয়াই সেই একেকথাকে মোৰ আগত কেলৈ ক'বলৈ আহ সুন্দৰী বাই ?. সিহঁতৰ যি মন যায় ক'লে, তাৰবাবে বাঢ়নিৰ কোবনো কেলৈ দিব লাগিছে ? আৰু মোৰ আগত কোৱাৰে কি দৰকাৰ ? তেওঁ বৰ খঙাল মানুহ ক'ৰবাত শুনিলে কি হ'ব কচোন !

সুন্দৰীয়ে অলপ লাজ পাই ক'লে "বাবুৱে শুনিবলৈ এই-টোনো কি বৰ ডাঙৰ কথা আই ?"

"কথাৰ নিচিনা কথা নহয় তাকেই মোক বুজাবলৈ আহিছ নেকি ? তাৰ বাহিৰে গ'ল কথা গুচিল, তাকে বাৰেবাৰে কৈ থকাৰ দৰকাৰেই বা কি ?"

সুন্দৰীয়ে ঘপৰাই কলে "ক'তনো শেষ হল আই ? কালিও মোক মাতি নি"—বিৰাজে খঙেৰে সুধিলে "তইনো গৈছিলি কেলৈ, কাম কৰিবি মোৰ ঘৰত আৰু মাতিলে বুলিয়েই য'লৈ তলৈ লৰ মাৰিবি ? তই নিজেই জানোঁ। সিদিনা কোৱা নাছিলি সিহঁত কলিকতালৈ যোৱা বুলি ?"

সুন্দৰীয়ে ক'লে "সঁচা কথাকে কৈছিলোঁ। আই ! তুমাহুমান নাছিলে, আকৌ এটাইবোৰ আহিছে। আৰু তালৈ যোৱাৰ কথা, মানুহ পঠিয়াই মতালে নোযোৱাকৈ কেনেকৈ থাকিম ? এই অঞ্চলৰ তেওঁলোক জমিদাৰ—আমি দুখীয়া ৰায়ত, হুকুম নেমানি কি সাহেৰে থাকিম ?" বিৰাজে কিছুপৰ চাই থাকি সুধিলে "তেওঁলোক ইয়াৰ জমিদাৰ নেকি" ? সুন্দৰীয়ে হাঁহিমাৰি ক'লে

"হয় আই এই অঞ্চলটো তেওঁলোকেই কিনিছে। বাবু তম্বু তৰি আছে—সঁচা আহঁ ৰাজপুত্ৰ যি ৰাজপুত্ৰ, চকুমুখৰ গঢ়েই বা"—বিৰাজে সিমানতে ৰখাই ক'লে—"হৈছে হৈছে মনেমনে থাক, তোক সেইবোৰ সোধা নাই—কি ক'লে তাকে ক—" সুন্দৰী এইবাৰ মনে মনে বিৰক্ত হ'ল কিন্তু সেই ভাব নেদেখুৱাই ক'লে "কিনো ক'ব আই অকল আপোনাৰ কথাকে।"

বিৰাজ এইবাৰ মনে মনে থাকিল। এইবাৰ কথাটো বুজাই কওঁ। দুবছৰমান আগতে এই অঞ্চলটো কলিকতাৰ কোনোবা জমিদাৰৰ হাতলৈ যায়। তেওঁৰ সৰুপুতেক বৰ দুৰ্দ্দান্ত আৰু অসৎ চৰিত্ৰৰ, পিতাকে তেওঁক কামকাজ শিকাই শিক্ষিত আৰু সংযত কৰিবৰ মনেৰে কলিকতাৰ দাতিকাষৰৰ কোনো ঠাইলে পঠাবলৈ ইচ্ছা কৰে। যোৱা বছৰ তেওঁ ইয়ালৈ আহিছে।

নিয়মমতে কেছাৰীঘৰ নথকাত সপ্তগ্ৰামৰ ইপাৰে ঘাই আলিৰ দাঁতিত আম এজোপাৰ তলত তম্বু তৰি আছে। অহাৰ পৰা কামকাজ শিকাত মনকাণ দিয়া নাই। চাৰি পাঁচটা চিকাৰী কুকুৰ লগত লৈ পিঠিত হুইস্কীৰ ফ্লাস্ক বান্ধি বন্দুক হাতত লৈ, দিনৰ দিনটো নৈৰ দাতিৰ বনত চৰাই চিকাৰ কৰি ফুৰে। এইদৰে বনাই ফুৰোতে এদিন গধূলি সোণালী ৰ'দ তিতা গাত পৰি থকা অৱস্থাত বিৰাজক দেখা পায়। বিৰাজে গাধোৱা-ঘাটটো ডাঙৰ গছেৰে বেঢ়ি থকা বাবে কোনোফালৰ পৰা মানুহে নেদেখে। বিৰাজে নিঃশঙ্কমনে গাধুই পানীকলহ তুলি লওঁতেই হঠাৎ অচিনাকি মানুহ এজনৰ চকুৱে চকুৱে পৰিল।

ৰাজেন্দ্ৰ চিকাৰ বিচাৰি আহি এইখিনি পাইছিলহি, অলপ দুৰৰ পৰা বিৰাজক দেখিলে। মানুহৰ ইমান ৰূপ তেওঁৰ বিশ্বাসেই নহয়! জোৰ কৰিও চকু আঁতৰাব নোৱাৰিলে। অপলক দৃষ্টিৰে সেই সৌন্দৰ্য্যসুধা পান কৰিবলৈ ধৰিলে। বিৰাজে তিতাকাপোৰেৰে কোনো মতে লাজ ৰক্ষা কৰি তাৰপৰা আঁতৰি গ'ল।

ৰাজেন্দ্ৰ আৰু কিছুপৰ তাতে ভেবালাগি বৈ থাকি গুচি গ'ল। ভাবিবলৈ ধৰিলে ই কেনেকৈ সম্ভৱ হ'ল? বনজঙ্ঘল ভৰা অশিক্ষিত গাঁৱত ইমান ৰূপ ক'ৰ পৰা আহিল? ৰাত্ৰিৰ ভিতৰতে তেওঁ এই ৰূপহীৰ খবৰ জানি ল'লে আৰু তেতিয়াৰ পৰা সেই এটা চিন্তাৰ বাহিৰে আন চিন্তা নোহোৱা হ'ল। ইয়াৰ পাছতো দুই এবাৰ বিৰাজৰ চকুৰে চকুৰে নপৰা নহয়। বিৰাজে ঘৰ পাই সুন্দৰীক ক'লে "বাই যাচোন ঘাটৰ কবৰস্থানৰ ওপৰত কৰবাৰ মানুহ এটা বৈ আছে, হাক দি দেগৈ যাতে আমাৰ বাগানলৈ আৰু কেতিয়াও নাহে"—সুন্দৰী আহি আচৰিত হৈ সুধিলে "বাবু আপুনি।"

ৰাজেন্দ্ৰই সুন্দৰীৰ মুখলৈ চাই সুধিলে "তুমি মোক চিনি পোৱাঁ নেকি? সুন্দৰীয়ে ক'লে "হয় বাবু, আপোনাকনো কোনে চিনি নেপায়?"

"মই ক'ত থাকোঁ জানা নেকি?" সুন্দৰীয়ে ক'লে "জানোঁ।" ৰাজেন্দ্ৰই ক'লে "আজি এবাৰ মোৰ তালৈ যাব পাৰিবা নে?" সুন্দৰীয়ে লাজত তলমুৰ কৰি সুধিলে "কিয় বাবু?" "দৰকাৰ

আছে এবাৰ যাবা" বুলি কৈ বন্দুক কান্ধত পেলাই ৰাজেন্দ্ৰ গুচি গ'ল। ইয়াৰ পাছৰ পৰা সুন্দৰীয়ে কোনেও নজনাকৈ বহুতবাৰ সিপাৰৰ জমিদাৰৰ ঘৰলৈ অহাযোৱা কৰিছে কিন্তু উলটি আহি সামান্য ইঙ্গিতৰ বাহিৰে আন কোনো কথা বিৰাজৰ আগত ক'বলৈ সাহ কৰা নাই। সুন্দৰী নিৰ্ব্বোধ নহয় তাই ভালকৈয়ে বিৰাজক চিনি পায়। বাহিৰৰ পৰা বিৰাজক যিমান কোমল যেন লাগে ভিতৰখন যে সিমান উগ্ৰ আৰু কঠিন তাক সুন্দৰীয়ে ভালকৈয়ে জানে। ইয়াৰ উপৰি বিৰাজৰ অসীম সাহ আছে, মানুহেই হক বা সাপ আদি জন্তু নাইবা ভুত পিশাচেই হক্ কালৈকো অকনকে ভয় নকৰে। এই কাৰণেও বিবাজক সুন্দৰীয়ে একো ক'বলৈ সাহ নকৰে।

বিৰাজে চোকাৰ জুই বঢ়াই দি ক'লে "হয়নে সুন্দৰী তই তালৈ বহুতদিন অহাযোৱা কৰিছ আৰু বহুত কথাও কৈ আহিছ, ইমানদিনে সেইবোৰৰ কথা মোৰ আগত কোৱা নাছিলি কিয় ?"

সুন্দৰী প্ৰথমে থতমত খাই গ'ল ; পাছত ক'লে "মই বহুত কথা কোৱা বুলিনো ক'ত শুনিলে আই ?"

বিবাজে ক'লে কোনেও নকলেও মই নিজেই জানো। আমাৰ পাছফালেও দুখন কাণ আৰু দুটা চকু থাকে। বাৰু কচোন কালি টকা কিমান পালি, দহ টকা নেকি ?"

সুন্দৰী আচৰিত হৈ গ'ল। তাইৰ মুখৰ ওপৰত এটা ক'লা ছাঁ পৰিল। চোকাৰ কম পোহৰতো বিৰাজে তাক

দেখিলে আৰু তাই যে মাতিব নোৱাৰা হৈছে তাকো বুজি পালে। অলপমান হাঁহি ক'লে "সুন্দৰী তই মোৰ আগত মাতিব পৰা সাহ নাই কিন্তু কি কাৰণে তই মিছাতে টকা খাই ডাঙৰ মানুহৰ কোপত পৰিব খুজিছ? তই আৰু আমাৰ ঘৰত কাম কৰিব নেলাগে। তই চোৱা পানীৰে ভৰি ধুবলৈও ঘিণ লাগে। অতদিনে তোৰ কথা নেজানিছিলোঁ। কিন্তু অলপতে তাকো শুনিলোঁ। মোৰ কথা শুন যিমান টকা তাৰ পৰা লৈছ ফিৰাই দেগৈ, দি লৈ দুখীয়াৰ দৰে দুখৰ কাম কৰি খাবি। নিজৰ যি হ'ল হ'ল, এতিয়া আনৰ সৰ্ব্বনাশ কৰি ফুৰিব নেলাগে।"

সুন্দৰীয়ে কিবা ক'ব খুজিও ক'ব নোৱাৰি মনে মনে ৰ'ল। বিৰাজে তাইলৈ চাই ক'লে "আৰু কথা নক'বি—মই তোৰ কথা কাৰো আগত নকওঁ; তোৰ শাৰীৰ আগত বান্ধি থোৱা টকা কু'ৰ তাক আগতে নেজানিলেও এতিয়া বুজি পাবলৈ বাকী নাই। আজিৰ পৰা তোক বিদায় দিলোঁ আৰু মোৰ ঘৰলৈ নাহিবি।"

ই কি কথা! সুন্দৰীৰ মুখৰ মাত আৰু নোলাল! এইখন ঘৰৰ পৰা তাইৰ কাম যোৱা কথাটো তাই ভাবিবকে নোৱাৰিলে। অতদিনৰ পুৰণা মানুহ! বিৰাজৰ বিয়াও তাইয়ে দিহা কৰি পাতিছিল, আয়েকৰ লগত তীৰ্থভ্ৰমণো নকৰি থকা নাছিল, তাইও এইখন ঘৰৰে মানুহ হৈ পৰিছিল! আজি বিৰাজে তাইক বিদায় কৰি দিলে! দুখ আৰু অভিমানত তাইৰ অন্তৰ

ভৰি উঠিল, বহুত কথা মুখৰ পৰা ওলাই আহিব খুজিলে কিন্তু একো নেমাতি স্তব্ধ হৈ থাকিল।

বিৰাজে সকলো কথা বুজি পালেও একোকে নক'লে। মুখ ঘুৰাই চকুৰ পানী কম হোৱা দেখি ঘটীৰে ওচৰৰ কলহটোৰ পানী ল'বলৈ গৈ কিবা ভাবি উভতি আহি ঘটীটো থৈ দি ক'লে "নহয়, তই অনা পানী চুলে তেওঁৰ অকল্যাণ হ'ব—তই সেই হাতেৰেই টকা লৈছিলি নহয় ?" এই তিৰস্কাৰৰ উত্তৰ সুন্দৰীয়ে একো দিব নোৱাৰিলে। বিৰাজে চাকি এটা জ্বলাই লৈ কলহেৰে পানী আনিবলৈ এন্ধাৰে এন্ধাৰে আম বাগানৰ মাজেদি নৈৰ ফালে গ'ল। বিৰাজ গ'ল, সুন্দৰীৰ এবাৰ পাছ লবৰ মন গৈছিল কিন্তু সেই এন্ধাৰখনত সমাধিস্তুপৰ মাজেৰে যাবলৈ কোনোমতে. সাহ নহ'ল—মাত্ৰ ভয়ত জিকাৰ মাৰি "আই ঔ" বুলি তাতে বহি থাকিল।

পাঁচ

• দুদিনমানৰ পাছত এদিন নীলাম্বৰে সুধিলে "সুন্দৰীক দেখা নাই দেখোন!"

বিৰাজে ক'লে "মই খেদি দিলোঁ।"

নীলাম্বৰে ধেমালি বুলি ভাবি ক'লে "ভাল কৰিলা—কি হৈছিল তাইৰ ?"

বিৰাজে ক'লে "হ'ব আৰু কি ? সঁচাকৈ মই তাইক

কামৰ পৰা এৰুৱাই দিলোঁ।” নীলাম্বৰে সিমানতো বিশ্বাস নকৰি আচৰিত হৈ ক’লে “তাইক তুমি কেনেকৈ এৰুৱাবা? যিমানেই দোষ’নকৰক তাই কতদিনীয়া পুৰণি মানুহ জানা নে? তাইনো কি কৰিছিল?”

বিৰাজে ক’লে “এৰুৱাটো ভাল দেখি এৰুৱাই দিলোঁ।” নীলাম্বৰে বিৰক্ত হৈ ক’লে “কি নো ভাল দেখিলা তাকেহে সুধিছোঁ!” বিৰাজে গিৰিয়েকৰ মনৰ ভাব বুজি পাই ক’লে “মই ভাল দেখি এৰুৱালোঁ, তুমি ভাল দেখিলে আকৌ মাতি আনাগৈ!” ইয়াকে কৈ উত্তৰলৈ বাট নেচাই পাক ঘৰ সোমালগৈ। নীলাম্বৰে বিৰাজৰ খং উঠা দেখি আৰু নেমাতিলে। এঘণ্টামান পাছত আকৌ আহি পাক ঘৰৰ দুৱাৰমুখত বৈ লাহে লাহে সুধিলে “এৰুৱাই দিলা হয় অতবোৰ কাম কোনে কৰিব?” এইবাৰ বিৰাজে হাঁহি মুখখন ঘুৰাই ক’লে “তুমি?” নীলাম্বৰেও হাঁহিলে, ক’লে “তেনেহলে দিয়া খোৱা কাঁহীবাটীবোৰ ধুই আনোঁগৈ।” বিৰাজে হাতৰ খন্তি থৈ হাত ধুই গিৰিয়েকৰ ওচৰ চাপি ভৰিৰ ধূলি মূৰত লৈ ক’লে “যোৱাঁ তোমাৰ লগত ধেমালি কৰিবও নেপায়, ধেমালি কৰিলে এনে একোটা কথা কৈ পেলোৱা যাক কাণেৰে শুনাও পাপ!” নীলাম্বৰ অপ্ৰস্তুত হৈ ক’লে “এইটো কথা শুনিলেও পাপ হয়? তোৰ পাপনো নহয় ক’ত তাকেহে বুজি নেপাওঁ বিৰাজ?” বিৰাজে ক’লে “তুমি সকলো বুজি পোৱাঁ; নুবুজিলে অত কাম থাকোঁতে খোৱা কাঁহীবাটীৰ নাম নললাহেঁতেন। যোৱা আৰু দেৰী নকৰি গা ধুই আহাঁ গৈ!

মোৰ ৰক্ষা হ'ল।" নীলাম্বৰ দুৱাৰদলিত বহি লৈ ক'লে "স'চাকৈ কৈছোঁ বিৰাজ, ঘৰৰ কাম কৰিব কোনে?" বিৰাজে ক'লে "কামনো কিমান আছে? পুটি নাই, দেওৰহঁতো নাই একো কামকাজ নথকা দেখি দিনটো বহি থাকোঁ। কাম কৰিব নোৱাৰা হ'লে তোমাক বাৰু ক'ম।" নীলাম্বৰে ক'লে "নহয় বিৰাজ! চাকৰে কৰা কাম তোমাক কৰিবলৈ নিদিওঁ। আচলতে সুন্দৰীয়ে একো দোষ কৰা নাই, খৰচ কমাবলৈ তুমি তাইক খেদি দিছা—স'চা হয়নে নহয় কোৱাঁচোন?"

বিৰাজে ক'লে "নহয়, তাই স'চাকৈয়ে দোষ কৰিছিল।" "কি দোষ?" "মই তাক নকওঁ, যোৱাঁ আৰু বহি নেথাকিবা গা ধুই আহাঁ গৈ" এইবুলি বিৰাজো দুৱাৰেদি ওলাই গ'ল। অলপ পাছত ঘুৰি আহি নীলাম্বৰক একেদৰে বহি থকা দেখি সুধিলে "ক'তা নগ'লা? এতিয়াও বহি আছা দেখোন!"

নীলাম্বৰে লাহেকৈ ক'লে "এইয়া যাওঁ—কিন্তু বিৰাজ তোমাক এইদৰে কাম কৰা দেখিলে মই সহি থাকিব নোৱাৰোঁ।" কথাটো বিৰাজৰ বৰ ভাল নেলাগিল, অলপ পৰ ৰৈ ক'লে "কি কৰিবা নো পাছে?" "সুন্দৰীক নেলাগে আন কাৰোবাক ৰাখোঁ—তুমি অকলে কেনেকৈ থাকিবা?"

"যেনেকৈয়ে নেথাকিলোঁ লাগে, মোক আৰু মানুহ নেলাগে।" নীলাম্বৰে ক'লে "নাই সেইটো হ'ব নোৱাৰে; যিমান দিন সংসাৰত আছোঁ মান অপমানো আছে। গাৱঁৰ মানুহে শুনিলে কি ক'ব?"

অলপ দূৰত ৰহিলৈ বিৰাজে ক'লে "গাৱঁৰ মানুহৰ কথালৈহে তোমাৰ ভয় ? মই কেনেকৈ থাকোঁ কিমান দুখকষ্ট হয় সেইবোৰ তোমাৰ এটা ছল !"

নীলাম্বৰ আচৰিত হৈ ক'লে "ছল ?" বিৰাজে ক'লে "ওঁ ছল ! আজিকালি মই সকলো বুজিছোঁ। মোৰ মুখলৈ চোৱা হ'লে, দুখকষ্টৰ কথা বুজি পোৱা হ'লে, মোৰ এটা কথাও শুনা হ'লে ইমান দুখ মোৰ কেতিয়াও ন'হলহেতেন !"

নীলাম্বৰে ক'লে "মই তেনেহলে তোমাৰ এটা কথাও শুনা নাই ?"

বিৰাজে জোৰ দি ক'লে "নাই শুনাতো ? যেতিয়া যিহকে কৈছোঁ এটা নহয় এটা ছলকৈ উৰাই দিছা—তোমাৰ চিন্তা কেৱল কিহত তোমাৰ পাপ হ'ব—মিছা হ'ব—লোকৰ নিন্দা শুনিব লগা হ'ব—এইবোৰেই ! মোৰনো কি হ'ব তাক কেতিয়াবা ভাবি চাইছা নে ?" নীলাম্বৰে ক'লে "মোৰ পাপ জানো। তোমাৰো পাপ নহয় ? মোৰ অপযশেই তোমাৰ অপযশ নহয় জানো ?" এইবাৰ বিৰাজৰ বৰ খং উঠিল। তীক্ষ্ণস্বৰত ক'লে "শুনা। সেইবোৰ হ'ল লৰা নিচুকুৱা কথা, এনে কথাত ভোল যোৱাৰ বয়স মোৰ আৰু নাই।" কিছুপৰ তলকা মাৰি আকৌ ক'লে "তুমি কেৱল নিজৰ কথাৰ বাহিৰে আন একো নেভাবা ; বহুত দুখকষ্ট পাই আজি এই কথা মুখেৰে ক'বলৈ বাধ্য হ'লোঁ।—আজি নিজঘৰত চাকৰৰ কাম কৰা দেখি তোমাৰ লাজ লাগিছে কিন্তু কাইলৈ তোমাৰ

কিবা এটা হ'লে মই লোকৰ ঘৰত সেই কাম-
ভাতৰ জোগাৰ কৰিব লাগিব। অৱশ্যে এটা
নিজচকুৰে সেইবোৰ দেখিব লগা নহব বা কা
নেলাগিব আৰু সেইবাবেই তাত তোমাৰ লাজহোৱ,
ভয় নাই ভাবিবও নেলাগে—এয়ে নহয় জানো ?"

নীলাম্বৰে এই অভিযোগৰ উত্তৰ সতকাই দিব নোৱাৰি
মাটিৰ ফালে চাই থাকি চকু তুলি মৃদুকণ্ঠে ক'লে "এইবোৰ
কেতিয়াও তোমাৰ মনৰ কথা নহয়। দুখত পৰি খণ্ডতহে তুমি
এইবোৰ কৈছা ! তোমাৰ কষ্ট দেখিলে স্বৰ্গত থাকিলেও যে
মই সহিব নোৱাৰোঁ তাক তুমি নিশ্চয় জানা ?"

বিৰাজে ক'লে "আগে তাকেই জানিছিলোঁ। কিন্তু দুখকষ্ট
নপৰিলে যেনেকৈ ইনো কি বস্তু তাক বুজি নেপায়, মৃত্যামানুহৰ
মৰমদয়াও সময় নহ'লে বুজা নেযায় ! এই দুপৰীয়া খন মই
আৰু তোমাৰ লগত দনহাই নকৰোঁ—যি কৈছোঁ কৰা—যোৱা
গা ধুই আহাঁগৈ।" "যাওঁ" বুলি কৈ নীলাম্বৰ মনে মনে বহি
থাকিল। বিৰাজে আকৌ ক'বলৈ ধৰিলে "পুটীৰ বিয়া হোৱা
দুবছৰ হ'ল, তাৰ আগৰ পৰা আজিলৈকে—সেই কথাবোৰ
মই সিদিনা মনে মনে ভাবি চাইছিলোঁ—দেখিলোঁ তুমি মোৰ
এটা কথাও শুনা নাই। যেতিয়াই যিহকে কওঁ কিবা এটা
নহয় এটা কৈ তাক নেমানি নিজমনেৰে কাম কৰি গৈছা !
মানুহে ঘৰৰ চাকৰনাকৰৰ কথাও শুনে কিন্তু তুমি মোৰ এটা
কথাও ৰখা নাই !" নীলাম্বৰে কিবা এটা ক'ব ধৰোঁতে বিৰাজে

"নাই তোমাৰ লগত তৰ্ক নকৰোঁ! তোমাক
া নকওঁ বুলি কিমান দুখত যে মই গোঁসাইৰ
খাইছোঁ তাক আজি কথায় কথায় ইমানবোৰ
তেন তুমি নেজানিলাহেঁতেন! এতিয়া তোমাৰ
মনত নপৰিব, লৰাকালত এদিন মূৰৰ বিষত মই শুই
ত তোমাক দুৱাৰ খুলি দিওঁতে পলম হোৱা কাৰণে মোক
মাৰিব খুজিছিলা—মোৰ অসুখ হোৱা কথা বিশ্বাস কৰা
নাছিলা! সেইদিনাই শপত খাইছিলোঁ অসুখৰ কথা তোমাক
আৰু কেতিয়াও নজনাওঁ বুলি, আজিলৈকে সেই শপত ভঙা
নাই!"

নীলাম্বৰে মুখ তুলি চাওঁতে দুইবো চকুৱে চকুৱে পৰিল
তেওঁ হঠাৎ আহি বিৰাজৰ হাতত ধৰি ক'বলৈ ধৰিলে "সেইটো
ন'হব বিৰাজ! তোমাৰ গা কেতিয়াও ভাল নহয়, কি হৈছে
কোৱা, মোক ক'বই লাগিব।"

বিৰাজে লাহে লাহে হাত এৰুৱাবৰ চেষ্টা কৰি ক'লে "এৰি
দিয়া মই বৰ দুখ পাইছোঁ।" "দুখ পালেও পোৱা, কোৱা
তোমাৰ কি হৈছে?" বিৰাজে শুকান হাঁহি এটা মাৰি ক'লে
"ক'বা একো হোৱা নাই, ভালেই আছোঁ।"

নীলাম্বৰে অবিশ্বাসেৰে ক'লে "নহয় তোমাৰ গা কেতিয়াও
ভালে নাই, নহ'লে ইমানদিনৰ পুৰণি কথা উলিয়াই মোক তুমি
কেতিয়াও এনেকৈ কষ্ট নিদিলাহেঁতেন! বিশেষকৈ যাৰ কাৰণে
মই তোমাৰ ওচৰত কতদিন ক্ষমা খুজিছোঁ!"

"বাৰু আৰু কেতিয়াও নকওঁ" বুলি হাত একুৰাই অলপ দূৰত বহিলগৈ। নীলাম্বৰে ইয়াৰ অৰ্থ বুজিলেও আৰু একো নকৈ মনে মনে থাকিল। ইয়াৰ দুই তিনি মিনিট পাছত উঠি গ'ল।

ৰাতি চাকিৰ পোহৰত বহি বিৰাজে চিঠি লেখি আছিল। খাটৰ ওপৰত নীলাম্বৰে শুই লৈ তেওঁৰ ফালে চাই থাকি থাকি হঠাৎ ক'লে "এই জন্মত তোমাৰ কোনো দোষ বা অপৰাধ শত্ৰুৱেও দিব নোৱাঁৰে কিন্তু পূৰ্ব্বজন্মত চাগৈ তোমাৰ কিবা পাপ আছিল, নহ'লে কেতিয়াও এনে নহ'লহেতেন!" "কি নহ'লহেতেন?" বিৰাজে মূৰ তুলি সুধিলে। নীলাম্বৰে ক'লে তোমাৰ দেহমন সকলো ৰাজৰাণীৰ দৰেই ভগবানে গঢ়িছিল, কিন্তু"—"কিন্তু কি?" নীলাম্বৰ মনে মনে থাকিল; অলপ পৰ উত্তৰলৈ বাট চাই থাকি বিৰাজে ৰুক্ষস্বৰত ক'লে "ভগবানে এই খবৰটো তোমাক কেতিয়া দি গ'ল?"

নীলাম্বৰে ক'লে "চকু কাণ থাকিলে ভগবানে সকলোকেই খবৰ দিয়ে।" "হুঁ" বুলি বিৰাজে চিঠি লেখাত মন দিলে। নীলাম্বৰ কিছু সময় মনে মনে থাকি ক'লে "অথনি কৈছিলা মই তোমাৰ কোনো কথা নুশুনোঁ বুলি হয়তো সেইটো সঁচা কিন্তু সেইটোতো অকল মোৰেই দোষ নহয়?"

বিৰাজে আকৌ এবাৰ মূৰ তুলি চাই ক'লে "বেছ্‌তো, মোৰেই বা দোষটো ক'ত দেখুৱাই দিয়া!"

নীলাম্বৰে ক'লে "তোমাৰ দোষ মই দেখুৱাব নোৱাৰোঁ কিন্তু আজি সঁচা কথা এটা ক'ম; তুমি নিজৰ লগত আমৰ তুলনা

কৰিয়েই চোৰা কিন্তু এইটোতো এবাৰো ভাবি নোচোৰা তোমাৰ দৰে কেইজনী তিৰোতা এনে মূৰ্খৰ হাতত পৰে? এইটোৱেই তোমাৰ পূৰ্ব্বজন্মৰ পাপ, নহলে তোমাৰ নিচিনা তিৰোতাই ইমান দুখকষ্ট ভোগাব কোনো কাৰণ নাই।" বিৰাজে নিজমনে চিঠি লেখি থাকিল। বোধহয় ইয়াৰ উত্তৰ নিদিয়াটোকে ভাল দেখিলে; কিন্তু থাকিব নোৱাৰিলে, মুখখন ঘুৰাই লৈ সুধিলে—"এনেবিলাক কথা শুনিলে মই সুখী হওঁ বুলি ভাবা নেকি?" "কোনবোৰ কথা?" বিৰাজে ক'লে "এই ধৰা যেনে ৰাজৰাণী হ'ব পাৰিলেঁ হেতেন, তোমাৰ হাতত পৰিহে এনে গতি হ'ল—ভাবিছা মোৰ শুনি বৰ আনন্দ হয় কিন্তু আচলতে এইবোৰ কথা কোৱা জনৰ মুখকে মোৰ চাবৰ ইচ্ছা নেযায়।"

নীলাম্বৰে বুজিলে বিৰাজৰ বৰ খং উঠিছে। কথা গৈ কিবা হে হব বুলি তেওঁ ভবাই নাছিল। এতিয়া বৰ সঙ্কুচিত হৈ পৰিল; কিন্তু কেনেকৈ প্ৰশ্ন কৰা যায় তাক ভাবিও একো ঠিক কৰিব নাৱাৰিলে। বিৰাজে ক'লে "কেৱল ৰূপ, ৰূপ আৰু ৰূপ, শুনি শুনি মোৰ কাণ ঘোগোলা হ'ল! আন যিবোৰ মানুহে কয় সিহঁতৰ জানিবা ৰূপটোৱেই আগত চকুত পৰে, কিন্তু তুমি স্বামী, ইমানকণৰ পৰা তোমাৰ আশ্ৰয়তেই ডাঙৰ হলো, তোমাবো ইয়াৰ বাহিৰে আন একোকে চকুত নপৰে নে? এইটোৱেই মোৰ সকলোতকৈ ডাঙৰ বস্তু নে? তুমি কেনেকৈ এইকথা মুখলৈ আনা? মই ৰূপৰ ব্যৱসায়েই কৰোঁ নে ৰূপেৰে তোমাক ভুলাই ৰাখিব খোজো?" নীলাম্বৰে ভয় খাই ক'লে "নহয় নহয় সেইটো"—

বিৰাজে কথাৰ মাজতে কৈ উঠিল “ঠিক তাকেই, সেই কাৰণেই এদিন সুধিছিলোঁ। মই ক’লা কুৎচিৎ হোৱাহ’লে মোক ভাল পালাহেতেন নে নাই, মনত পৰেনে ?”

নীলাম্বৰে মুৰ জোকাৰি ক’লে “পৰে, কিন্তু সিদিনা তুমিয়েই দেখোন কৈছিলা।”— বিৰাজে ক’লে “হয় কৈছিলোঁ, মই দেখাত বেয়া হোৱা হলেও তুমি মোক ভাল পালাহেতেন কিয়নো মোক এইবোৰ কথা ক’বলৈ লাজ নেলাগে ? ইয়াৰ আগেও তুমি মোক এইবোৰ কথা কৈছা।” কোৱাৰ লগে লগে খঙে অভিমানে চকুৰ পানী উপচি পৰিল আৰু চাকিৰ পোহৰত চকুপানীবোৰ চক্‌চকাই উঠিল। তাকে দেখি নীলাম্বৰ উঠি আহি তেওঁৰ হাতত ধৰিলহি। এদিন বিৰাজে নিজেই কৈছিল তেওঁ হাতত ধৰিলে বিৰাজৰ খং, ৰাগ আৰু নেথাকে বুলি। সেই কথাটো হঠাতে নীলাম্বৰৰ মনত পৰি গ’ল আৰু সেইবাবে সোঁহাতখন লৈ নিজৰ দুইহাতৰ মাজত সুমুৱাই বহি থাকিল।

বিৰাজে বাওঁহাতেৰে চকুপানীবোৰ মচিবলৈ ধৰিলে। সেই ৰাতি দুয়ো বহুতপৰলৈকে নিঃশব্দে উজাগৰে থাকিল। এসময়ত নীলাম্বৰে বিৰাজৰ ফালে মুখ ঘুৰাই লৈ লাহে লাহে ক’লে “বিৰাজ, আজি ইমান খং কিয় কৰিলা ?” বিৰাজে ক’লে “তুমিনো কিয় সেইবোৰ কথা ক’লা ?” নীলাম্বৰে ক’লে “মইতো একো বেয়া কথা কোৱা নাছিলোঁ ?” বিৰাজ অস্থিৰ হৈ উঠি ক’লে “তথাপিও বেয়া নহয় বুলি কৈছা ? এইবোৰ কথা বৰ বেয়া অতিপাত বেয়া আৰু সেইকাৰণেই সুন্দৰীক”—তেওঁ আৰু

নকৈ মনে মনে থাকিল। নীলাম্বৰে অলপ পৰ মনে মনে থাকি সুধিলে—"কেৱল এই দোষৰ কাৰণেই তাইক খেদি দিলাঁ ?"

"হুঁ" বুলি বিৰাজ মনে মনে থাকিল।

নীলাম্বৰে আৰু একো প্ৰশ্ন নকৰিলে। বিৰাজে নিজেই কৈ গ'ল "মোক জেৰা নকৰিবা, মইতো সৰু ছোৱালী নহওঁ ? কি ভাল কি বেয়া সকলো বুজি পাওঁ—খেদাব লগীয়া দোষ পালো কাৰণেই খেদি দিলোঁ। কি কথা কি বতৰা ইমানবোৰ মতা মানুহৰ শুনাৰ কোনো দৰকাৰ নাই।" "নাই আৰু শুনিবলৈ নিবিচাৰোঁ।" এই বুলি সিফালে ঘুৰি শুই থাকিল।

বেলেগ হোৱাৰ দুই চাৰি মাহৰ ভিতৰতে পীতাম্বৰে নিজৰ বাৰীৰ সীমা বাঁহৰ জেওৰা দি ভগাই লৈছিল। দক্ষিণ ফালে দুৱাৰ উলিয়াই তাৰ মুখতে চ'ৰাঘৰ এটা সাজি নিজৰ ঘৰটো কেউফালে সুবিধাৰ কৰি লৈ মহাসুখেৰে দিন কটাইছিল। ককায়েকৰ লগত আগৰপৰাই কথাবাৰ্ত্তা প্ৰায় নথকাৰ নিচিনা এতিয়া সম্বন্ধও নোহোৱা হ'ল। ইফালে বিৰাজ দিনৰ-দিনটো তেনেই অকলশৰীয়া। সুন্দৰীক কামৰ পৰা এৰুৱাই দিয়াৰ পৰা সকলো কাম নিজেই কৰিব লাগে, তাৰোপৰি চাকৰ-নাকৰৰ কৰা কামকাজবোৰ, লাজপোৱাৰ ভয়ত মানুহে নেদেখাকৈ কৰিব লগা হোৱা কাৰণে ৰাতি ভালেখিনি পৰলৈকে নোশোৱাকৈ থাকিব লগা হ'ল। এদিন ঠিক এইদৰেই ৰাতি বহুত হৈছে, বিৰাজে কাম কৰি আছে এনেতে ৰেৰৰ ফুটাই দি খুব লাহে লাহে মাত আহিল "বাইদেউ, ৰাতি বহুত হ'ল নহয়নে ?" বিৰাজ আচৰিত

হৈ ক'লে "কোন সৰু নেকি? ইমান ৰাতি?" "হয় বাইদেউ মই, এবাৰ এইফালে আহাঁচোন!" বিৰাজ বেৰৰ কাষলৈ উঠি আহোঁতে সৰু জাকে মনে মনে সুধিলে "বাইদেউ, ডাঙৰীয়া শুলে নে?" বিৰাজে ক'লে "শুলে।"

মোহিনীয়ে ক'লে "বাইদেউ কথা এটা আছিল পাছে মই ক'বহে পৰা নাই" এই বুলি মনে মনে থাকিল।

বিৰাজে তেওঁৰ মাতৰ পৰাই বুজিলে যে কান্দিছে, চিন্তিত হৈ সুধিলে "কি হ'ল সৰু?"

সৰুজাকে ইয়াৰ উত্তৰ নিদি চকুপানীবোৰ মচি নিজক সংবৰণ কৰিবলৈ ধৰিলে।

বিৰাজে ব্যস্ত হৈ সুধিলে "কিনো হ'ল বাৰু কোৱাঁচোন।" এইবাৰ তেওঁ ভগা ভগা মাতেৰে কলে "ডাঙৰীয়াৰ নামে নালিচ হৈছে, কাইলৈ চমন দিব, কি হ'ব বাইদেউ?"

বিৰাজে ভয় খাইছিল যদিও সেই ভাবটো লুকুৱাই ক'লে "চমন দিলে নো ভয় কৰিবলৈ কি আছে?"

"ভয় নাই নেকি বাইদেউ?"

"ভয়নো কিহৰ? কোনে নালিচ কৰিছে জানা নে?"

সৰুজাকে ক'লে "ভোলা মুখাৰ্জ্জীয়ে!"

বিৰাজ কিছুপৰ স্তম্ভিত হৈ থাকি ক'লে "বাৰু আৰু ক'ব নেলাগে বুজিছোঁ, মুখাৰ্জ্জীয়ে টকা পাবলগীয়া আছে কাৰণে নালিচ কৰিছে, তাৰবাবে ভয় খাবলগীয়া একো নাই।" দুয়ো কিছুসময় মনে মনে থাকিল।

অলপপৰ পাছত সৰুজাকে ক'লে "বাইদেউ তোমাৰ লগত কোনোদিন সৰহ কথা পতা নাই, কথাকোৱাৰ যোগ্যও মই নহওঁ, আজি ভণীয়েৰাৰ কথা এটা ৰাখিবা নে বাইদেউ ?" মোহিনীৰ কথা শুনাৰ লগে লগে বিৰাজৰ মনটো কুমলি আহিছিল ক'লে "কিয় নেৰাখিম ভণীটি ?"

"তেনেহলে হাতখন এবাৰ পাঁতা।" হাত পতাৰ লগে লগে বেৰৰ ফুটাই দি কোমল হাত এখন ওলাই আহিল আৰু তাৰ ভিতৰৰ পৰা সোণৰ মণি এধাৰ বিৰাজৰ হাতত আহি পৰিল। বিৰাজ আচৰিত হৈ ক'লে "এইধাৰ কিয় দিছা সৰু ?" সৰুজাকে আৰু মিহিকৈ ক'লে "এইধাৰ বিক্ৰী কৰি নাইবা বন্ধকত থৈ যেনে তেনে ধাৰবোৰ মাৰি পেলাবা, বাইদেউ !"

কেতিয়াও নভবা নিচিন্তা এই আকস্মিক অযাচিত সহানুভূতি পাই বিৰাজ কিছুপৰ অভিভূত হৈ ৰ'ল—তেওঁৰ মুখৰ মাত হৰিল। কিন্তু "বাইদেউ যাওঁ" বুলি কৈ সৰুজাক যোৱা যেন দেখি লৰালৰিকৈ ক'লে "নেযাবা সৰু শুনা।" সৰুজাক ফিৰি আহি ক'লে "কিয় বাইদেউ ?"

বিৰাজে বেৰৰ ফুটাই দি মণিধাৰ দলিয়াই দি ক'লে "ছিঃ এইবোৰ কৰিব নেপায় নহয় ?"

সৰুজাকে মণিধাৰ লৈ মনটো মাৰি সুধিলে "কিয় নেপায় বাইদেউ ?"—বিৰাজে ক'লে "বোপাই শুনিলে কি ক'ব ?"

"কিন্তু তেওঁতো একো শুনিবলৈ নেপায়।"

"আজি নহ'লেও দুদিন পাছত যেতিয়া শুনিব তেতিয়া কি হ'ব ?"

সৰুজাকে ক'লে "বাইদেউ, কোনোদিনেই তেওঁ জানিবলৈ নেপায় ! যোৱা বছৰ মা ঢুকাবৰ সময়ত মোক এইধাৰ মনে মনে দি গৈছিল ; তেতিয়াৰ পৰা এইধাৰ কোনোদিনাই পিন্ধা বা উলিওৱা নাই, মই ভৰিত ধৰি কৈছোঁ বাইদেউ, এইধাৰ লোৱাঁ।"

তেওঁৰ কাবৌকোকালি দেখি বিৰাজৰ চকুত পানী ভৰি আহিল, তেওঁ স্তব্ধ হৈ এই নিঃসম্পৰ্কীয়া তিৰোতাগৰাকীৰ আচৰণৰ লগত ঘৰৰ দুই ভাইকক্কায়েকৰ আচৰণৰ তুলনা কৰিবলৈ ধৰিলে। তাৰ পাছত চকু পানী টুকি গধুৰ মাতেৰে ক'লে "আজিৰ এই কথাটো মোৰ মৰাদিনলৈকে মনত থাকিব ভণীটি ! কিন্তু এই ধাৰতো মই লব নোৱাৰোঁ ! তাৰ বাহিৰে স্বামীক লুকুৱাই তিৰোতাই একো কাম কৰা উচিত নহয় সৰু ! তাৰ পৰা তোমাৰ মোৰ দুয়োৰে পাপ হ'ব।"

সৰুজাকে ক'লে "তুমি সকলো কথা নেজানা। বাইদেউ সেই-কাৰণেই এইদৰে কৈছোঁ—কিন্তু ধৰ্ম্মাধৰ্ম্ম মোৰো আছে নহয়—মৰণকালত ময়েই বা কি ক'ম ?"

বিৰাজে আৰু এবাৰ চকু মচি লৈ ক'লে "মই আটাইকে চিনিছিলোঁ সৰু, কেৱল তোমাক হে অতদিনে চিনি পোৱা নাছিলোঁ—কিন্তু তুমিতো মৰণকালত একো ক'বলগীয়া নহ'ব সৰু ? তোমাৰ কৈফিয়ৎ অন্তৰ্যামীয়ে নিজেই লেখি থৈছে ! যোৱাঁ বহুত নিশা হ'ল ভণীটি শুই থাকাঁগৈ !" ইয়াৰ পাচত

উত্তৰলৈ বাট নেচাই বেগাবেগিকৈ তাৰ পৰা গুচি আহিল। কিন্তু ঘৰৰ ভিতৰ সোমাব নোৱাৰিলে, এন্ধাৰ বাৰান্দাৰ চুক এটাত আঁচল পাতি লৈ শুই থাকিল। তেওঁৰ মকৰ্দ্দমা, নালিচ এইবোৰৰ কথা একোকে মনত নেথাকিল কিন্তু এই অল্পভাষী সৰুফুটীয়া জাকৰ দুখলগা কথাবোৰ মনত পৰি চকুৰ পানী উপচি পৰিবলৈ ধৰিলে। আজি এইটোৰেই ডাঙৰ দুখ হ'ল যে অতদিনে ইমান ওচৰত পায়ো তেওঁক চিনি পোৱা নাছিল, চিনিবৰ কোনো চেষ্টা পৰ্য্যন্তও কৰা নাই, নেদেখাত নিন্দা নকৰিলেও কোনোদিন কাৰো আগত জাকৰ হৈ ভাল কথা এষাৰ কোৱা নাই! বজ্ৰপাতে যেনেকৈ এন্ধাৰৰ বুকু ফালি দিয়ে ঠিক তেনেকৈ আজিৰ ব্যৱহাৰে তেওঁৰ অন্তৰ ভেদি দি থৈ গ'ল! এইবোৰ কথা ভাবি থাকোতে কোনোবা সময়ত তেওঁৰ টোপনি আহি গ'ল। হঠাৎ কাৰবাৰ হাতৰ পৰশত তেওঁ ধৰমৰকৈ উঠি দেখে নীলাম্বৰ আহি মূৰৰ শিতানত বহিছেহি। নীলাম্বৰে সংক্ষেপে ক'লে "ভিতৰলৈ ব'লা, ৰাতি প্ৰায় শেষ হৈ আহিল।" বিৰাজে কোনো কথা নকৈ গিৰিয়েকৰ গাত ভৰ দি ভিতৰলৈ আহি শুই থাকিল।

ছয়

এবছৰ পাৰ হৈ গ'ল। এই বছৰত তুঅনা পৰিমাণৰ শইচও নহ'ল। যিখন বাৰীৰে গোটেই বছৰৰ ভৰণপোষণ চলিছিল সেইখন বাৰী সিটো চুবুৰীৰ ভোলা মুখাৰ্জীয়ে কিনি ললে। ঘৰবাৰী সকলো বন্ধকত সোমাল—ভায়েক পীতাম্বৰে মনে মনে বন্ধক মোকোলাই নিজৰ নামে সকলো কিনি লোৱা বুলি কেউফালে কথা ওলাইছে। হালৰ গৰু এটাও মৰিল। পুখুৰীত পানী নাই। বিৰাজে কেনিউ একো আশা নেদেখিলে। শৰীৰৰ এটা অংশ বহুত পৰ বান্ধি থ'লে এটা অসহ্য বিষত গোটেই শৰীৰ যেনেকৈ লাহে লাহে অৱসন্ন হৈ আহে গোটেই সংসাৰখনৰ 'লগত সম্বন্ধটোও বিৰাজৰ তেনেকুৱা হৈ আহিল। আগে বিৰাজে কথায় কথায় হাঁহে, ছেলু পালেই ঠাট্টা মস্কৰা কৰে কিন্তু আজি-কালি ঘৰখনৰ কাৰো লগত কথাবতৰা নেপাতে। কোনোবাই কিবা কথা পাতিলে বা খবৰ কৰিলে মনে মনে বিৰক্তহে হয়! স্বভাবতে অভিমানী বিৰাজৰ গাৱঁৰ মানুহৰ এটা কথা শুনিলেই মনটো বিদ্ৰোহী হৈ উঠে। সংসাৰখনৰ কামৰ প্ৰতি যে আৰু লেশমাত্ৰও উৎসাহ নাই তাক কামবোৰ চালেই চকুত পৰে। ঘৰৰ ভিতৰত থকা বিছনাখন মলিন, কাপোৰৰ আলনা জধলা, বস্তুবাহানিবোৰ অপৰিচ্ছন্ন, ঘৰৰ চুকত ঠাই সাৰি দ'মাই থোৱা জাবৰবোৰ গোটাই লৈ পেলাই দিয়াৰ শক্তিকণো যেন আৰু নাই। এইদৰেই দিনবোৰ পাৰ হৈ যায়। ইত্যিমধ্যে নীলাম্বৰে

ভগ্নীয়েকক আনিবলৈ দুবাৰ লেখালেখি কৰিছে যদিও পঠোৱা নাই। পোন্ধৰ দিনমান হ'ল চিঠি এখন দিছিল কিন্তু হৰিমতীৰ শহুৰেকে তাৰ উত্তৰ পৰ্য্যন্ত দিয়া নাই। ইফালে বিৰাজৰ আগত তাইৰ নামকে উলিয়াব নোৱাৰি, নাম শুনিলেই জ্বলি উঠে। পুটিক তুলিতালি ডাঙৰ কৰিছিল, মাকৰ দৰে ভাল পাইছিল কিন্তু আজিকালি তাইৰ লগত সংস্ৰৱ ৰখাটোকে বিহ যেন হ'ল। আজি ৰাতিপুৱা নীলাম্বৰে পোষ্টঅফিচৰ পৰা ঘুৰি আহি মনটো মাৰি ক'লে "পুটিৰ শহুৰেকে এটা উত্তৰ পৰ্য্যন্ত নিদিলে, এইবাৰ পূজাতো আৰু তাইক দেখা নেপাওঁ"। কামৰ মাজতো বিৰাজে এবাৰ মূৰ দাঙি চালে, কিবা এটা ক'ব খুজি একো নক'লে, তাৰ পৰা উঠি গ'ল। সেইদিনা দুপৰীয়া খোৱাসময়ত নীলাম্বৰে লাহেকৈ সুধিলে "তাইৰ নাম শুনিলেই তুমি জ্বলি উঠা—তাই কিবা দোষ কৰিছে নেকি?" বিৰাজ ওচৰতে বহি আছিল, চকু তুলি ক'লে "জ্বলি উঠোঁ বুলি কোনে কলে?" "কোনেনো ক'ব লাগিছে মই নিজেই বুজি পাওঁ।"

বিৰাজে অলপ পৰ গিৰিয়েকৰ মুখলৈ চাই থাকি ক'লে "বুজি পালেই ভাল" এই বুলি যাব খোজোতে নীলাম্বৰে ক'লে "বাৰু আজিকালি এনে হৈ গৈছা কিয়? একেবাৰে যেন বদলি হৈ গ'লা?" বিৰাজে ঘুৰি লৈ কথাটো মনদি শুনি ক'লে "বদলালেই বদলি হ'ব লাগে" বুলি কৈ বাহিৰলৈ ওলাই গ'ল। ইয়াৰ দুদিন মান পাছত আবেলি বিৰাজ আহি নিঃশব্দে আগত ৰ'লহি। নীলাম্বৰে মূৰ দাঙি চাই ক'লে "কি?"

বিৰাজে তীক্ষ্ণ দৃষ্টিৰে চাই থাকিল—একো নক'লে। নীলাম্বৰে মুখ নমোৱাৰ লগে লগে বিৰাজে ৰুক্ষ ভাবে ক'লে "আৰু এবাৰ মুখখন তোলাচোন চাওঁ" নীলাম্বৰে মূৰ নেদাঙি মনে মনে থাকিল। বিৰাজে আগৰ দৰেই কঠিন সুৰত ক'লে "অ দেখিছোঁ বেছ ৰঙা হৈছে, আকৌ এইবোৰ খাবলৈ ধৰা হৈছে ?" নীলাম্বৰে একো নক'লে, ভয়ত কাঠৰ মূৰ্ত্তিৰ দৰে বহি থাকিল। এনেয়েই বিৰাজলৈ তেওঁৰ ভয়; তাতে আকৌ আজিকালি স্তূপাকাৰকৈ থোৱা বাৰুদসোপা যেন হৈ আছে, কোন সময়ত কেনেকৈ জ্বলি উঠে তাৰ ঠিক নাই। বিৰাজেও কিছুপৰ মনে মনে থাকি ক'লে "ভালেই কৰিছা, ভাং খাই বোম্‌ভোলানাথ হৈ থকাৰ এয়েই ঠিক সময়।" ইমানকৈ কৈ ঘৰৰ ভিতৰ পালেগৈ। সেই দিনটো পাৰ হৈ গ'ল, তাৰ পাচদিনা নীলাম্বৰে সকলো লাজমান কাতি কৰি থৈ ৰাতিপুৱা পীতাম্বৰক চ'ৰাঘৰলৈ মতাই অনাই ক'লে "পুটিৰ শহুৰেকে কোনো উত্তৰকে নিদিলে, তই এবাৰ চেষ্টা কৰি চা কিজানি ভণীয়েৰক দুদিন মানলৈ আনিব পৰা হয়েই বা।" ককায়েকৰ মুখলৈ চাই পীতাম্বৰে ক'লে "তুমি থাকোঁতে আকৌ মই কিহৰ চেষ্টা কৰিব লাগে ?" নীলাম্বৰে ভায়েকৰ বদমাচি বুজি ভিতৰি ভিতৰি খঙত জ্বলি উঠিল, কিন্তু সেই ভাব পাৰে মানে গোপন কৰি ক'লে "হক বাৰু, মোৰ যেনেকৈ ভণী হয় ঠিক তেনেকৈ তোৰো সেইজনী ভণীয়েৰ। ধৰি ল মই মৰিলোঁ। এতিয়া অকল তয়েই হে আছ।" পীতাম্বৰে ক'লে "যি কথা সঁচা নহয় তাক

তোমাৰ দৰে মই ভাবি লব নোৱাৰোঁ। আৰু তোমালৈকে উত্তৰ নিদিলে মোলৈ নো কিয় দিব ?” নীলাম্বৰে এইবোৰ কথা গাত নেসানি ক'লে “যি সঁচা নহয় মই তাকে ভাবোঁ ? বাঁৰু সেয়ে ভাল, এইটো কথা লৈ মই দন কৰিবলৈ বিচৰা নাই ; কিন্তু মোৰ চিঠিৰ উত্তৰ নিদিয়ে এই কাৰণে যে মই বিয়াৰ সময়ৰ সৰ্ত্ত এটাইবোৰ পালন কৰিব নোৱাৰিলোঁ ! সেইবোৰ কথাৰ কাৰণে তোক মতা নাই, ক যি কৰিবলৈ কৈছোঁ পাৰিবি নে নোৱাৰ ?”

পীতাম্বৰে মূৰ জোকাৰি ক'লে “নাই, বিয়াৰ আগত জানোঁ মোক সুধিছিলা ?”

“সুধিলে নো কি কৰিবিলিহেঁতেন ?”

পীতাম্বৰে ক'লে “ভাল পৰামৰ্শ দিলোঁহেতেন !”

নীলাম্বৰৰ খঙে মূৰৰ চুলি পালেগৈ, ওঁঠ দুটা কপিবলৈ ধৰিলে ; তেওঁ নিজক কোনোমতে চম্ভালি ক'লে “তেনেহলে নোৱাৰ ?”

পীতাম্বৰে ক'লে “নাই নোৱাৰোঁ, আৰু পুটিৰ শহুৰো যেনে নিজৰ শহুৰো তেনে—এওঁবিলাক গুৰুজন ! যেতিয়া পঠাবলৈ ইচ্ছা কৰা নাই তেখেতৰ মতৰ বিৰুদ্ধে মই কথা ক'ব নোৱাৰোঁ। তেনে স্বভাব মোৰ নাই !” তেওঁৰ কথাবোৰ শুনি নীলাম্বৰৰ লৰি গৈ লথিয়াই মুখ ভাঙি দিবৰ মন 'গ'ল তথাপি নিজক কেনোমতে সংবৰণ কৰি ক'লে “যা মোৰ আগৰ পৰা গুলাই বা হিৰ হ।”

পীতাম্বৰে খঙেৰে ক'লে “মিছামিছিকৈ খং কৰিছা কেলেই ?

মই নিজেহে জানোঁ বাহিৰ কৰি দিব পাৰিবা ?” নীলাম্বৰে দুৱাৰৰ ফালে হাতি দেখুৱাই ক'লে “বুঢ়া বয়সত মাৰ খাই মৰিবৰ মন নাই যদি আলৈ ভালে মোৰ চকুৰ আঁতৰ হৈ যা !” তথাপি পীতাম্বৰে কিবা এটা ক'ব খুজিছিল। কিন্তু নীলাম্বৰে বাধা দি ক'লে” “হ'ল আৰু এটা কথাও নকৰি যা ?”

গৌৰাৰ নীলাম্বৰৰ গাৰ জোৰৰ খ্যাতি গোটেই গাওঁ খনতে আছে। পীতাম্বৰে আৰু কথা ক'বলৈ সাহ নকৰিলে, লাহে লাহে বাহিৰ হৈ গ'ল।

গোলমাল শুনি বিৰাজ বাজলৈ ওলাই. আহি গিৰিয়েকক হাতত ধৰি টানি লৈ গ'ল, ক'লে “ছিঃ এটাইবোৰ জানি শুনিও ভায়েকৰ লগত কেলেঙ্কাৰী কৰিব লাগে নে ?”

নীলাম্বৰে উদ্ধত ভাবে ক'লে “জানো। বুলিয়েই ভয়ত পেপুৱা লাগি থাকিম নেকি ? মোৰ সকলো সহ্য হয় বিৰাজ ! কেৱল ভণ্ডামি সহ্য নহয় !”

বিৰাজে ক'লে “কিন্তু তুমিতো অকল নোহোৱা, আজি হাতত ধৰি বাজ কৰি দিলে কাইলৈ ক'ত থাকিম—সেই কথাটো এবাৰ ভাবি চাইছাঁ নে ?”

নীলাম্বৰে ক'লে “নাই, যি ভাবিব লাগে তেওঁ ভাবিব, মই মিছাতে ভাবি গুণি মনত দুখ নেপাওঁ”—বিৰাজে ক'লে “ঠিক কথাকে কৈছাঁ। যাৰ কামৰ ভিতৰত কেৱল ঢোল বজোৱা আৰু মহাভাৰত পঢ়া তেওঁৰ ভাবনা চিন্তা মিছা !” কথাবোৰ বিৰাজে সুৱলাকৈ কোৱা নাছিল আৰু নীলাম্বৰৰ কাণতো সুৱলা

নেলাগিল, তথাপি সহজ ভাবেই ক'লে "সেইবোৰ কামতে মই সকলোতকৈ ডাঙৰ বুলি ভাবোঁ ; তাৰ বাহিৰে ভাবি থাকিলেই কপালৰ লেখাঁবোৰ মছ খাব নে ?"

এই বুলি কৈ নিজৰ কপালত হাত দি ক'লে "চা বিৰাজ এইখিনিত লেখা থকা কাৰণেই কত ৰজা মহাৰজা ভিখাৰী হ'ব লগা হৈছিল—মইতো কোন কুটা !" বিৰাজৰ অন্তৰ দহি আছিল, ক'লে "এইবোৰ মুখে কোৱা যিমান সহজ কামত সিমান সহজ নহয় ৷ তাৰ বাহিৰে তুমি যেনিবা গছতলতে থাকিব পাৰিবা, মইতো নোৱাৰোঁ ৷ মাইকী মানুহৰ লাজ চৰম আছে ৷ মই খোচামোদি কৰিয়েই হক দাসীৰ কাম কৰিয়েই হক কাৰোবাৰ আশ্ৰয়ত থাকিবই লাগিব ! ভায়েৰাৰ মন যোগাই চলিব নোৱাৰিলেও মৰামৰি কৰি লৈ কেউফালে মাটি নকৰিবা !" ইয়াকে কৈ চকুপাণী সামৰি বেগাবেগিকৈ ওলাই গ'ল ৷

স্বামী স্ত্ৰীৰ মাজত বহুত দন কাজিয়া বহুতবাৰেই হৈ গৈছে, নীলাম্বৰে তাক জানিছিল কিন্তু আজি যি হৈ গ'ল সিটো কলহ নহয়—ইয়াৰ মূৰ্ত্তি নীলাম্বৰৰ সম্পূৰ্ণ অপৰিচিত ৷ তেওঁ স্তম্ভিত হৈ থিয় দি থাকিল ৷ কেই মিনিট মানৰ পাছত বিৰাজ আকৌ সোমাই আহি ক'লে "এনেকৈ হতভম্ব হৈ বৈ থাকিলা দেখোন ! সময় বহুতো হ'ল—যোৱাঁ গা পা ধুই আহি আহ্নিক কৰি খাবলৈ আহাঁ—যি দুদিন পোৱা যায় সিয়েই লাভ !" এই বুলি গিৰিয়েকৰ মনত আকৌ এটা আঘাত দি ওলাই গ'ল ৷ ঘৰৰ বেৰত এখন

ৰাধাকৃষ্ণৰ ছবি আঁৰি থোৱা আছিল সেইখনৰ ফালে চাই চাই হঠাৎ নীলাম্বৰে কান্দি পেলালে ; কিন্তু আনে ক'ৰবাত দেখে বুলি তৎক্ষণাৎ চকু মোহাৰি বাহিৰলৈ ওলাই গ'ল। আৰু বিৰাজ? সেইদিনা গোটেই দিনটো বিৰাজৰ চকুৰ পানী বন্ধ নহ'ল। যাৰ অকনমান দুখো তেওঁ সহিব নোৱাৰিছিল আজি নিজ মুখে তেওঁক ইমান টান কথা কোৱাৰ পৰা নিজৰ মনত দুখ আৰু আত্মগ্লানিৰ সীমা নাছিল। গোটেই দিন পানী এটোপাকে পেটলৈ নগ'ল, কান্দি কাটি ইঘৰ সিঘৰকৈ থাকি গধূলি তুলসীগুৰিত চাকি দিয়াৰ পাছত সেৱা কৰিবলৈ তাতে পৰি কান্দিবলৈ ধৰিলে। গোটেই ঘৰখন নিমাত নিস্তব্ধ। নীলাম্বৰ ঘৰত নাই, সেই দুপৰতে ভাতৰ পাতত বহিয়েই উঠি যোৱাৰ পৰা এতিয়াও ফিৰি অহা নাই। বিৰাজে কি কৰিব, ক'লৈ যাব, কাৰ আগত কি ক'ব—কোনো-ফালে একো উপায় নেপাই এন্ধাৰ চোতালখনতে উবুৰি হৈ পৰি কান্দি থাকিল—কেৱল ক'বলৈ ধৰিলে "অন্তৰ্যামী ভগৱান, এবাৰ মুখ তুলি চোৱা! যিজন মানুহে কোনো পাপ, কোনো দোষ কৰিব নেজানে তেওঁক আৰু কষ্ট নিদিবা দয়াময়! মই যে আৰু সহিব নোৱাৰোঁ!"

ৰাতি নমান বাজিছে, নীলাম্বৰ মনে মনে আহি বিছনাত শুই থাকিল। বিৰাজ কোঠাত সোমাই ভৰিৰ ওচৰত বহিলহি। নীলাম্বৰে সেইফালে নেচালেও কথাও নক'লে। অলপ পাছত বিৰাজে গিৰিয়েকৰ ভৰিৰ ওপৰত এখন হাত থওঁতেই তেওঁ ভৰিটো আঁতৰাই নিলে। আৰু পাঁচ মিনিট মান নিস্তব্ধে

কাটিলে। বিৰাজৰ মাৰ যোৱা অভিমান আকৌ অলপ অলপকৈ বাঢ়ি আহিল তথাপি তেওঁ লাহেকৈ কলে "খাবলৈ ব'লা।"

নীলাম্বৰ মনে মনে থাকিল। বিৰাজে কলে "আজি গোটেই দিন কাৰ ওপৰত খং কৰি ভাত নেখালা কোৱাঁচোন ?"

নীলাম্বৰে তথাপিও উত্তৰ নিদিলে।

বিৰাজে ক'লে "কোৱাঁচোন, শুনোঁ।"

নীলাম্বৰে উদাস ভাবে ক'লে "শুনিনো কি হ'ব ?"

বিৰাজে ক'লে "তেওঁ বাৰু শুনোঁচোন !"

এইবাৰ নীলাম্বৰ অকস্মাৎ উঠি বহিল, বিৰাজৰ মুখৰ ওপৰত চকু দুটা তীক্ষ্ণভাবে তুলি ধৰি ক'লে "তোৰ মই গুৰুজন বিৰাজ, খেলাৰ বস্তু নহ'য় !"

তেওঁৰ চকুৰ দৃষ্টি আৰু কথাৰ ধৰণ দেখি বিৰাজ চক্ খাই স্তব্ধ হৈ থাকিল। এনেকুৱা আৰ্ত্ত গভীৰ কণ্ঠস্বৰতো কেতিয়াও শুনা নাই !

সাত

মগৰাৰ গঞ্জত কেটামান পিতলৰ কজ্জাৰ কাৰখানা আছিল। এই চুবুৰীৰ চণ্ডালৰ ছোৱালীবোৰে মাটিৰ সাঁচ গঢ়ি তাত বিক্ৰী কৰি আহেগৈ। অসহ্য দুখত পৰি বিৰাজে তাহাঁতৰ এজনীক মাতি আনি সাঁচ তৈয়াৰ কৰিবলৈ শিকি লৈছিল। বিৰাজ বৰ বুদ্ধিমতী আৰু কামত পাকৈত আছিল, দুদিন মানৰ ভিতৰতে শিকিবুজি উৎকৃষ্ট বস্তু তৈয়াৰ কৰিব পৰা হৈ গ'ল। বেপাৰীবোৰে নগদ পইচা দি বস্তুবোৰ কিনি নিবলৈ ধৰিলে। দৈনিক এইদৰে তেওঁৰ আঠ দহ অনা আয় হৈছিল কিন্তু গিৰিয়েকক লাজতে এই বিষয়ে একোকে কোৱা নাছিল। তেওঁ টোপনি গ'লে বহুত ৰাতি হলে নিস্তব্ধে বিচনাৰ পৰা উঠি আহি বিৰাজে এই কাম কৰিছিল। আজি ৰাতিও মাটিৰ সাঁচ গঢ়িবলৈ লৈ টোপনি আৰু ভাগৰত মাটিতে শুই পৰিছিল। নীলাম্বৰে হঠাৎ সাৰ পাই বিছনাত কাকো নেদেখি বাহিৰলৈ ওলাই আহিল।

বিৰাজৰ হাতত তেতিয়াও বোকাসনা আছে; সাঁচবোৰ কেউফালে সিচৰতি হৈ আছে আৰু তাৰ মাজতে এঠাইত নিয়ৰে তিতা চেচা মাটিৰ ওপৰত বিৰাজ শুই আছিল। আজি তিনি দিনৰ পৰা দুয়োৰে মাজত মাতবোল নাই। নীলাম্বৰৰ চকুদুটা পানীৰে ভৰি পৰিল। তেওঁ তৎক্ষণাৎ বহি লৈ মাটিৰ পৰা বিৰাজৰ মূৰটো নিজৰ কোলাত তুলি ললে। বিৰাজে একো গম নেপালে; কেৱল অলপ ইফাল সিফাল কৰি ভৰি কোচাই লৈ আকৌ শুই

থাকিল। নীলাম্বৰে বাও হাতে নিজৰ চকু মচি সোঁ হাতে চাকিটো বঢ়াই দি ঘৈণীয়েকৰ মুখলৈ একথিৰে চাই থাকিল। ইছ্ কি হৈ গৈছে! কতা অতদিনতো তেওঁ চোৱা নাই! বিৰাজৰ চকুৰ তলখিনি কলা পৰি গৈছে, কপালৰ আঁচবোৰ দুশ্চিন্তাত স্পষ্টহৈ ওলাই পৰিছে! এটা অব্যক্ত বেদনাত যেন অন্তৰখন মুচৰি ভাগি যাব খুজিলে, নিজৰ অসাৱধানতাৰ কাৰণে চকুপানী এটোপাল গৈ বিৰাজে মুদি থোৱা চকুত পৰা মাত্রকে বিৰাজে চকু মেলি চালে। কিছু পৰ মনে মনে চাই থাকি গিৰিয়েকক আকোৱালি ধৰি কোলাত মুৰটো ভালকৈ দি আকৌ শুই পৰিল। নীলাম্বৰে সেইদৰে বহি বহি কান্দিয়ে থাকিলে। বহুত সময় পাৰ হ'ল—কেৱে কোনো কথা নক'লে। তাৰ পাছত যেতিয়া ৰাতিপুৱাই আহিল, পূবফাল ফৰকাল হ'বলৈ ধৰিলে নীলাম্বৰে বিৰাজৰ মূৰত হাত এখন ফুৰাই বৰ মৰমেৰে ক'লে "ব'লা বিৰাজ! নিয়ৰত নেথাকিবা ভিতৰলৈ ব'লা!" "ব'লা" বুলি বিৰাজো গিৰিয়েকৰ লগত ভিতৰলৈ আহি শুই পৰিল।

ৰাতিপুৱা নীলাম্বৰে ক'লে "যা বিৰাজ, দুদিনমান তোৰ মোমায়েৰৰ ঘৰৰ পৰা ঘুৰি আহগৈ, ময়ো কলিকতাৰ ফালে যাওঁ।"

"কলিকতালৈ গৈ কি হ'ব ?"

নীলাম্বৰে ক'লে "তাত কতৰকমৰ উপাৰ্জ্জনৰ বাট আছে! কিবা এটা উপায় তেওঁ ওলাব! মোৰ কথা শুন্ বিৰাজ! কেমাহমান মোমায়েৰৰ তাতে থাক্ গৈ!

বিৰাজে সুধিলে "মোক কিমানদিনৰ মূৰত লৈ আহিবা ?"

নীলাম্বৰে ক'লে "ছমাহমানৰ ভিতৰতে আনিমগৈ—মই কথা দিছোঁ।" "বাৰু" বুলি বিৰাজ সম্মত হ'ল।

চাৰিদিনমানৰ পাছত গৰুগাৰী আহিল, মোমায়েকৰ ঘৰ ইয়াৰ পৰা আঠক্রোশমানৰ বাট হ'ব, কেতিয়াবা যাব লগা হ'লে এইদৰেই যোৱা হয়, অথচ বিৰাজৰ ব্যৱহাৰত যোৱাৰ কোনো লক্ষণ দেখা নগ'ল। নীলাম্বৰে বাৰে বাৰে আহি তাগিদ দিবলৈ ধৰিলে। বিৰাজে কামৰ মাজতে ক'লে "আজি নো যাওঁ কেনেকৈ, মোৰ আজি অসুখ হৈছে!" নীলাম্বৰ আচৰিত হৈ ক'লে "কি অসুখ নো হৈছে অ?"

বিৰাজে ক লে "এৰা অসুখ বৰ অসুখ হৈছে" এই বুলি পিতলৰ কলহটো লৈ পানী আনিবলৈ গুচি গ'লগৈ। সেইদিনা গাৰী ফিৰি গ'ল। ৰাতি ভালেখিনি সাধ্যসাধনা কৰি বহুত বুজোৱাৰ পাছত দুদিন মূৰত যাবলৈ মান্তি হ'ল। দুদিন পাচত আকৌ গাৰী আহিল। নীলাম্বৰে খবৰ দিয়াৰ লগে লগে বিৰাজে একেবাৰে অসম্মত হৈ ক'লে "নাই মই কেতিয়াও যাব নোৱাৰোঁ।"

নীলাম্বৰ অতিপাত আচৰিত হৈ ক'লে "কিয় নোৱাৰ যাব?"

বিৰাজে কান্দি কাটি অস্থিৰ হৈ ক'লে "নাই মই নেযাওঁ; মোৰ গহনা ক'ত, ভাল কাপোৰকানি ক'ত? দুখীয়া মানুহৰ দৰে মই কেতিয়াও যাব নোৱাৰোঁ।" নীলাম্বৰে খঙেৰে ক'লে "আজি সঁচাকৈয়ে তোৰ যেনিবা গহনাপাতি নাইকিয়া কিন্তু যেতিয়া আছিল তেতিয়াও তো তই কোনোদিনেই সেইবোৰলৈ চকু মেলি চোৱা নাছিলি?"

বিবাজে মনে মনে আঁচলেৰে চকু মচিবলৈ ধৰিলে।

নীলাম্বৰে ক'লে "তোৰ ফন্দি মই বুজি পাইছোঁ! মনে মনে সন্দেহ কৰিছিলোৱেই তথাপি ভাবিছিলোঁ। দুখকষ্টত পৰি তোৰ কিজানি অলপ হুঁচ হৈছেই ; এতিয়া দেখিছোঁ একোৱেই হোৱা নাই, ভাল বাৰু মৰ্ তয়ো শুকাই মৰ্ আৰু তোৰ লগতে ময়ো মৰোঁ।" এইবুলি বাহিৰলৈ গৈ গাৰী ঘুৰাই পঠালে।

দুপৰীয়া নীলাম্বৰ ভিতৰত শুই আছিল, পীতাম্বৰ কামলৈ গৈছিল, মোহিনী আহি বেৰৰ ফুটাই দি লাহে লাহে মাতি ক'লে "বাইদেউ, মোৰ অপৰাধ নল'বা, মইনো কি বুজাম ? কিন্তু দুদিন মানৰ কাৰণে ঘুঁৰি নাহিলাগৈ কিয় ?" বিৰাজ মনে মনে থাকিল। সৰুজাকে ক'লে "তেখেতক বন্দী কৰি নথ'বা বাইদেউ, বিপদৰ দিনত মন অলপ ডাঠ কৰাঁ, ঈশ্বৰে দুদিনতে মুখ তুলি চাব!" বিৰাজে লাহে লাহে ক'লে "মই মন ডাঠ কৰিয়েই আছোঁ সৰু!" সৰুজাকে অলপ জোৰ দি ক'লে "তেনে যোৱাঁ বাইদেউ, তেখেতক মতামানুহৰ দৰে উপাৰ্জ্জন কৰিবলৈ দিয়াঁ, মই কৈছোঁ ঈশ্বৰ দুদিনতে তোমাৰ প্ৰতি প্ৰসন্ন হ'ব।" বিৰাজে মুৰ তুলি কিবা এটা ক'ব খুজি আকৌ মূৰটো নমাই পেলালে।

সৰুজাকে সুধিলে "কি যাব নোৱাৰিবা নেকি ?"

এইবাৰ বিৰাজে মুৰ জোকাৰি ক'লে "মই নোৱাৰোঁ ; টোপনিৰ পৰা সাৰ পাই মই তেওঁৰ মুখ নেদেখিলে এদিনো নিয়াব নোৱাৰোঁ। যি কাম কৰিব নোৱাৰোঁ। তাক কৰিবলৈ মোক কৈ নেথাকিবা।" বুলি কৈ যাব খোজোতেই সৰুজাকে হঠাৎ কান্দো

কান্দো হৈ ক'লে "নেযাবা বাইদেউ শুনা—কিছুদিনৰ বাবে হ'লেও তুমি ইয়াৰ পৰা যাবই লাগিব। নগ'লে মই কেতিয়াও নেৰোঁ।"

বিৰাজ ঘুৰি থিয় হ'ল, একমুহুৰ্ত্ত স্থিৰ হৈ থাকি ক'লে "অ মই বুজিছোঁ, সুন্দৰী আহিছিল নেকি?"

সৰুজাকে ক'লে "আহিছিল!" "সেইকাৰণে গুচি যাবলৈ কৈছা?" "সেই কাৰণেই কৈছোঁ বাইদেউ! তুমি ইয়াৰ পৰা যোৱা!"

বিৰাজ কিছুপৰ মনে মনে থাকিল। পাছত ক'লে "এটা কুকুৰৰ ভয়ত মই ঘৰ দুৱাৰ এৰি যাম নে?" সৰুজাকে ক'লে "কুকুৰ পগলা হ'লে ভয় কৰিবই লাগে বাইদেউ! তাৰ বাহিৰে ইয়াৰ পৰা অকল তোমাৰেই নহয়, আনৰো অনিষ্ট হ'ব পাৰে!" বিৰাজ কিছুপৰ তলকা মাৰি থাকিল, তাৰ পাছত উদ্ধতভাৱে সুৰ তুলি ক'লে "নাই কোনোমতে নেযাওঁ" ইয়াকে কৈ কাকো একো ক'বলৈ সুবিধা নিদি বেগাবেগিকৈ গুচি গ'ল। কিন্তু তেওঁৰ যেন ভয় লাগিবলৈ ধৰিলে। তেওঁলোকৰ ঘাটটোৰ ঠিক ইপাৰে দুদিন মানৰ পৰা বৰ আড়ম্বৰেৰে এটা ঘাট বন্ধা হৈছে আৰু পানী নথকা স্বত্বেও মাছ মাৰিবলৈ চাডি দিয়া হৈছে। বিৰাজে মনে মনে বুজি পালে ইয়াৰ নো কি কাৰণ? নীলাম্বৰেও এদিন গা ধুই আহি সুধিলে "সিটো পাৰত কোনে ঘাট বান্ধিছে বিৰাজ?" বিৰাজৰ হঠাৎ খং উঠি গ'ল, ক'লে "মই নো কি জানোঁ!" এই বুলি আঁতৰি গ'ল। তেওঁৰ ভাব

দেখি নীলাম্বৰ আচৰিত হ'ল। কিন্তু সেইদিনাৰ পৰা বিৰাজে যেতিয়া তেতিয়া পানী অনাটো বন্ধ কৰি দিলে। হয় একেবাৰে পুৱতী নিশা নহয় অলপ এন্ধাৰ হ'লেহে নৈলৈ পানী আনিবলৈ যোৱা হ'ল।

তাৰ বাহিৰে যিমান দূৰ পাৰে সেইফালে যোৱাটো বন্ধ কৰি দিলে। কিন্তু ভিতৰি ভিতৰি হিংসা, খং, আৰু লাজত প্ৰাণটো ওলাই যাওঁ ওলাই যাওঁ কৰিবলৈ ধৰিলে। অথচ এই নীচ ইতৰামিৰ কথা গিৰিয়েকক ক'বলৈও সাহ নহয়! চাৰিদিন মানৰ পাছত আহি নীলাম্বৰে হাঁহি হাঁহি ক'লে "নতুন জমিদাৰৰ সাজ সৰঞ্জাম দেখিছনে বিৰাজ?" বিৰাজে অন্যমনস্কৰ দৰে ক'লে "ওঁ দেখিছোঁ তো!" নীলাম্বৰে আকৌ হাঁহি হাঁহি ক'লে "মানুহটো পগলা নেকি মই তাকেই ভাবিছোঁ! নৈত দুটা পুঠি মাছ থাকিব পৰা পানীও নাই, ৰাতিপুৱাৰ পৰা মস্ত হুইল বন্ধা বৰশী এটা লৈ দিনৰ দিনটো বহি থাকে!" বিৰাজে মনে মনে শুনি থাকিল, গিৰিয়েকৰ হাঁহিত কোনোমতে যোগ দিব নোৱাৰিলে।

নীলাম্বৰে ক'বলৈ ধৰিলে "কিন্তু এইটোতো ঠিক হোৱা নাই! মানুহৰ পানী অনা, গা-ধোৱা, ঘাটৰ আগত ওৰে দিন বহি থাকিলে তিৰোতাবোৰে কি কৰিব? বাৰু তহঁতৰ বৰ দিগদাৰ হোৱা নাই নে?" বিৰাজে ক'লে "হ'লেও আৰু কিনো কৰিম?" নীলাম্বৰ অলপ উত্তেজিত হৈ ক'লে "কিয় তেনে হ'ব? বৰশী লৈ বলিয়ালি কৰিবলৈ আৰু ঠাই নাই

নেকি? নাই কাইলৈকে মই কেছাৰীলৈ গৈ কৈ আহিম—মন যায় আন ক'ৰবাত ববশী পেলাই বহি থাকক গৈ; আমাৰ ঘৰৰ আগত নহয়!"

গিৰিয়েকৰ কথা শুনি বিৰাজৰ ভয় লাগিল, ব্যস্ত হৈ ক'লে "নাই নাই তুমি সেইবোৰ ক'বলৈ নেযাবা দেও, নৈখন জানো অকল আমাৰেই যে তুমি হাক দিব পাৰিবা?" নীলাম্বৰ আচৰিত হৈ ক'লে "ই তই কৈছ কি বিৰাজ? নৈখন কেৱল আমাৰ নহ'ল বুলি মানুহৰ ভাল-বেয়া বিবেচনা এটা নেথাকিব নে? মই কাইলৈ গৈ ক'মেই, আৰু নুশুনিলে নিজে ঘাটচাট টান মাৰি ভাঙি দিম গৈ, তাৰ পাছত যি হয় হ'ব!" কথা শুনি বিৰাজ ৰ লাগিল। তাৰ পাছত লাহে লাহে ক'লে "তুমি জমিদাৰৰ লগত কাজিয়া কৰিবলৈ যাবা?" নীলাম্বৰে ক'লে "কিয় নেযাম? ডাঙৰ মানুহ হ'ল বুলি খুচীমতে অত্যাচাৰ কৰিলে সহি থাকিম নে?" "অত্যাচাৰ কৰাৰ কিবা প্ৰমাণ তুমি দিব পাৰিবা জানো?" নীলাম্বৰে খণ্ডত ক'লে "মই ইমান তৰ্ক কৰি থাকিব নোৱাৰোঁ। স্পষ্টকৈ দেখিবলৈ পাইছো অন্যায় কৰিছে আৰু তই কৈছ প্ৰমাণ কিবা আছে নেকি? পাৰোঁ নোৱাৰোঁ মই বুজিম!"

বিৰাজে একমুহূৰ্ত্ত গিৰিয়েকৰ মুখলৈ থিৰেৰে চাই থাকি কলে "শুনা, মুৰটো অলপ ঠাণ্ডা হ'বলৈ দিয়া! যাৰ দিনত দুসাজ খাবলৈ নাই তাৰ মুখত এনে কথা শুনিলে মানুহে গাত থুই পেলাব!" "কিয়?" "কিয় আৰু? তুমি জমিদাৰৰ

লগত কাজিয়া কৰিবলৈ ওলোৱা দেখি!” কথাটো ইমান ৰূঢ়-ভাবে বিৰাজৰ মুখৰ পৰা ওলাই আহিল যে নীলাম্বৰৰ আৰু সহ্য নহ’ল। তেওঁ খণ্ডত অগ্নিশৰ্ম্মা হৈ উঠিল। চিঞৰি চিঞৰি ক’লে “তই মোক কুকুৰ মেকুৰী জ্ঞান কৰ নেকি যে কথায় পতি খোৱাৰ কথা উলিয়াই থাক? কোনদিনা তোৰ দুসাজ ভাত খাবলৈ নাইকিয়া হৈছে?” দুখকষ্টৰ হেঁচাত বিৰাজৰ আগৰ ধৈৰ্য্য আৰু সহিষ্ণুতা নাইকিয়া হৈ গৈছিল, তেৱোঁ জ্বলি উঠি উত্তৰ দিলে “মিছাতে চিঞৰ-বাখৰ নকৰিবা, কেনেকৈ দুবেলা ভাতৰ যোগাৰ হৈছে তাক তুমি নৈজানিলেও মই আৰু অন্তৰ্যামীয়ে জানে! এই কথালৈ আৰু কিবা ক’লে মই বিহ খাই মৰিম” কথাখিনি শেষ হোৱাৰ লগে লগে, নীলাম্বৰৰ মুখলৈ চাই দেখে যে তেওঁৰ মুখখন ক’লা পৰি গৈছে, দুচকুত কিবা এটা অৰ্থহীন দৃষ্টি! সেই চাৱনিৰ আগত বিৰাজ একেবাৰে কিঞ্চিৎ হৈ গ’ল। আৰু এটা কথাও নোকোৱাকৈ বিৰাজ তাৰ পৰা লাহে লাহে আঁতৰি গ’ল। বিৰাজ গ’ল হয় কিন্তু নীলাম্বৰ তাতেই থিয় হৈ থাকিল। তাৰ পাছত দীঘল হুমুনিয়াহ এটা কাঢ়ি বাহিৰৰ চ’ৰাঘৰত আহি বহি থাকিলহি। তেওঁৰ উঠি অহা খং নিমিষতে মাৰ গ’ল। কাণত কেৱল বিৰাজৰ কথাকিটা বাজি থাকিল’—“সংসাৰ কেনেকৈ চলিছে?” আৰু কেৱল মনত পৰিবলৈ ধৰিলে, সেইদিনাৰ এন্ধাৰ নিশা ঘৰৰ বাহিৰত মাটিৰ ওপৰত শুই থকা বিৰাজৰ শ্ৰান্ত অৱসন্ন মুখখন! সঁচাকৈয়ে তো দিন কিদৰে চলিছে আৰু এই বিপদৰ মাজত

অসহায় তিৰোতাজনীয়ে অকলে কেনেকৈ সংসাৰ চলাই আহিছে তাক তো তেওঁ নজনা নহয়? অলপ আগতে বিবাজৰ টান কথা কেইটাই বুকুত শেল বিন্ধাদি বিন্ধিছিল, ভাবি চোৱাৰ লগে লগে সেই ক্ষত সেই ক্ষোভ নাইকিয়া হৈ গ'ল আৰু তাৰ ঠাইত বিৰাজৰ প্ৰতি এটা বিস্ময় আৰু শ্ৰদ্ধাৰে অন্তৰ ভৰি পৰিল! তেওঁৰ বিৰাজ তো কেৱল আজিৰ বিবাজ নহয়? কত দিনৰ যুগযুগান্তৰৰ পৰা বিৰাজ যে তেওঁৰেই! বিৰাজক তো দুদিনৰ দুটা অসহিষ্ণু কথাৰে বিচাৰ কৰিলে নহয়? বিৰাজৰ অন্তৰখন যে কিহেৰে পূৰ হৈ আছে তাক তেওঁতকৈ বেছি কোনে জানে? এইবাৰ তেওঁৰ দুচকুৰেদি পানী বৈ যাবলৈ ধৰিলে। অকস্মাৎ উৰ্দ্ধমুখী হৈ হাতজোৰ কৰি ক'লে "হে প্ৰভু মোৰ যি আছে সকলো নিয়া। কিন্তু বিৰাজক মোৰ পৰা নিনিবা দয়াময়!" কৈ থাকোতে সেই মুহূৰ্ত্ততে প্ৰিয়তমাক বুকৰ মাজত সুমুৱাই ল'বলৈ এটা প্ৰবল হেপাহ হ'ল! তেওঁ লৰ মাৰি আহি বিবাজৰ বন্ধ হৈ থকা দুৱাৰৰ আগত ৰ'লহি। দুৱাৰ ভিতৰ ফালেদি বন্ধ আছিল। নীলাম্বৰে দুৱাৰত আঘাত কৰি আবেগত কপি উঠা মাতেৰে মাতিলে "বিৰাজ!" বিৰাজে মাটিৰ ওপৰত উবুৰি হৈ কান্দি আছিল, চক্ খাই উঠি বহিল। নীলাম্বৰে ক'লে "কি কৰিছ বিবাজ দুৱাৰ খোল!" বিৰাজে ভয় খাই লাহে লাহে আহি দুৱাৰ মুখত ৰ'লহি। নীলাম্বৰে ব্যস্ত হৈ ক'লে "খুলি দে বিৰাজ!" এইবাৰ বিৰাজে কান্দো কান্দো হৈ মৃদুস্বৰে ক'লে "তুমি নেমাৰা বুলি কোৱা!"

"মাৰিম ?" কথাটো তীক্ষ্ণছুৰিৰ দৰে গৈ নীলাম্বৰৰ হৃৎপিণ্ডত সোমালগৈ ; বেদনা, লাজ আৰু অভিমানত তেওঁৰ কণ্ঠৰোধ হৈ গ'ল, জ্ঞান-হেৰুউৱা মানুহৰ দৰে কোনোমতে ধলংপলং কৈ গৈ দুৱাৰদলিত আশ্ৰয় লৈ থিয় হ'লগৈ। বিৰাজে এইবোৰ নেদেখিলে। তেওঁ নজনাকৈয়ে চুৰিৰ ওপৰত আৰু এপাত চুৰি বহাই দি কান্দি ক'লে "মই আৰু এনে কথা নকওঁ, কোৱাঁ মোক তুমি নেমাৰা বুলি !"

নীলাম্বৰে কথমপি "নাই" বুলি ক'লে। ভয়ে ভয়ে দুৱাৰ খুলি দিয়াৰ লগে লগে নীলাম্বৰ কোনোমতে গৈ বিছনাত দীঘল দি পৰিল গৈ ! তেওঁৰ মুদিথোৱা চকুদুটাৰে অজস্ৰ পানী ব'বলৈ ধৰিলে। গিৰিয়েকৰ এনেকুৱা মুখ তো বিৰাজে কেতিয়াও দেখা নাই ? এতিয়া তেও সকলো বুজিলে। শিতানত বহি লৈ পৰম স্নেহেৰে গিৰিয়েকৰ মূৰটো কোলাত তুলি লৈ চকুপানী মচি দিবলৈ ধৰিলে। ক্ৰমে গধূলিৰ এন্ধাৰে ঘৰখন আৱৰি পেলালে, দুয়োৰো মাজত এবো কথাবাৰ্তা নহ'ল। এন্ধাৰ বিছনাৰ ওপৰত দুয়ো নীৰৱে থিৰ হৈ থাকিলে, কিন্তু এই নীৰৱতাৰ মাজত অন্তৰে অন্তৰে যি কথা দুয়োৰে ভিতৰত হৈ গ'ল তাক কেৱল অন্তৰ্যামীয়েহে শুনিলে।

আঠ

নীলাম্বৰে তথাপি ভাবি আছিল—এই কথাটো বিৰাজে মুখত আনিলে কেনেকৈ? তেওঁ বিৰাজক মাৰধৰ কৰিব পাৰে এনে হীন ধাৰণা তেওঁৰ কিহৰ পৰা হ'ল? এনেয়ে ঘৰখনত দুখ-কষ্টৰ সীমা নোহোৱা হৈছে তাতে আকৌ দিনে দিনে কিবোৰ যে হ'বলৈ ধৰিছে? দুদিনো ভালে নেযায় দনহাই লাগে। কথায় পতি দন নাইবা মতভেদ লাগিয়ে আছে। সকলোতকৈ তেওঁৰ সেই হেন বিৰাজৰ কি অৱস্থা হৈ গৈছে অথচ কেনিউ কোনো উপায় নাই। ঈশ্বৰৰ প্ৰতি নীলাম্বৰৰ বৰ ভক্তি আছিল, অদৃষ্টৰ ওপৰত অসীম বিশ্বাস আছিল তেওঁ সেই কথাকে ভাবিবলৈ ধৰিলে। কাকো একো দোষ নিদিলে, কাকো নিন্দা নকৰিলে। চ'ৰাঘৰত আৰি থোৱা ৰাধাকৃষ্ণৰ মগন মূৰ্ত্তিলৈ চাই কান্দি কান্দি কৈ যাবলৈ ধৰিলে "ভগৱান, ইমান বিপদত যদি পেলাবৰ মন আছিল, মোক এনেকুৱা নিৰুপায় কৈ স্ৰজিছিলা কিয়?" তেওঁ যে কিমান নিৰুপায় তাক তেওঁৰ বাহিৰে কোনেও নেজানে। লিখাপঢ়া শিকা নাই, কোনো ৰকমৰ কাম কাজ নেজানে, জুনাৰ ভিতৰত দুখীক সেৱা কৰা আৰু ভগৱানৰ নাম কীৰ্ত্তন কৰা এই দুটাকেহে জানে। ইয়াৰ পৰা আনৰ দুখ গুচে যদিও আজি নিজৰ দুখ কিহেৰে গুচিব? আজি আৰু তেওঁৰ একো সম্বল নাই। সেইকাৰণে দুখৰ মাজত কতদিন মনে মনে ভাবিছে ইয়াত আৰু নেথাকে, বিৰাজক লগত লৈ যি ফালে দুচকু যায়

গুচি যাবগৈ ; কিন্তু এই সাতাম পুৰুষীয়া ভেটি এৰি কোন দেব-মন্দিৰৰ দুৱাৰত বহি বা কোন গছতলত শুই সুখ পাব ? এই সৰু নৈখন, গছগছনিৰে ভৰা ঘৰটো, ঘৰৰ বাহিৰে থকা চিনাকী মানুহৰ মুখবোৰ এই সকলোবোৰ এৰি কোন দেশলৈ গৈ কোন স্বৰ্গত থাকি এদিনৰ কাৰণেও জীয়াই থাকিব পাৰিব ? এই ঘৰতে তেওঁৰ মাক মৰিছে, এইখন চোতালতে পিতাকৰ শেষকৃত্য সম্পন্ন কৰা হৈছে, ইয়াতে পুটিক তুলিতালি ডাঙৰ দীঘল কৰিলে, তাইক বিয়া দিলে, এই ঘৰদুৱাৰৰ মোহ এৰি যাব কেনেকৈ ! নীলাম্বৰ তাতে বহি দুহাতে মুখ ঢাকি কান্দি উঠিল। তেওঁৰ অকল এয়ে দুখনে ? ভণীয়েকক দিয়াৰ পৰা এটা খবৰো পাবলৈ নাই ; কতদিন হৈ গ'ল তাইক দেখা নাই তাইৰ সেই "দাদা" বুলি চিঞঁৰি মতা সম্বোধন পোৱা নাই, লোকৰ ঘৰত বা কেনে পাইছে, কত কান্দিছে চাগৈ তেওঁতো তাৰো একোকে জানিব পৰা নাই ! অথচ বিৰাজৰ আগত তাইৰ নামটো ক'লেও জগৰ লাগে ! বিৰাজে তাইক ডাঙৰ দীঘল কৰিও পাহৰি গ'ল কিন্তু তেওঁ পাহৰে কেনেকৈ ? একেজনী ভণীয়েক, কোলায় বোকোচায় মানুহ কৰিছিল, যলৈকে যায় লগত গৈছিল ইয়াৰ বাবে কত মানুহৰ কত ঠাট্টা তামাচা শুনিব লগা হৈছিল তথাপি পুটিয়ে কেতিয়াও লগ এৰা নাছিল। এইবোৰ কথা কেৱল তেঁৱেইহে জানে আৰু জানে ভণীয়েকজনীয়ে কিন্তু বিৰাজে জানিও নেজানে, এটা কথা পৰ্য্যন্ত নকয়। পুটিৰ বিষয় লৈ তেওঁ একেবাৰে পাষাণ মূৰ্ত্তি যেন হৈ চিৰদিনৰ কাৰণে নিৰ্ব্বাক হৈ গৈছে। তেওঁৰ

নিৰপৰাধী ভনীয়েকজনীক ঘৈণীয়েকে অপৰাধী কৰি থৈছে এই চিন্তাটোৱে শেল বিন্ধাদি বিন্ধিলেও তাৰ প্ৰতিকাৰৰ কোনো বাট নাই। কিবা ক'ব খুজিলেই বিৰাজে ৰখাই দি কয় "বাৰু সেইবোৰ থক্ তাই ৰাজৰাণী হক্ কিন্তু তাইৰ কথাত আৰু কাম নাই।" এই ৰাজৰাণী কথাটো বিৰাজে এনেদৰে উচ্চাৰণ কৰে যে তাক শুনিলে নীলাম্বৰৰ বুকুখন জ্বলি যায়। জানোচা তাইৰ ওপৰত গুৰুজনৰ শাও লাগে, জানোচা কিবা তাইৰ অকল্যাণ হয় এইবোৰ আশঙ্কাত সদায় মনটো বিয়াকুল হৈ উঠে, তাইৰ মঙ্গলৰ কাৰণে মনে মনে প্ৰাৰ্থনা কৰি, লুকাই "হৰিলুট" দি তেওঁৰ দিনবোৰ কোনোমতে গৈ আছিল।

দুৰ্গাপূজা পালেহি। তেওঁ আৰু বৈ থাকিব নোৱাৰি কোনো-মতে টকা এটা গোটাই কাপোৰ এখন আৰু কিছুমান মিঠাই কিনি সুন্দৰীৰ ওচৰ পালেগৈ। সুন্দৰীয়ে বহিবলৈ দি ধপাত লগাই দিলে; নীলাম্বৰ বহি লৈ নিজৰ জাণ মলিন চাদৰৰ তলৰ পৰা কাপোৰখন উলিয়াই ক'লে "তাইক মই ডাঙৰ কৰিছিলি, এবাৰ গৈ চাই আহগৈ!" আৰু ক'ব নোৱাৰিলে, চাদৰৰ আগেৰে চকু মচিবলৈ ধৰিলে। সুন্দৰীয়ে এওঁলোকৰ দুখকষ্টৰ কথা নজনা নহয়, গাৱঁৰ সকলোৱেই জানে; সুধিলে "কেনে আছে বৰবাবু?" নীলাম্বৰে মূৰ জোকাৰি ক'লে "ক'ব নোৱাৰোঁ।"

সুন্দৰীৰ বুদ্ধি বিবেচনা আছিল, আৰু একো নুসুধিলে। পাছদিনা ৰাতিপুৱাই যোৱা হ'ব বুলি জানি সুন্দৰীক কিছু টকা দিব খুজিলে তাই কিন্তু একোকে নল'লে। ক'লে "নহয় বাবু,

আপুনি কাপোৰ কিনি পেলালে বাবেই মই ললোঁ, নহ'লে তাকো নললোঁহেতেন ; আপোনাৰ নিচিনাকৈ ময়ো জানোঁ তাইক ডাঙৰ কৰা নাছিলোঁ ?" নীলাম্বৰৰ দুচকুৰেদি আকৌ পানী ব'বলৈ ধৰিলে। মুখখন ঘুৰাই তাকে বাৰে বাৰে মচিবলৈ ধৰিলে। এনে ধৰণৰ সমবেদনা তেওঁ কাৰোপৰা পোৱা নাছিল। সকলোৱে তেওঁক কয়, তেওঁ ভুল কৰিলে, পুটিৰ পৰাই তেওঁৰ সৰ্ব্বনাশ হ'ল ! উঠি যাবৰ সময়ত তেওঁ সুন্দৰীক সাৱধান কৰি দিলে যাতে পুটিয়ে তেওঁলোকৰ দুখকষ্টৰ কথা একো গম নেপায়। নীলাম্বৰ গুচি গ'ল, সুন্দৰীয়ে চকুপানী আঁচলেৰে মচি পেলালে ! এই মানুহজনক সকলোৱে ভাল পাইছিল আৰু শ্ৰদ্ধা কৰিছিল। বিজয়াৰ দিনা আবেলিপৰত বিৰাজে শোৱনি কোঠাৰ দুৱাৰ মাৰি সোমাই থাকিল। গধূলি নৌ হোৱাৰ পৰা কেৰে খুৰা, কেৰে দাদা, বুলি চিঞৰি মাতিবলৈ ধৰিলে। নীলাম্বৰ শুকান মুখে চ'ৰাঘৰৰ পৰা ওলাই আহি আগত থিয় দিলেহি। যথাৰীতি প্ৰণাম আদি কৰি বৌৱেকক সম্ভাষণ জনাবলৈ বুলি ভিতৰ সোমাল। নীলাম্বৰো লগে লগে সোমাই আহি দেখিলে বিৰাজ ৰান্ধনি ঘৰত নাই আৰু শোৱনি কোঠাৰ দুৱাৰ বন্ধ ; তেওঁ দুৱাৰত টুকিয়াই মাতিলে "বিৰাজ, বিজয়াৰ প্ৰণাম কৰিবলৈ লৰাইঁত আহিছে।" বিৰাজে ভিতৰৰ পৰা মাত দিলে "মোৰ জ্বৰ উঠিছে, উঠিব নোৱাৰোঁ।" লৰাইঁত গুচি যোৱাৰ কিছুপৰ পাছত আকৌ কোনোবাই দুৱাৰত টুকিয়াবলৈ ধৰিলে। বিৰাজে কোনো উত্তৰ নিদিলে। দুৱাৰৰ বাহিৰ ফালৰ পৰা লাহে লাহে

মাত আহিল” বাইদেও মই মোহিনী, দুৱাৰখন খোলাঁচোন !” বিৰাজে তথাপি একো নেমাতিলে। মোহিনীয়ে ক’লে “এনেকুৱা কৰিলে নহ’ব, আজি গোটেই নিশা দুৱাৰদলিত থাকিব লগা হ’লেও পৰি থাকিম তথাপি আজিৰ দিনত তোমাৰ আশীৰ্ব্বাদ এটা নোলোৱাকৈ মই নেযাওঁ !” বিৰাজ উঠি আহি দুৱাৰ মেলি আগত আহি ৰ’লহি ; দেখিলে মোহিনীৰ বাওঁহাতত এপাচি খোৱাবস্তু, সোঁহাতে ঘোল। মোহিনীয়ে দুৱাৰ খোলা দেখি বস্তুবোৰ বিৰাজৰ ভৰিৰ ওচৰত নমাই থৈ ভৰি দুটাত ধৰি প্ৰণাম কৰি ক’লে “বাইদেউ আজিৰ দিনা অকল এই আশীৰ্ব্বাদকে কৰাঁ যাতে তোমাৰ নিচিনা হ’ব পাৰোঁ ! মোক আন একোকে নেলাগে !” বিৰাজে আঁচলত চকু মচি নিঃশব্দে সৰুজাকৰ মূৰত হাত এখন থ’লে। সৰুজাক উঠি বহি ক’লে “আজিৰ দিনত চকুপানী টুকিব নেপায়, কিন্তু সেই কথাটোতো মই ক’ব নোৱাৰিলোঁ। বাইদেউ ! তোমাৰ গাৰ এডাই অকনো যদি মোৰ গাত লাগি থাকে তেনে তাৰ জোৰতে মই আজি কৈ যাওঁ যে মহাবাহুৰ এনেকুৱা দিনত মই সেইটো কথা ক’ম !” মোহিনী যোৱাৰ পাছত বিৰাজে বস্তুবোৰ তুলিতালি থৈ থিৰ হৈ বহিল। সৰুজাকে যে তেওঁক সকলো সময়তে চকুৱে চকুৱে ৰাখে তাক বুজিলে। তাৰ পাছত কত লৰা আহিল গ’ল, তেওঁ আৰু দুৱাৰ মাৰি নথ’লে ; জাকে দি থৈ যোৱা সেই বস্তুৰেই নিয়ম কৰিবলৈ ধৰিলে। পাছদিনা বিৰাজে ৰাতিপুৱা বহি লৈ শাক বাছি আছিল, এনেতে সুন্দৰী আহি প্ৰণাম কৰিলে। বিৰাজে

আশীৰ্ব্বাদ দি বহিবলৈ ক'লে। সুন্দৰীয়ে বহি লৈ ক'লে "কালি ৰাতি হৈ গ'ল কাৰণে ৰাতিপুৱাই ক'বলৈ আহিলোঁ, কিন্তু যিহকে কোৱাঁ এনে বুলি জনাহলে মই কেতিয়াও নগলোঁহেতেন!" বিৰাজে একো বুদ্ধি নেপাই চাই থাকিল। সুন্দৰীয়ে ক'লে "ঘৰত কোনো নাই, সকলো পশ্চিমলৈ হাওৱা খাবলৈ গ'ল! ঘৰত বুঢ়ী পেহীয়েক এজনী আছে তেওঁ যিহে টান টান কথা শুনালে, বোলে "ফিৰাই নে, জোঁৱাইৰ কাৰণে কাপোৰ এখনো পঠাব পৰা নাই অকল এখন শাৰীৰে পূজাৰ তত্ত্ব পঠাইছে?" তাৰ পাছত "সৰু মানুহ হে, চকুৰহে লাজ নাই" ইত্যাদি কত কি যে বলকিবলৈ ধৰিলে, মইনো কি কম আই? বিৰাজ আচৰিত হৈ সুধিলে "কোনে কাক ক'লে অ?" সুন্দৰীয়ে ক'লে "কিয় আমাৰ বাবুক?" বিৰাজ অধীৰ হৈ পৰিল। তেওঁ এইবোৰৰ একোকে নেজানিছিল কাৰণে একোটোকে বুজি নেপালে। ক'লে "আমাৰ বাবুকনো কোনে ক'লে, কচোন।" এইবাৰ সুন্দৰীও আচৰিত হৈ ক'লে "তাকেতো কৈছোঁ আইদেউ! পুটিৰ বুঢ়ী শাহুৱেকৰ কি অহঙ্কাৰ, কি বাহাদুৰী! কাপোৰখন নেৰাখি ঘুৰাই দিলে"; এইবুলি শাৰীখন আঁচলৰ তলৰপৰা উলিয়াই আনিলেঁ। এতিয়াহে বিৰাজে সকলো বুজি পালে। শাৰীখনৰ ফালে একথৰে চাই থাকিল—তেওঁৰ অন্তৰে বাহিৰে জুই জ্বলিবলৈ ধৰিলে। নীলাম্বৰ কৰবালৈ ওলাই গৈছিল কেতিয়া আহে একো ঠিক নাই, সুন্দৰীয়ে আৰু বাট নেচাই তাৰপৰা গুচি গ'ল। দুপৰীয়া নীলাম্বৰ ভাতৰ পাতত বহিছে এনেতে বিৰাজে ওচৰতে

কাপোৰখন থৈ ক'লে "সুন্দৰী আহিছিল, এইখন ফিৰাই দি গ'ল! নীলাম্বৰে মূৰ তুলি চাই দেখি ভয় খাই গ'ল। এই কথাটো এইদৰে বিৰাজৰ আগত ওলাই পৰিব বুলি তেওঁ কল্পনাই কৰা নাছিল। এতিয়া আৰু একো প্ৰশ্ন কৰিব নোৱাৰি তলমূৰকৈ থাকিল। বিৰাজ ক'লে "কিয় কাপোৰ নেৰাখিলে, কিয় গালিশপনি পৰি ঘূৰাই পঠালে, সেইবোৰ কথা সুন্দৰীৰ ওচৰলৈ গ'লেই গম পাবা!" নীলাম্বৰে তথাপিও মুখ নুতুলিলে আৰু একোকে শুনিবলৈ নিবিচাৰিলে। বিৰাজ মনে মনে থাকিল। নীলাম্বৰৰ ভোক পিয়াহ নাইকিয়া হৈ গৈছিল তেওঁ তলমূৰকৈ থাকিয়ে অনুভৱ কৰিব পাৰিছিল যে বিৰাজে তেওঁৰ ফালে থিৰদৃষ্টিৰে চাই আছে আৰু সেই দৃষ্টিত জুই ওলাই আহিছে! গধূলিপৰত সুন্দৰীৰ ঘৰলৈ গৈ সকলো কথা বাৰে বাৰে শুনি ক'লে "পশ্চিমলৈ ফুৰিবলৈ গৈছে যদি তাই ভালেই আছে নহয়?" সুন্দৰীয়ে মূৰ জোকাৰি ক'লে "হয় বাবু, ভালেই আছে!" নীলাম্বৰৰ মুখখন প্ৰফুল্ল হৈ উঠিল, ক'লে "কিমানজনী মান হৈছে তাই দেখিলি নে?" সুন্দৰীয়ে হাঁহি ক'লে "দেখা নহ'ল নহয়?" নীলাম্বৰে নিজৰ প্ৰশ্নত নিজে লাজ পাই ক'লে "অ এৰা, পিছে চাকৰ বাকৰৰ মুখেও নুশুনিলি নে?" "নাই বাবু! তাৰ বাহিৰে পেহী শাহুৱেক নে কি হয় সেই জনী বুঢ়ীৰ যিহে কথা আৰু হাত ভৰিৰ নাচোন কিবাটো সুধিবৰ উপায় থাকিলেহে! মই কথমপি পলাইহে সাৰিলোঁ।" নীলাম্বৰ কিছু সময় তলকা মাৰি বৈ থাকি ক'লে "বাৰু মোৰ পুটি জনি শকত হৈছে নে খীণাইছে, তোৰ কি মনত হয়?"

প্ৰশ্নৰ উত্তৰ দিওঁতে দিওঁতে সুন্দৰী ভাগৰি পৰিছিল, সংক্ষেপে ক'লে "শকতআৰতেই হব পায় ?"

নীলাম্বৰে অলপ সকাহ পাই ক'লে "তই কিজানি শুনি আহিছ নহয় ?"

সুন্দৰীয়ে ক'লে "নাই বাবু, মই একো শুনি অহা নাই।" "তেনেহলে নো কেনেকৈ জানিলি ?"

এইবাৰ সুন্দৰী বিৰক্ত হৈ ক'লে "ক'ত নো জানিলোঁ। আৰু ? আপুনি সুধিলে মই কি ভাবোঁ সেইবাবেহে কলোঁ। "শকত আৰত হব পায় বুলি!

নীলাম্বৰে মূৰ জোকাৰি ক'লে "এৰা হয়েই তো" তাৰ পাছত কিছুপৰ সুন্দৰীৰ ফালে চাই থাকি যাবলৈ উঠি ক'লে "আজি তেনেহ'লে যাওঁ সুন্দৰী, আন এদিন আহিম!" সুন্দৰীয়ে যেন ৰক্ষা পালে। আচলতে তাইকো দোষ দিব নোৱাৰি। ক'বলগীয়া একোৱেই নাছিল তথাপি দুঘণ্টামান একেখিনিকে এশবাৰ কৈ কৈও নীলাম্বৰৰ কৌতুহল দমাব পৰা নাছিল। তাই লৰালৰিকৈ ক'লে "হয় বাবু আজি ৰাতি হ'ল আৰু, আন এদিন ৰাতিপুৱা আহিলে কথাবাৰ্ত্তা হ'ম।" ইমানপৰে নীলাম্বৰে সুন্দৰীৰ ব্যস্তভাবটো মনকৰি "যাওঁ" বুলি মাত লগাই গুচি গ'ল। সুন্দৰীৰ ব্যস্ততাৰ আন বিশেষ কাৰণ এটা আছিল। এইটো সময়তে ওচৰৰে নিতাই গাঙ্গুলী আহি নিতৌ এবাৰকৈ সুন্দৰীৰ খবৰ কৰি যায়হি। তেওঁৰ পদধুলা কণ ক'ববাত মনিবৰ আগতে পৰেহি বুলি তাই মনে মনে ভয় খাই আছিল। 'যদিও নানা

কাৰণত তাইৰ এতিয়া কপাল ফুলিছে আৰু জমিদাৰৰ অনুগ্ৰহত লাজ গৈ গৰ্ব্বত পৰিণত হৈছে তথাপি এই নিষ্কলঙ্ক সাধু ব্ৰাহ্মণ জনৰ আগত নিজৰ হীনতা প্ৰকাশ পোৱাৰ সম্ভাৱনাত তাই লাজত মৰি যোৱা যেন হৈছিল। নীলাম্বৰ যোৱাৰ লগে লগে তাই দুৱাৰ মাৰিবলৈ আহি আগত চাই দেখে যে নীলাম্বৰ আকৌ ফিৰি আহিছে। তাই বিৰক্ত হৈ দুৱাৰত ধৰি ৰৈ থাকিল। দ্বাদশী জোনৰ পোহৰ আহি তাইৰ মুখত পৰিছিল। নীলাম্বৰ কাষ চাপি আহিল অলপ ইতস্ততঃ কৰাৰ পাছত চুৰিয়াৰ আগৰ পৰা আধলি এটা উলিয়াই লাজত লাহে লাহে ক'লে "তোৰ আগত একো লাজ নাই সুন্দৰী, তইতো সকলো জানই! এই আধলিটোহে কেৱল আছে হেঁা ইয়াকে ল!" এইবুলি তাইৰ হাতত দিব খুজিলে।

সুন্দৰীয়ে জিভাখন উলিয়াই পিছুৱাই গ'ল। নীলাম্বৰে ক'লে "তোক কত কষ্ট দিলোঁ, অহাযোৱা খৰচটোও দিব নোৱাৰিলোঁ।" আৰু তেওঁ ক'ব নোৱাৰিলে, কান্দোনেৰে মাত বন্ধ হৈ আহিল। সুন্দৰীয়ে এক মুহূৰ্ত্তমান চিন্তা কৰি হাত মেলি দি ক'লে "আপুনি সিহঁতে নহক মোৰ চিৰদিনৰ মনিব, মই নলওঁ বুলি ক'ব নেপায়!" এই বুলি আধলিটো মূৰত লগাই আঁচলত বান্ধি বান্ধি ক'লে তেনেহ'লে এবাৰ ভিতৰলৈ আহক" এইবুলি ভিতৰ সোমাই গ'ল। নীলাম্বৰ পিছে পিছে ভিতৰ চোতাল পালেগৈ। সুন্দৰী কেইমিনিট মানৰ পাছতে ভিতৰৰ পৰা ওলাই আহি এমুঠি মান টকা আনি নীলাম্বৰৰ ভৰিৰ তলত থৈ সেৱা কৰি পদধূলা লৈ থিয় হ'ল।

নীলাম্বৰলৈ চাই ক'লে "সেইদৰে চাই থাকিলেতো নহ'ব বাবু মই চিৰদিনৰ দাসী, শূদ্ৰিৰ হ'লেও মোৰ এইটো জোৰ আছে!" এইবুলি টকাখিনি চাদৰৰ আগত বান্ধি দিলে; তাৰ পাছত ক'লে "এইবোৰ টকা আপুনিয়ে দিছিল বাবু, তীৰ্থ কৰিম বুলি গোসাঁইৰ নামত আগ কৰি থৈছিলোঁ, মই যাব লগা নহ'ল আৰু দেৱতা স্বয়ং ঘৰলৈ আহি লৈ গ'লহি।" নীলাম্বৰে তেতিয়াও একো কথা ক'ব নোৱাৰিলে। তাই টকাখিনি চাদৰৰ আগত খুব ভালকৈ বান্ধি দি ক'লে আইদেউ অকলশৰে আছে আপুনি যক, কিন্তু এই কথা যাতে গম নেপায় চাব!" নীলাম্বৰে কিবা এটা ক'ব খুজিলে সুন্দৰীয়ে বাধা দি ক'লে "হেজাৰ হলেও মই আৰু একো শুশুনোঁ বাবু! মোৰ মান নেৰাখিলে মুৰ খুন্দিয়াই মৰিম।" তাইৰ হাতত চাদৰৰ আগটো তেতিয়াও আছিল ঠিক এনেতে নিতাই গাঙ্গুলী "কি কৰিছা হেঁ" বুলি সোমাই আহিল। সুন্দৰীয়ে চাদৰৰ আগটো এৰি দিলে, নীলাম্বৰ ওলাই গুচি গ'ল। নিতাই অলপপৰ আচৰিত হৈ থাকি সুধিলে "সেইটো নীলু নহয় নে?" সুন্দৰীৰ পেটে পেটে খং উঠিলেও সহজ ভাবে ক'লে "হয় মোৰ মালিক।" "শুনোঁ হেনো খাবলৈকে নাই, ইমান ৰাতি ওলাইছেহি দেখোন?"

কাম থকা কাৰণেই আহিছিল।" "অ-কাম আছিল?" এই বুলি মুখ টিপিয়াই অলপ হাঁহিলে। ভাবটো এয়ে যে তেওঁৰ বয়সীয়া মানুহৰ চকুত ধুলি মৰা ইমান সহজ নহয়! সুন্দৰীয়ে এই হাঁহিৰ অৰ্থটো ভালকৈয়ে বুজি পালে। নিতাইৰ বয়স পঞ্চাচৰ

ওপৰ হৈছে, মুৰব চুলি ভালেমান পকিছে, দাৰিগোফ খুৰাই খোৱা, মুৰত টিকনি চন্দনৰ ফোট এটা তেতিয়াও জিলিকি আছে, সুন্দৰীয়ে একেথিৰে তেওঁৰ পিনে চাই থাকিল। সেই চাৱনিৰ অৰ্থ বুজি নেপাই নিতাই অলপ উত্তেজিত হৈ সুধিলে "কি সেইদৰে চাই আছাঁ কিয় ?" "চাইছোঁ !" "কি চাইছা ?" "চাইছোঁ তোমালোকো বামুণ আৰু যিজন এইমাত্ৰ গ'ল তেৱোঁ বামুণ কিন্তু তোমালোকৰ ভিতৰত আকাশ পাতাল প্ৰভেদ।" কথাটো বুজিব নোৱাৰি নিতায়ে প্ৰশ্ন কৰিলে "কিহৰ প্ৰভেদ ?" সুন্দৰীয়ে অলপ হাঁহি লৈ ক'লে "বুঢ়া মানুহ, নিয়ৰত নেথাকিবা, বাৰান্দালৈ সোমাই আঁহা। শপত খাই কৈছোঁ, তোমাৰ ফালে চাই ভাবিছিলোঁ। মোৰ মনিবৰ ভৰিৰ ধুলি অকমান পালেও তোমাৰ নিচিনা কত গাঙ্গুলী কত জন্মৰ বাবে উদ্ধাৰ পাই যাব পাৰে !" তাইৰ কথা শুনি নিতাই খঙত মাতিব নোৱাৰা হৈ চাই থাকিল। সুন্দৰীয়ে ধপাত লগাবলৈ লৈ অতি সহজ ভাবে কৈ গ'ল "খং নকৰিবা দেও, সঁচা কথাকে কৈছোঁ! আজি বুলি নহয় সদায়েই দেখি আহিছোঁ, মনিবৰ লগুণ দালৰ ওপৰত চকু পৰিলে চকুকিটা পুৰিবলৈ ধৰে; মনত লাগে যেন তেওঁৰ ডিঙিত আকাশৰ বিজুলীহে খেলি ফুৰিছে, কিন্তু তোমালোকৰ ফালে চাই মোৰ হাঁহিহে উঠে!" এই বুলি খিল্‌খিল্ কৈ হাঁহি উঠিল। প্ৰথমৰ পৰাই নিতাই হিংসাত জ্বলিপুৰি আছিল এতিয়া খঙত বলিয়া হোৱাদি হ'ল। চকু দুটাত জুই জ্বলাই চিঞৰি ক'লে "সিমান দৰ্প নকৰিবি সুন্দৰী, মুখ পচি যাব!" সুন্দৰীয়ে ধপাতৰ চিলিমটো ফুঁৱাই

ফুঁৱাই ওচৰ চাপি আহি হাঁহি মুখে ক'লে "মোৰ একো নহয়। এইয়া ধপাত লোৱাঁ; বৰং তোমাৰ মুখ খনহে মৰিলে পোৰ নেখাব, মোৰ মনিবক দেখি সেইখন মুখেৰে ইহাৰ কাৰণে!"

নিতায়ে ধপাত চিলিম টান মাৰি পেলাই দি থিয় হ'ল। সুন্দৰীয়ে চাদৰৰ আগ এটা ধৰি হাঁহি ক'লে "বহাঁ, বহাঁ মোৰ মুৰকে খোৱাঁ!" ক্ৰুদ্ধ নিতায়ে চাদৰখন টানমাৰি একুৱাই লৈ "উচ্ছন্ন হবি—নিপাত যাবি "ইত্যাদি শাও দি দি তাৰপৰা ওলাই গুচি গ'ল। সুন্দৰীয়ে তাতে বহি লৈ পোনতে খুব হাঁহি তাৰ পাছত দুৱাৰখন বন্ধ কৰি দিলেহি। তাই মনে মনে ক'বলৈ ধৰিলে "কিহৰ সৈতে কিহৰ তুলনা! বামুণ তেওঁকেহে বুলিব পাৰি, অত দুখকষ্টতো মুখৰ হাঁহি মাৰ যোৱা নাই, তথাপি চকুলৈ চাবলৈ সাহ নহয় যেন জুই একুৰাহে জ্বলি আছে।"

নয়

ঠিক কাৰ অনুগ্ৰহত ক'ব নোৱাৰি, কথাটো বিকৃত ৰূপ এটা লৈ বিৰাজৰ কাণত পৰিবলৈ বাকী নেথাকিল। সিদিনা ওচৰৰে পেহীটী আহি এইকথাৰ আলোচনা কৰিছিল। আটাইবোৰ কথা মন দি শুনি লৈ বিৰাজে ক'লে "তাইৰ কাণ এখন কাটি পেলাব লাগিছিল পেহী!" পেহীটীয়ে খং কৰি গুচি গ'ল। যাওঁতে কৈ কৈ গ'ল "তাইক' চিনি নেপাওঁ নে? গাৰঁত তাইৰ দৰে আন ওজনী

ক'ত আছে ?" বিৰাজে গিৰিয়েকক মাতি আনি সুধিলে "তুমিনো আকৌ কাহানি সুন্দৰীৰ তালৈ গ'লা ?" নীলাম্বৰে ভয়ত শুকাই ক'লে "পুটিৰ খবৰ ল'বলৈ বুলি এদিন গৈছিলোঁ।" "আৰু তাইৰ তালৈ নেযাবা, তাইৰ হেনো স্বভাব চৰিত্ৰ বৰ বেয়া হৈ গৈছে" ইমানকে কৈ বিৰাজ নিজ কামলৈ গুচি গ'ল। তাৰ পাছত বহুত দিন পাৰ হৈ গ'ল। বেলি ওলায় আকৌ মাৰ যায়, কাৰো ধৰি ৰাখিবৰ সাধ্য নাই বাবেই বোধহয় জাৰ গৈ জহ পালেহি আকৌ জহো যাবৰ উপক্ৰম কৰিলে।

বিৰাজৰ মুখত ক'লা ছাঁ এটা পৰি ক্ৰমে বেছি ঘন হৈ আহিবলৈ ধৰিলে, চকু দুটাৰ দৃষ্টি ক্লান্ত, আজিকালি খংটোও বৰ বাঢ়িলে, যেয়ে তেওঁৰ ফালে চায় ততালিকে মুখ নমাই ল'বলৈ বাধ্য হয়। শেলে বিন্ধি থোৱা সাপ এটাই অনবৰত শেলপাত কামুৰি কামুৰি ক্লান্ত হৈ যেনেকৈ এটা অসহায় দৃষ্টিৰে চাই থাকে বিৰাজৰ দৃষ্টিও ঠিক তেনেকৈয়ে কৰুণ অথচ ভীষণ হৈ উঠিল। গিৰিয়েকৰ লগত মাতবোল প্ৰায় নোহোৱাৰ দৰেই। তেওঁনো চোৰৰ নিচিনাকৈ কোন সময়ত অহা-যোৱা কৰে তাক যেন ক'বই নোৱাৰে। আজিকালি সৰুজাকৰ বাহিৰে সকলোৱে তেওঁলৈ ভয় কৰে। প্ৰথমে প্ৰথমে বিৰাজে সৰুজাকৰ হাত সাৰিবলৈ বহুত চেষ্টা কৰিছিল কিন্তু নোৱাৰিলে। ৰঙাচকু দেখুৱালে তেওঁ ডিঙিত সাৱটি ধৰে, টান কথা ক'লে ভৰিত ধৰি পৰে। সেইদিনা দশহৰা। খুব পুৱাতে সৰুজাক লুকাই লুকাই আহি ক'লেহি "এতিয়াও কোনো উঠা নাই বাইদেও ব'লা নৈত ডুব এটা মাৰি

আহোঁগৈ।” সিপাৰে ঘাট বন্ধাৰ পৰা তেওঁৰো নৈলৈ যোৱা মানা আছিল। দুই জাকে গা ধুবলৈ গ'ল। গা ধুই উঠি দেখিলে কিছুদূৰতে ৰাজেন্দ্ৰ বৈ আছে। সেইখিনিৰ পৰা তেতিয়াও এন্ধাৰ আঁতৰি যোৱা নাছিল তথাপি মানুহটোক দেখিয়েই দুয়ো চিনি পালে। মোহিনীয়ে ভয়তে বিৰাজৰ পাছত গৈ থিয় হ'ল। বিৰাজ অতিপাত আচৰিত হৈ গ'ল। ইমান পুৱাতে মানুহটো কেনেকৈ আহিল? পাছ মুহূৰ্ত্ততে এটা কথা মনত খেলালে হয়তো সদায় পুৱা মানুহটোৱে এইদৰে পহৰা দি থাকে? অলপ সময় ইতস্ততঃ কৰি থাকি জাকৰ হাতত টান মাৰি ক'লে “আৰু বৈ নেথাকিবি সৰু, গুচি আহ!” তাইৰ লগে লগে আহি দুৱাৰলৈকে আগবঢ়াই দি হঠাৎ আকৌ কিবা ভাবি লাহে লাহে আহি ৰাজেন্দ্ৰৰ অলপ দূৰত ৰ'লহি, তেওঁৰ চকু দুটা জ্বলিবলৈ ধৰিলে। ইমান অস্পষ্ট পোহৰতো ৰাজেন্দ্ৰই সেই দৃষ্টি সহিব নোৱাৰি তলমূৰ কৰিলে।

বিৰাজে ক'লে “আপুনি ভদ্ৰসন্তান, ডাঙৰ মানুহ, আপোনাৰ এনেকুৱা প্ৰবৃত্তি কিহৰ?” ৰাজেন্দ্ৰই থত্‌মত্‌ খাই গ'ল, উত্তৰ দিব নোৱাৰিলে। বিৰাজে কৈ গ'ল “আপোনাৰ যিমান ডাঙৰ জমিদাৰী নেথাকক, যিখিনি ঠাইত থিয় দি আছে সেইয়া মাটি মোৰেই হে!” হাতেৰে সিপাৰৰ ঘাট দেখুৱাই ক'লে “আপুনি যে কিমান ইতৰ তাক সেই ঘাটৰ প্ৰতিটুকুৰা কাঠে জানে আৰু ময়ো জানোঁ।” আপোনাৰ বোধহয় মাক বা ভনীয়েক নাই। বহুতদিন আগত আপোনাক মোৰ দাসীৰ হতুৱাই ইয়ালৈ

আহিবলৈ মানা কৰি দিয়া হৈছিল তাক মনত থাকিব পায় ?” ৰাজেন্দ্ৰ ইমান অভিভূত হৈ গৈছিল যে তেতিয়াও মুখৰ মাত এটা নোলাল। বিৰাজে ক’লে “আপুনি মোৰ স্বামীক চিনি নেপায়, পোৱাহেতেন কেতিয়াও এইদৰে নাহিলহেতেন! আজ মই সাৱধান কৰি দিছোঁ কেতিয়াবা এইফালে আহিবৰ মন কৰিলে তেওঁক চিনি ল’বৰ চেষ্টা কৰিব।” এই বুলি ধীৰে ধীৰে তাৰপৰা আঁতৰ হৈ গ’ল। ঘৰত সোমাব খোজোতে দেখিলে পীতাম্বৰে হাতত ঘটী এটা লৈ থিয় দি আছে। ভালেদিনৰ পৰা তেওঁলোকৰ মাজত মাতবোল নাছিল তথাপি দেওৰেকে সুধিলে “বৌ, ইমান পৰ যাৰ লগত কথা পাতিছিলা তেওঁ আমাৰ জমিদাৰ বাবু নহয় নে?” পলকতে বিৰাজৰ চকুমুখ ৰঙা পৰি উঠিল, “হয়” বুলি মাত এষাৰ দি তেওঁ ততালিকে ভিতৰ সোমাই গ’ল। ঘৰ সোমোৱাৰ লগে লগে নিজৰ কথা পাহৰি গ’ল, সৰুজাকৰ কাৰণে মনে মনে উদ্বিগ্ন হৈ উঠিল। কেৱল মনত চিন্তা হ’ল দেওৰেকে তাইক দেখিলেনে নাই! কিন্তু সৰহ বেলি ভাবিব লগা ন’হল, দহমিনিটমানৰ ভিতৰতে সিফালৰ পৰা মাৰৰ শব্দ আৰু কান্দোন শুনিবলৈ পালে। বিৰাজ লৰি গৈ ৰান্ধনি ঘৰ সোমাই কাঠৰ মূৰ্ত্তিৰ দৰে বহি থাকিল। নীলাম্বৰ সেইমাত্ৰকে সাৰ পাই উঠি মুখ ধুই আছিল। পীতাম্বৰৰ মাৰৰ শব্দ আৰু গালিশপনি অলপপৰ কাণ পাতি শুনি থকাৰ পাছত জেওৰাৰ কাষ পাই একে গোৰেৰে জেওৰা ভাঙি সিখন চোতাল পালেগৈ। জেওৰা ভঙাৰ শব্দ শুনি সেইফালে চাই সাক্ষাৎ যমৰ দৰে ককায়েকক

দেখি পীতাম্বৰ ভয়ত বিবৰ্ণ হৈ উঠিল। নীলাম্বৰে মাটীত পৰি থকা বোৱাৰীয়েকক সম্বোধন কৰি ক'লে "যোৱা আই, তোমাৰ কোনো ভয় নাই।" মোহিনী কঁপি কঁপি তাৰ পৰা উঠি গ'ল। নীলাম্বৰে সহজ ভাবে ক'লে "বোৱাৰীৰ আগত তোক আৰু অপমান নকৰো কিন্তু এইটো মনত ৰাখিবি মই যিমান দিন ইয়াত থাকিম তোৰ এইবোৰ নচলিব। তই তাইৰ গালৈ তোলা হাতখন মই ভাঙি পেলাম।" এইবুলি ফিৰি যাব খুজিলে। পীতাম্বৰে অলপ সাহ কৰি ক'লে "ঘৰত খেদি মাৰিবলৈ আহিছাঁ হয় কিন্তু কাৰণটো কি জানানে?" নীলাম্বৰে মুখখন ঘূৰাই ক'লে "নাই নেজানোঁ আৰু জানিবও নোখোজোঁ।" পীতাম্বৰে ক'লে "খুজিবানো কেলৈ? মই দেখিছোঁ এই ভেটি এৰিবহে লাগিব!" নীলাম্বৰে কিছুসময় ভায়েকৰ মুখলৈ চাই থাকি পাছত ক'লে "কোনে ভেটি এৰিব লাগিব তাক মই জানোঁ, তই সোঁৱৰাই দিব নেলাগে। কিন্তু সেইটো নোহোৱালৈকে তই বাট চাই থাকিব লাগিব। সেইটো কথাকে তোক জনাই থলোঁ।" এইবুলি যাব খোজোতে পীতাম্বৰ আগলৈ আহি ক'লে "তেনেহলে তোমাকো জনাই দিওঁ ককাইদেউ! আনক শাসন কৰাৰ আগতে ঘৰক শাসন কৰা ভাল।" নীলাম্বৰে চাই থাকিল, পীতাম্বৰে সাহ পাই ক'বলৈ ধৰিলে "সেইটো ঘাট কাৰ জানা নহয়? বেছ, মই তেতিয়াৰ পৰা মোহিনীৰ ঘাটলৈ যোৱা বন্ধ কৰি দিছোঁ। আজি ৰাতি নৌ-পুৰাওতেই বৌৰ লগত তাইও গা ধুবলৈ গৈছিল—কোনে জানে কি জানিবা সদায়েই এইদৰে যায়?" নীলাম্বৰ আচৰিত হৈ

গ'ল, ক'লে "এই দোষটোৰ কাৰণেই তই তাইৰ গালৈ হাত দাঙিলি ?" পীতাম্বৰে ক'লে "আগে মই কওঁ শুনঁা—সেই জমিদাৰ বাবুজনৰ, জানো নামটো ৰাজেন নে কি, তেওঁৰ সুখ্যাতিৰ ঠাই নাই। আজি বৌৱে তেওঁৰ লগত আধাঘণ্টামান কথা পাতিছিলে, কিহৰ দৰকাৰ ?" নীলাম্বৰে বুজি নেপাই ক'লে "কোনে কথা পাতিছিলে, বিৰাজে ?" "হয় তেৱেঁই !"

"তই নিজ চকুৰে দেখিছ ?" পীতাম্বৰে মুখৰ ভাবটো ইঁহা নিচিনা কৰি ক'লে "তুমি মোক দেখিব নোৱাৰাঁ বুলি জানোঁ ; মোৰ সেই বিচাৰ নাৰায়ণে কৰিব কিন্তু—" "আকৌ নাৰায়ণৰ নাম মুখলৈ আন ? কি ক'ব খুজিছ ক।" পীতাম্বৰে অলপ চক্ খালে তাৰ পাছত ৰুষ্টস্বৰে ক'লে "চকুৰে নেদেখাকৈ কথা কোৱা অভ্যাস মোৰ নাই ! ঘৰক শাসন কৰিব নোৱাৰিলে পৰক মাৰিবলৈ খেদি নাহিবা !" নীলাম্বৰৰ মূৰত যেন চৰগ পৰিল। কিছুসময় ভেবালাগি চাই থাকি পাছত সুধিলে "আধাঘণ্টা কথা পাতিছিল কোনে ? বিৰাজে ? তই নিজ চকুৰে দেখিছ ?"

পীতাম্বৰ এখোজ এখোজকৈ ফিৰি গৈছিল, থিয় হৈ ৰৈ ক'লে "নিজ চকুৰেই দেখিছোঁ ! আধাঘণ্টাতকৈ সৰহ সময়ো হ'ব পাৰে।" নীলাম্বৰে কিছুসময় মনে মনে চাই থাকিলে, তাৰ পাছত ক'লে "ভাল বাৰু, সেয়ে যদি হয় তই কেনেকৈ জানিলি তেওঁৰ কথা কোৱাৰ আৱশ্যক নোহোৱা বুলি ?"

পীতাম্বৰে মুখ ফিৰাই হাঁহি ক'লে "সেইটো অৱশ্যে ক'ব নোৱাৰোঁ ; তথাপি মই মৰা উচিত হোৱা নাই কাৰণ ঘাট মোৰ

'ঘৰৰ কাৰণে বন্ধা হোৱা নাই!" মুহূৰ্ত্তৰ উত্তেজনাত নীলাম্বৰে হাত ডাঙি খেদামাৰি আহি আকৌ বৈ গ'ল, পীতাম্বৰলৈ চাই ক'লে "তই এটা জানোৱাৰ, তাতে সৰু ভাই; ককায়েক হৈ মই আৰু তোক শাও নিদিওঁ, মই ক্ষমা কৰিলোঁ। কিন্তু আজি তই গুৰুজনৰ বিষয়ে যি কথা ক'লি ঈশ্বৰে তোক কেতিয়াও ক্ষমা নকৰে। যা মোৰ আগৰ পৰা!" এই বুলি লাহে লাহে গুচি আহি ভঙা জেওৰাখন নিজেই মেৰামত কৰি দিলে। বিৰাজে সকলো কথা শুনি আছিল। লাজ আৰু ঘিণত তেওঁৰ গোটেই গা শিয়ঁৰি উঠিবলৈ ধৰিলে, এবাৰ ভাবিলে নিজৰ সকলো কথা আগলৈ গৈ কৈ আহেগৈ কিন্তু ভৰি দুটা মাটিৰ পৰা তুলিবকে নোৱাৰিলে। তেওঁৰ ৰূপৰ প্ৰতি পৰপুৰুষৰ লুব্ধ দৃষ্টি পৰিছে এই কথাটো মুখেৰে কেনেকৈ উচ্চাৰণ কৰিব ভাবি নেপালে। জেওৰা ভাল কৰি এটাই নীলাম্বৰ বাজলৈ গুচি গ'ল। দুপৰীয়া ভাত বাঢ়ি দি বিৰাজে আঁৰত লুকাই থাকিল, বাতি গিৰিয়েকৰ টোপনি অহা পাছত মনে মনে ঘৰ সোমাই পুৱা সাৰ পোৱাৰ আগে আগে ঘৰৰ বাহিৰ ওলাই আহিল। এইদৰে দুদিন পলাই পলাই ফুৰাৰ পাছতো যেতিয়া গিৰিয়েকে একো নুসুধিলে তেতিয়া তেওঁৰ মনত আন এটা ভয় সোমাল। ঘৈণীয়েকৰ সম্বন্ধে ইমান ডাঙৰ দোষৰ কথা শুনিও গিৰিয়েকৰ কৌতূহল নোহোৱাৰ একো যুক্তি বিচাৰি নেপালে। নাইবা ঘটনাটো শুনি আচৰিত হৈছে এই সম্ভাৱনাটোৱেও তেওঁক কোনো সান্ত্বনা দিব নোৱাৰিলে। এফালে যদিও বিৰাজে পলাই ফুৰিছিল আনহাতে প্ৰতিমুহূৰ্ত্তে

আশা কৰি আছিল যে এতিয়াই হয় তো গিৰিয়েকে মাতিব আৰু ঘটনাটোৰ বিষয়ে সকলো জানিব খুজিব। তেনে কৰাহেঁতেন তেঁৱো গিৰিয়েকক সকলো কথা খুলি কৈ মনৰ গধুৰ বোজাটো পাতলাব পাৰিলহেঁতেন আৰু অলপ সকাহ পাই বাচিল-হেঁতেন, কিন্তু ক'তা একোৱেই তো নহ'ল! গিৰিয়েক নিৰ্ব্বাক হৈয়েই থাকিল।

একোবাৰ ভাবিলে হয়তো তেওঁ একোকে বিশ্বাস কৰা নাই। কিন্তু এই কেইদিন এইদৰে লুকাই ফুৰা দেখিও জানোঁ৷ অলপ সন্দেহ জন্মা নাই? অথচ এই কেইদিন গোপন কৰি থোৱা কথাটো আজিয়েই নো বাৰু কয় কেনেকৈ? সেই দিনটোও একেদৰে পাৰ হ'ল। পাছদিনা পুৱা গধুৰ মনেৰে কাম কৰি থাকোঁতে হঠাৎ ভয়ঙ্কৰ সন্দেহ এটা মনত হ'বলৈ ধৰিলে, যদি দেওৰেকে কোৱা কথাবোৰ তেওঁ বিশ্বাস কৰিছে তেতিয়া? নীলাম্বৰে আহ্নিক কৰি উঠিব খুজিছিল এনেতে বিৰাজ ধুমুহাৰ দৰে আহি ফোপাবলৈ ধৰিলে। নীলাম্বৰ আচবিত হৈ চকু তোলোতেই বিৰাজে নিজৰ ওঁঠ কামুৰি কৈ উঠিল "কিয় মইনো কি কৰিলোঁ, মোৰ লগত বৰ যে কথা নোকোৱাঁ?" নীলাম্বৰে হাঁহিলে, ক'লে "পলাই ফুৰিলে নো কাৰ লগত কথা হওঁ?" "পলাই ফুৰিছোঁ, তুমি এবাৰ মাতিব নোৱাৰাঁ নে?"

নীলাম্বৰে ক'লে "যি মানুহ পলাই ফুৰে তাক মাতিলে পাপ হয়!" "পাপ হয়?" তেনেহ'লে বোপাই কোৱা কথাবোৰ তুমি বিশ্বাস কৰিছা?" "সঁচা কথা বিশ্বাস নকৰিম কিয়?"

বিৰাজে খং আৰু বেজাৰত কান্দি পেলালে। বিকৃত কণ্ঠে ক'লে "সঁচা কথা নহয় সেইবোৰ একেবাৰে মিছা কথা! তুমি কিয় বিশ্বাস কৰিলা?" "তুমি নৈৰ পাৰত কথা কোৱা নাছিলা?"

বিৰাজে উদ্ধত ভাবে ক'লে "কৈছিলোঁ।" নীলাম্বৰে ক'লে "মই সেইকণকেহে বিশ্বাস কৰিছোঁ।" বিৰাজে হাতেৰে চকু মচি ক'লে "বিশ্বাসেই কৰিলা যদি সেই ইতৰটোৰ দৰে মোক শাসন নকৰিলা কিয়?" নীলাম্বৰে আকৌ হাঁহিলে। নতুনকৈ ফুলা ফুলপাহিৰ দৰে। নিৰ্ম্মল হাঁহিৰে মুখ ভৰি উঠিল।

সোঁহাতখন ডাঙি লৈ ক'লে "তেনেহলে আহ মোৰ ওচৰলৈ, লবাকালৰ নিচিনাকৈ আৰু এবাৰ তোৰ কাণ মলি দিওঁ।"

চকুৰ পচাৰতে বিৰাজ আগলৈ আহি আঁঠু কাঢ়ি বহি পৰিলে, আৰু গিৰিয়েকৰ বুকুত সোমাই দুইহাতে ডিঙিত সাৰটি ধৰি কান্দিবলৈ ধৰিলে। নীলাম্বৰে একো বাধা নিদিলে। নিজৰ চকু দুটাও আৰু শুকান হৈ নাছিল, ঘৈণীয়েকৰ মূৰত হাত এখন বুলাই আশীৰ্ব্বাদ কৰিবলৈ ধৰিলে। কিছুপৰৰ পাছত কান্দোন কমি অহাৰ লগে লগে মূৰ নেডাঙি সুধিলে "মই তাক কি কৈছিলোঁ জানা?" নীলাম্বৰে সস্নেহে ক'লে "জানো, তুমি আহিবলৈ মানা কৰি দিছিলা!" "তোমাক কোনে ক'লে?" নীলাম্বৰে হাঁহি থাকিয়েই ক'লে "কোনেও কোৱা নাই। কিন্তু এটা অচিনাকি মানুহৰ লগত যেতিয়া কথা পাতিছাঁ, কমখিনি দুখত পাতিছা নে? সেই কথাটো তাৰ বাহিৰে নো আৰু কি হ'ব

পাৰে বিৰাজ ?” বিৰাজৰ চকুৰেদি আকৌ পানী ওলাবলৈ ধৰিলে। নীলাম্বৰে ক’লে “কিন্তু কামটো ভাল নহ’ল, মোক জনোৱা উচিত আছিল। মই গৈ বুজাই দিলোঁহেতেন। বহুদিন আগৰে পৰা মই তাৰ মনৰ ভাব বুজি পাইছিলোঁ, কতদিন গধূলি পুৱা দেখাও পাইছোঁ, তুমি মানা কৰা দেখিহে একো কোৱা নাছিলোঁ ?” সেইদিনা গধূলিৰ পৰা এটোপ দুটোপ বৰষুণ দি আছিল, ৰাতি বিছনাত শুই দুইৰো মাজত আকৌ সেই কথা উঠিল। নীলাম্বৰে ক’লে “আজি দিনটো তাৰ কাৰণে বাট চাই আছিলোঁ।” বিৰাজে ভয় খাই সুধিলে “কিয়, কিয় ?” “দুটামান কথা নক’লে ঈশ্বৰৰ আগত অপৰাধী হ’ব লাগিব সেইকাৰণে!” ভয় আৰু উত্তেজনাত বিৰাজ উঠি বহিল, ক’লে “নাই নেলাগে, এইবোৰ কথা তুমি তাক একো ক’ব নেলাগে।” তেওঁৰ চকু মুখৰ ভাব লক্ষ্য কৰি নীলাম্বৰ আচৰিত হৈ ক’লে “মই স্বামী, মোৰ জানো কৰ্ত্তব্য এটা নাই ?” বিৰাজে একো নভৰা নিচিন্তাকৈ কৈ পেলালে “আগে স্বামীৰ আন কৰ্ত্তব্যবোৰ কৰাঁ, এইটো কৰ্ত্তব্য পাছতো কৰিবা।” “কি ?” নীলাম্বৰ কিছুপৰ স্তম্ভিত হৈ থাকি অৱশেষত “বাৰু!” বুলি হুমুনিয়া এটা কাঢ়ি বিছনাত শুই পৰিল। বিৰাজে তেনেকৈয়ে থিৰ ভাবে বহি থাকি ভাবিবলৈ ধৰিলে “এইটো কি কথা ঘপ্ কৰে মুখেদি ওলাই আহিল ?” বাহিৰত বৰষুণৰ লগত তিতামাটিৰ গোন্ধ আহিবলৈ ধৰিলে, ভিতৰত গিৰিয়েক ঘৈণীয়েক দুয়ো নিমাত হৈ থাকিল। বহুত সময়ৰ পাছত নীলাম্বৰে গভীৰ আৰ্ত্তকণ্ঠে যেন

নিজকে কোৱাদি ক'লে "মই যে কিমান অপদাৰ্থ বিৰাজ, তাক তোৰ পৰা যিমান শিকোঁ আন কাৰোপৰা সেইদৰে নোৱাৰোঁ।" বিৰাজে কিবা এটা ক'ব খুজিছিল কিন্তু মুখৰ মাত কোনোমতে নোলাল। বহুদিনৰ পাছত অসহ্য দুখ দৈন্য পীড়িত এই দম্পতীৰ মাজত আজি সন্ধিৰ সূত্ৰপাত হোৱাৰ লগে লগে সি এইদৰে ভাগি ছিন্নভিন্ন হৈ গ'ল।

দহ

দুপৰীয়া কেউ কতো নথকা দেখি মোহিনী আহি কান্দি কান্দি বিৰাজৰ ভৰিৰ ওচৰত বহিলহি। স্বামীৰ অপৰাধৰ ভয়ত ব্যাকুল হৈ আজি দুদিন ধৰি এই সময়খিনিৰ কাৰণে বাট চাই আছিল। আজি আহি কান্দি কান্দি ক'বলৈ ধৰিলে "শাও শপনি নিদিবা বাইদেউ! মোৰ মুখলৈ চাই তেওঁক ক্ষমা কৰাঁ, তেওঁৰ কিবা হ'ব লাগিলে মইনো কেনেকৈ জীয়াই থাকিম?" বিৰাজে তেওঁৰ হাতত ধৰি তুলি দি বিষণ্ণ মুখে ক'লে "মই শাও দিয়া নাই ভণীটী, আৰু মোৰ কিবা অন্যায় কৰিব পৰা সাধ্যও তেওঁৰ একো নাই; কিন্তু তোৰ দৰে লক্ষ্মীৰ গাত হাত তোলা ভগবানে নসহে!" মোহিনী শিয়ঁৰি উঠিল। চকু মচি ক'লে "কি কৰিম বাইদেউ, তেওঁৰ স্বভাবেই তেনেকুৱা! যি জন গোঁসায়ে তেওঁক ইমান খং দিছে সেইজনায়ে তেওঁক ক্ষমা কৰিব!

তেঁও এনে এজন দেৱতা নাই বাইদেউ যাৰ ওচৰত মই ইয়াৰ কাৰণে আগ কৰা নাই, কিন্তু মহাপাপী মই! মোৰ মাতত কোনো দেৱতায়ে কাণ নিদিলে! এনে দিন এটা নেযায় বাইদেউ—” এই বুলি তেওঁ বৈ গ'ল। বিৰাজে ইমানপৰে চোৱা নাছিল যে সৰুজাকৰ সোঁফালে কপালত এটা ক'লা দাগ পৰি আছে, ভয় খাই সুধিলে “তোৰ কপালত সেইটো মৰা চিনেই নেকি?” সৰুজাকে লাজতে তলমূৰ কৰিলে।

“কিহেৰে মাৰিলে?” লাজত মোহিনীয়ে মূৰ তোলা নাছিল, সেইদৰে থাকিয়ে ক'লে “খং উঠিলে আৰু একো জ্ঞান নেথাকে বাইদেউ!” “সেইটো জানিছোঁ বাৰু, তথাপি কিহেৰে মাৰিলে?” মোহিনীয়ে তলমূৰকৈয়ে ক'লে “ভৰিত চটি জোতা আছিল”— বিৰাজ স্তব্ধ হৈ বহি থাকিল। দুই চকুৰেদি জুই ওলাবলৈ ধৰিলে। অলপ পাছত বিকৃত কণ্ঠে ক'লে “কেনেকৈ সহি থাকিলি সৰু?” সৰুজাকে মুখ তুলি ক'লে “বাইদেউ, মোৰ অভ্যাস হৈ গৈছে!” বিৰাজে সেই কথাটো যেন নুশুনিলেই, আকৌ বিকৃত কণ্ঠে ক'লে “আকৌ তেওঁৰ বাবেই ক্ষমা খুজিবলৈ আহিছ?” ডাঙৰ জাকৰ মুখলৈ চাই মোহিনীয়ে সুধিলে “হয়নে বাইদেউ! তুমি প্ৰসন্ন নহ'লে তেওঁৰ হেনো অকল্যাণ হ'ব! আৰু সহ্য কৰাৰ কথা যদি কোৱাঁ এইবোৰ সকলো মই তোমাৰ পৰাই শিকাঁ! মোৰ যি আছে সকলো তোমাৰ চৰণৰ—”

বিৰাজ অধীৰ হৈ ক'লে “নাই, নাই সৰু নহয়, তই মিছা কথা নকৰি, এই অপমান মই কেতিয়াও সহ্য কৰিব নোৱাৰো!”

সৰুজাকে অলপ হাঁহি ক'লে "নিজৰ অপমান সহাটোনো কি ডাঙৰ কথা বাইদেউ ? তোমাৰ দৰে স্বামীভাগ্য সংসাৰত তিৰোতাৰ ভাগ্যত নঘটে, তথাপি তুমি যিমানবোৰ সহিছা আমি হোৱাহ'লে আধ্যা হলোঁহেতেন ! তেখেতৰ মুখত হাঁহি নাই, মনত সুখ নাই, তুমি দিনে ৰাতিয়ে তাকে চাব লগা হৈছে। সেইহেন স্বামীৰ ইমান কষ্ট সহি থাকিব তুমি দেখিহে পাৰিছা বাইদেউ—আন হ'লে কেতিয়াও নোৱাৰে।"

বিৰাজ মৌন হৈ ৰ'ল। সৰুজাকে হাতেৰে তেওঁৰ ভৰি দুটা সাৱটি ধৰি হঠাৎ ক'লে "কোৱাঁ বাইদেউ, তেওঁক ক্ষমা কৰিলা ? তোমাৰ মুখৰ কথা নোলালে মই কেতিয়াও নেৰোঁ, তুমি প্ৰসন্ন নহ'লে তেওঁক কোনেও ৰক্ষা কৰিব নোৱাৰে।" বিৰাজে ভৰি গুচাই আনি জাকৰ মুখত ধৰি ক'লে "ক্ষমা কৰিলোঁ।"

সৰুজাকে আকৌ এবাৰ ভৰি চুই আনন্দ মনে গুচি গ'ল। বিৰাজ কিন্তু অভিভূতৰ দৰে বহুতপৰ তাতে বহি থাকিল। তেওঁৰ অন্তৰৰ পৰা যেন কোনোবাই বাৰে বাৰে ক'লে "ইয়াকে চাই শিকি ল বিৰাজ!" তেতিয়াৰ পৰা মোহিনী আৰু অহা নাই কিন্তু সদায় এটা চকু এখন কাণ এইফালে দি থয়। আজি দুপৰীয়া এটামান বাজিছে, মোহিনীয়ে অতি সাৱধানে ইফালে চাই আহি ঘৰত সোমাল।

বিৰাজে গালত হাত দি ৰান্ধনি ঘৰৰ বাৰান্দাৰ এচুকত যেনেকৈ বহি আছিল তেনেকৈয়ে থাকিল। সৰুজাকে ভমিত

হাত লগাই মূৰত দি লাহে লাহে ক'লে "বাইদেউ তুমি পগলা হৈ গৈছা নেকি ?" বিৰাজে মুখ ঘুৰাই লৈ তীব্ৰকণ্ঠে ক'লে "তই নহলিহেঁতেন নে ?" সৰুজাকে ক'লে "তোমাৰ লগত ৰিজাই মোক অপৰাধী নকৰিবা বাইদেউ ! তোমাৰ ভৰিৰ ধূলিৰ যোগ্যও মই নহওঁ, কিন্তু আজি ডাঙৰীয়াক কিয় খাবলৈ নিদিলা ? কিয় এনে হৈ গৈছা ?"

"মই তো খাবলৈ হাক দিয়া নাই !" "হাক দিয়া নাই সেইটো ঠিক, কিন্তু কিয় এবাৰ নগ'লা ? খাবলৈ বহি কতবাৰ মাতিলে, উত্তৰ এটাও নিদিলা ? এবাৰ ওচৰলৈ যোৱাহেঁতেন তো তেখেতে সেইদৰে ভাত এৰি উঠি নগ'লহেঁতেন ।" তথাপি বিৰাজ মনে মনে থাকিল। সৰুজাকে ক'বলৈ ধৰিলে "হাতত কাম থকা বুলি মোক ফাঁকি দিলেতো নহ'ব বাইদেউ ! চিৰকাল সকলো কামবন কাতি কৰি তেখেতক চকুৰ আগত বহুৱাই খুৱাইছা— ইয়াতকৈ ডাঙৰ কাম সংসাৰত তো তোমাৰ কোনোদিন একো নাছিল—আজি" কথা শেষ হ'বলৈ নৌ পাওঁতেই বিৰাজে উন্মাদৰ দৰে তেওঁৰ হাত এখনত ধৰি টানি নি ক'লে "তেনেহ'লে চাই যাহি আহ" এই বুলি ৰান্ধনিঘৰৰ মাজত থিয় কৰাই হাতেৰে দেখুৱাই ক'লে "সোৱা চা !" সৰুজাকে দেখিলে, এটা ক'লা পাথৰৰ বাটীত ডাঙৰ লেতেৰা চাউলৰ ভাত আৰু তাৰ দাতিত কিছুমান কলমৌ শাক সিজোৱা, আন একোটোকে নাই। আজি আন একো উপায় নপাই বিৰাজে নৈৰ পৰা শাক বুটলি আনি তাকে সিজাই থৈছিল। চাওঁতে চাওঁতে মোহিনীৰ চকুত পানীৰে

উপচি পৰিল কিন্তু বিৰাজৰ চকুত পানী এটোপাও নাই! দুয়ো দুয়োলৈ মনে মনে চাই থাকিল। বিৰাজে সহজ ভাবে কৈ গ'ল "তয়ো তিৰোতা, তয়ো ৰান্ধিবাঢ়ি গিৰিয়েৰৰ পাতত ভাত দিব লাগে, বাৰু কচোন পৃথিবীত কোনোবাই এনে আহাৰ চকুৰ আগত থাকি চাব পাৰেনে? আগে ক তাৰ পাছত যিহকে মুখত আহে তাকে কৈ মোক গালি শপনি পাৰিবি, মই একো নকওঁ।" মোহিনীয়ে আৰু একোকে ক'ব নোৱাৰিলে। চকুৰেদি পানী ব'বলৈ ধৰিলে। বিৰাজে ক'লে "কেতিয়াবা কাচিৎ ৰন্ধা বেয়া হ'লে তেওঁৰ খোৱা তিলমান কমা দেখিলেও গোটেই দিন মোৰ মনটো দেইপুৰি থাকে, তাক আনে জানক নেজানক সৰু, তইতো ভালকৈয়ে জান! আজি ভোকৰ সময়ত এইবোৰকে মই আনি দিব লাগে—কিন্তু তাকো আৰু হৈ নুঠিবগৈ কিজানি।" আৰু তেওঁ সহ্য কৰিব নোৱাৰিলে, সৰুজাকক সাৱটি ধৰি ফোপাই ফোপাই কান্দিবলৈ ধৰিলে। তাৰ পাছত বহুত সময়লৈকে দুয়ো বাই-ভনীৰ দৰে বহি লৈ কান্দি থাকিল। বিৰাজে পাছত মূৰ তুলি ক'লে "তোৰ আগত মই একো কথা লুকুৱাওঁ কিয়নো তোৰ বাহিৰে মোৰ দুখবুজা আন কোনো নাই! বহুত ভাবি চাইছোঁ মই আঁতৰি নগ'লে তেওঁৰ দুখ নেযায়। কিন্তু জীয়াই থাকোতে এদিনলৈ তেওঁৰ মুখ নেদেখাকৈ যে মই থাকিব নোৱাৰোঁ। মই যাব লাগিব, কচোন মই গুচি গ'লে তই তেওঁক চাবি?" সৰুজাকে চকু তুলি সুধিলে "কলৈ যাবা?" বিৰাজৰ শুকান ওঁঠত এটা কঠিন শীতল হাঁহি ওলাল বোধহয়

এবাৰ মান অলপ দ্বিধা কৰিলে, তাৰ পাছত ক'লে "কেনেকৈ কওঁ ভনীটী ক'লৈ যাব লাগিব ? শুনিছোঁ তাতকৈ হেনো ডাঙৰ পাপ আৰু নাই ? যিয়ে হক এই দুখকষ্টৰ পৰাতো হাত সাৰিম নহয় ?" এইবাৰ মোহিনীয়ে বুজি পাই শিয়ঁৰি উঠিল। ব্যস্ত হৈ তেওঁৰ মুখত সোপা দি কৈ উঠিল "ছিঃ ছিঃ এইবোৰ কথা মুখত আনিব নেপায় নহয় ? আপোনঘাতী হোৱাৰ কথা যি কয় তাৰো পাপ আৰু যি শুনে তাৰো পাপ ! তুমি কি হৈ গৈছা দিনে দিনে বাইদেউ ?" বিৰাজে হাতখন গুচাই দি ক'লে "কব নোৱাৰোঁ। মই কেৱল ইয়াকে জানিছোঁ যে মই তেওঁক আৰু খাবলৈ দিব পৰা নাই। আজি মোক দুই শপত খাই ক যেনেকৈ পাৰ দুই ভাই ককাইৰ মাজত আকৌ মিল কৰাই দিবি বুলি !" "কথা দিছোঁ" এই বুলি মোহিনীয়ে বিৰাজৰ ভৰিত ধৰি ক'লে "তেনেহলে মোকো আজি এটা ভিক্ষা দিবা বুলি কোৱা ?" বিৰাজে সুধিলে "কি !" "তেনেহলে অলপ ৰ'বা, মই আহোঁ" বুলি খোজ বঢ়াওতেই বিৰাজে আঁচলত ধৰি পেলাই ক'লে "নেলাগে নেযাবি, মই কাৰো পৰা একো নলওঁ !" "কিয় ন'লবা ?" বিৰাজে প্ৰবল ভাবে মূৰ জোকাৰি ক'লে "নাই, মই আৰু কাৰো পৰা একো লব নোৱাৰোঁ !" মোহিনীয়ে ক্ষন্তেক পৰ স্থিৰ দৃষ্টিত চাই তেওঁৰ আকস্মিক উত্তেজনা লক্ষ্য কৰিলে। তাৰ পাছত বহি লৈ ক'লে "তেনেহলে শুনা বাইদেউ ! কিয় ক'ব নোৱাৰোঁ আগেয়ে তুমি মোক ভাল নেপাইছিলা, ভালকৈ মাত এটাও নিদিছিলা, তাৰ কাৰণে মই যে লুকাই কত

কান্দিছিলোঁ, গোঁসাইক কত মাতিছিলোঁ তাৰ লেখ নাই ! আজি ঈশ্বৰে চকু মেলি চাইছে তুমিও মোক ভণী বুলি লৈছা ; এবাৰ ভাবি চোৱাঁচোন মোক এই অৱস্থাত দেখিলে তুমি কি কৰিলাঁ-হেতেন।” বিৰাজে একো নেমাতি মনে মনে থাকিল। সৰুজাক উঠি গৈ কিছুপৰৰ পাছতে এটা ডাঙৰ পাছিত সকলো বিধৰ খোৱাবস্তু আনি নমাই থলেহি। বিৰাজে একেথিৰে চায়েই থাকিল কিন্তু যেতিয়া মোহিনীয়ে তেওঁৰ শাৰীৰ চুক এটাত মোহৰ এটা বান্ধি দিব খুজিলে তেওঁ আৰু থাকিব নোৱাৰিলে। খুব জোৰেৰে তাইক ঠেলা মাৰি দি কলে “নাই মৰি গ’লেও মই লব নোৱাৰোঁ।” মোহিনীয়ে কোনোমতে নিজক চম্ভালি ক’লে “নহব কেলৈ, নিশ্চয় ল’ব লাগিব। এইটো মোক ডাঙৰীয়াই বিয়াতে দিয়া!” ইমানকে কৈ আকৌ ভৰিৰ ধূলি লৈ ঘৰৰ ভিতৰলৈ গুচি গ’ল।

এঘাৰ

ইমান দিন চলি থকা মগৰাৰ পিতলৰ কঁহৰ কাৰখানা যিদিনা হঠাৎ বন্ধ হৈ গ'ল আৰু সেই খবৰ চণ্ডাল ছোৱালী জনীয়ে বিৰাজক দিবলৈ আহি নিজৰ কথা যেতিয়া অনৰ্গল কৈ গ'ল, বিৰাজে চুপ মাৰি শুনি থাকিল। শেষত সৰুকৈ হুমুনিয়া এটাহে কাঢ়িল মাথোন! ছোৱালী জনীয়ে ভাবিলে তাইৰ দুখৰ ভাগী কোনো নাই। তাই বেজাৰ মনে গুচি গ'ল। হায়ৰে অকনমানী দুখী ছোৱালীজনী! তইনো কেনেকৈ জানিবি সেই এটা সৰু হুমুনিয়াৰ মাজত কিমান দুখ থাকিব পাৰে আৰু সেই নীৰৱতাৰ আঁৰত কত ধুমুহা বৈ যাব পাৰে! শান্ত নিৰ্ব্বাক ধৰিত্ৰীৰ গৰ্ভত কিমান জুই জ্বলে তাক বুজি পোৱা ক্ষমতা তইনো ক'ৰ পৰা পাবি? নীলাম্বৰ আহি ক'লে তেওঁ কাম পাইছে। অহা-বেলি পূজাৰ সময়ৰ পৰা কলিকতাৰ নামজ্বলা কীৰ্ত্তন দলত তেওঁ খোল বজাব লাগিব। খবৰটো শুনি বিৰাজৰ মুখখন মৰা মানুহৰ দৰে নিস্তেজ আৰু শেতা হৈ পৰিল। তেওঁৰ স্বামীয়ে গণিকাৰ তলত গণিকাৰ সংস্ৰৱত ভদ্ৰসমাজত গাই বাই ফুৰিব লাগিব তেহে খাবলৈ হ'ব! লাজ আৰু ধিক্কাৰত যেন মাটিৰ লগত মিলি যাব কিন্তু মুখেৰে বাধা দিব নোৱাৰিলে কাৰণ তাৰ বাহিৰে আন উপায়ো একো নাই। গধূলিৰ এন্ধাৰত নীলাম্বৰে তেওঁৰ মুখৰ ভাব একো নেদেখিলে ভালেই হ'ল। ভটিয়নী সোতত পানী যেনেকৈ প্ৰতি মুহূৰ্ত্তে

শুকাই গৈ থাকে বিৰাজো ঠিক সেইদৰে খীণাই যাবলৈ ধৰিলে। অতি সোনকালে আৰু অতি স্পষ্টভাৱে তেওঁৰ দেহৰ অতুলন যৌবনশ্ৰী নাইকিয়া হৈ যাবলৈ ধৰিলে। শৰীৰ শুকাই গ'ল, মুখ মলিন, দৃষ্টিত কিবা এটা অস্বাভাৱিক ভাব, যেন সদায় চকুৰ আগত কিবা ভয় লগা বস্তু এটাহে দেখি আছে! অথচ তেওঁক চাওঁতা কোনো নাই। আছিল মাত্ৰ সৰুজাক। তেৰোঁ আজি এমাহমান হ'ল বাপেকৰ ঘৰলৈ গ'ল। নীলাম্বৰ দিনত প্ৰায়ে ঘৰত নেথাকে। ঘূৰি আহোঁতে এন্ধাৰেই হয়। চকুদুটা প্ৰায়ে ৰঙা পৰি থাকে, উশাহটো গৰম!

বিৰাজে সকলো দেখে সকলো বুজে কিন্তু একো নকয়। কবৰ ইচ্ছাও আৰু নহয়; আৰু আজিকালি অলপ কথা ক'লেও ভাগৰি যায়! কেইদিনমানৰ পৰা আবেলি হোৱাৰ লগতে জাৰ লাগি মূৰ কামুৰি আহে, সেইটো অৱস্থাৰেই চাকিটো লৈ ৰান্ধনী ঘৰলৈ যাব লাগে। গিৰিয়েক দিনত নেথাকে কাৰণে প্ৰায়ে দিনৰ সাজ বন্ধা নপৰে, ৰাতি ভাত ৰান্ধে যদিও জ্বৰৰ গাৰেই ৰান্ধিব লাগে। গিৰিয়েকৰ খোৱা হ'লে হাত ভৰি ধুই বিৰাজ শুই পৰে গৈ। এইদৰেই বিৰাজৰ দিন গৈ আছিল। আগৰ দৰে আৰু বিৰাজে ঈশ্বৰক চকু তুলি চাবলৈ নকয় আৰু প্ৰাৰ্থনাও নকৰে। আহ্নিক শেষ হ'লে মাথোঁ ইয়াকে কৈ সেৱা কৰে "প্ৰভু যি বাটে যাবলৈ ধৰিছোঁ সেইটো যেন সোনকালে শেষ হৈ যায়!" সেইদিনা শাওনৰ সংক্ৰান্তি। ৰাতিপুৱাৰ পৰা বৰষুণৰ বিৰাম নাই। তিনিদিন ধৰি জ্বৰত

ভুগি বিৰাজে সন্ধিয়া বেলিকা ভোক আৰু পিয়াহত ভং নেপাই বিছনাত উঠি বহিল। নীলাম্বৰ ঘৰত নাছিল। পৰহি ঘৈণীয়েকৰ ইমান জ্বৰ দেখি যোৱা স্বত্ত্বেও শ্ৰীৰামপুৰৰ কোনোবা ধনী মানুহ এঘৰলৈ কিবা পাবৰ আশাত যাব লগা হ'ল, কথা আছিল গধূলীতে ঘূৰিব, ৰাতি ক'তো নেথাকে। পৰহি গ'ল, কালি গ'ল আজিৰ দিনটোও যাওঁ যাওঁ হৈছে তথাপি দেখা নাই। বহুত দিনৰ মূৰত বিৰাজে আজি যেতিয়াই তেতিয়াই কান্দি আছে। আৰু কোনোমতে শুই থাকিব নোৱাৰি চাকি জ্বলাই দি মূৰৰ ওপৰত এখন গামোছা লৈ আলিৰ কাষত ৰ'লহি। বাৰিষাৰ এন্ধাৰৰ মাজেদি যিমান দূৰ চকু যায় চাই পঠিয়ালে কিন্তু একো দেখা নেপালে। ফিৰি আহি তিতা কাপোৰ আৰু তিতা চুলিৰে বাহিৰৰ ঘৰৰ বেৰত আঁউজি লৈ কান্দি থাকিল। কোনে জানে তেওঁৰ কি হ'ল! এনেয়ে দুখ কষ্টত আৰু অনাহাৰত শৰীৰ দুৰ্ব্বল হৈ পৰিছে তাৰ ওপৰত পৰিশ্ৰম! ক'ৰবাত কিবা অসুখ বিসুখেই হল নে গাড়ী-ঘোঁৰাই চেপিলে কি হ'ল, ঘৰত বহি থাকিনো কি উপায় কৰিব? আৰু এক বিপদ পীতাম্বৰ ঘৰত নাই কালি আবেলি মোহিনীক আনিবলৈ গ'ল। গোটেই ঘৰখনত বিৰাজ একেবাৰে অকলশৰীয়া। তাতে আকৌ অসুখীয়া। আজি দুপৰীয়াৰ পৰা ভোক লাগিছে যদিও ঘৰত খুদ-কণ এটাও নাই। দুদিন অকল পানী খায়েই কটালে। বৰষুণত তিতা কাৰণে এতিয়া তেওঁৰ জাৰ লাগিবলৈ ধৰিলে। মূৰ ঘূৰাই যোৱা কাৰণে কোনোমতে বেৰে ছালেঁ ধৰি ভিতৰ

সোমাই আহি মাটিৰ ওপৰত পৰি লৈ মুৰ খুন্দিয়াবলৈ ধৰিলে। বাহিৰৰ দুৱাৰত কোনোৱাই টকৰিয়ালে। বিৰাজে কাণদি শুনিলে। দ্বিতীয়বাৰ শুনাৰ লগে লগে "যাওঁ" বুলি লৰি গৈ দুৱাৰ খুলি দিলে। অথচ অলপ আগলৈকে তেওঁ উঠি বহিবকে পৰা নাছিল। দুৱাৰত টকৰিওৱা লৰাটো ওচৰৰে খেতিয়কৰ ঘৰৰ। সি ক'লে "মা গোঁসাই দাদাই এখন শুকান কাঁপোৰ খুজিছে।" বিৰাজে ভালকৈ বুজি নেপালে, দুৱাৰ দলিত বৈ থাকি সুধিলে "কাপোৰ খুজিছে, তেওঁ নো কত আছে?" লৰাটোৱে ক'লে "গোপাল ঠাকুৰৰ বাপেকৰ শৱ-দাহ কৰি এটাইবোৰ ঘূৰি আহিছে নহয়?" "শৱ দাহ কৰি?" বিৰাজ ৰ লাগি ৰ'ল। গোপাল চক্ৰৱৰ্ত্তী তেওঁলোকৰ দূৰ-সম্বন্ধীয় জ্ঞাতি। চক্ৰৱৰ্ত্তীৰ বৃদ্ধ পিতাকে বহুদিনৰ পৰাই ৰোগত ভুগি আছিল। দুদিনমান আগতে তেওঁক ত্ৰিবেণীতে গঙ্গা যাত্ৰা কৰি থোৱা হৈছিল, আজি দুপৰীয়া মৰিল। মৰা খৰি দি সকলো এতিয়া উভতিছে। এইবোৰ খবৰ এটা এটাকৈ দি লৰাটোৱে শেষত জনালে, গোঁসাই দাদাৰ দৰে কোনেও নাড়ী চাব নজনা কাৰণে তেওঁক সেইদিনাৰ 'পৰা লগতে ৰখা হৈছিল। বিৰাজে ধলং পলং কৈ ভিতৰ সোমাই কোনোমতে লৰাটোৰ হাতত কাপোৰ এখন দি আহি আকৌ বিছনাত শুই পৰিল। জনপ্ৰাণী নথকা এন্ধাৰ ঘৰখনত অকলশৰীয়া ঘৈণীয়েক, জ্বৰ, দুশ্চিন্তা আৰু অনাহাৰত আধা-মৰা হৈ থকা জানিও যাৰ গিৰিয়েকে বাহিৰত পৰোপকাৰ

কৰি ফুৰে, সেই ছুৰ্ভগীয়াৰ ক'বলগীয়া আৰু নো কি থাকিব পাৰে ? আজি তেওঁৰ বিকৃত অৱসন্ন মনটোৱে বাৰে বাৰে কবলৈ ধৰিলে "বিৰাজ সংসাৰত তোৰ কেঁৱেই নাই। তোৰ মাৰ নাই, ভাইককাই নাই, স্বামীও নাই। আছে মাথোন যম। তাৰ বাহিৰে কাৰো ওচৰত শান্তি পাবলৈ নাই।" বাহিৰত বৰষুণৰ শব্দ, জিলীৰ মাত, বতাহৰ সোঁ-সোঁৱনিত কেৱল নাই নাই শব্দটো বিৰাজৰ ছুই কাণৰ ভিতৰেদি সোমাবলৈ ধৰিলে। ভৰালত চাউল নাই, বাগানত ফল নাই, পুখুৰীত মাছ নাই, সুখ নাই, শান্তি নাই, স্বাস্থ্য নাই, ঘৰত সৰুজাক নাই আৰু সকলোৰে লগত আজি তেওঁৰ স্বামীও নাই। অথচ এইটোৱেই আচৰিত যে তেওঁৰ আজি কাৰো প্ৰতি কোনো ক্ষোভ নহ'ল! এবছৰৰ আগত তেওঁৰ স্বামীৰ এই হৃদয়হীনতাৰ অকনমানো পৰিচয় পোৱা-হেঁতেন খঙত বলিয়া হৈ গ'লহেঁতেন! কিন্তু আজি কিবা ৰকমৰ স্তব্ধ অৱসাদ এটাই গোটেই মানুহজনীক অসাৰ কৰি পেলালে। এনেই নিৰ্জীৱৰ দৰে পৰি থাকি তেওঁ কত কি ভাবিব খুজিলে কিন্তু সকলো চিন্তা একাকাৰ হৈ গ'ল! অথচ ইয়াৰ মাজতে অভ্যাসবশতঃ হঠাৎ মনত পৰি গ'ল, গোটেই দিনটো তেওঁৰ খোৱা হোৱা নাই! বিৰাজ আৰু শুই থাকিব নোৱাৰিলে, লৰালৰিকৈ বিছনাৰ পৰা উঠি হাতত চাকি লৈ ভৰালী কোঠাত তন্নতন্নকৈ বিচাৰিবলৈ ধৰিলে ৰান্ধিবলৈ কিবা আছে নেকি ? কিন্তু ক'তো এটা খুদকণো তেওঁৰ চকুত নপৰিল। বাহিৰবলৈ ওলাই আহি খুটা এটাত ভৰদি অলপ

সময় বৈ থাকিল তাৰ পাছত হাতৰ চাকিটো ফু মাৰি মুমুৰাই পাছফালৰ জপনা খুলি বাহিৰ হৈ গুচি গ'ল। বাহিৰত ঘোৰ অন্ধকাৰ, কেউফাল নিজান নিস্তব্ধ, ইফালে বাটটো গছবনেৰে ঢাকি নিচেই ঠেক, এইবোৰ একোৱেই তেওঁৰ গতিৰোধ কৰিব নোৱাৰিলে। বাৰীৰ সিমূৰে চণ্ডালৰ সৰু ঘৰ আছে, তেওঁ সেই ফালেই গ'ল। বাহিৰৰ ফালে জেওবা নাই, বিৰাজে এৰেকোবেই চোতাল উঠি মাতিলে "তুলসী!" মাতশুনি তুলসীয়ে হাতত চাকি লৈ আহি একেবাৰে আচৰিত হৈ সুধিলে "আই, এই এন্ধাৰথনত নো আপুনি কিয় আহিছে?" বিৰাজে ক'লে "মোক চাউল দুটামান দে!" "চাউল দিম?" এইবুলি তুলসী একেবাৰে হতভম্ব হৈ গ'ল; এই অদ্ভুত প্ৰাৰ্থনাৰ একো অৰ্থ বিচাৰি নেপালে। তাইৰ মুখৰ ফালে চাই বিৰাজে ক'লে "বৈ নেথাকিবি তুলসী অলপ খৰ কৰ!" তুলসীয়ে আৰু দুটা এটা কথা সুধি চাউল আনি বিৰাজৰ শাৰীৰ আগত বান্ধি দি ক'লে "কিন্তু আই এই মোটা চাউলেৰে নো কি কামত আহিব? এইবোৰতো আপোনালোকে খাব নোৱাৰে!" বিৰাজে মুখটো জোকাৰি ক'লে "পাৰিম"। তাৰপাছত তুলসীয়ে চাকিৰে বাট দেখুৱাব খুজিলে। বিৰাজে হাক দি ক'লে "চাকি দেখুৱাব নেলাগে, তই পাছত ঘূৰি আহিব নোৱাৰিবি!" কথাৰ লগে লগে তাৰ পৰা নিমিষতে গুচি আহিল। আজি চণ্ডালৰ ঘৰলৈ ভিক্ষা মাগিবলৈ আহি ভিক্ষা মাগি নিলেহি, অথচ ইমান ডাঙৰ অপমানেও তেওঁক একো বিচলিত কৰিব নোৱাৰিলে। শোক-

দুখ মান-অপমান কোনো বস্তুৰেই তীব্ৰতা অনুভব কৰিব পৰা শক্তি আৰু তেওঁৰ অন্তৰত নাছিল। ঘৰপাই দেখে যে নীলাম্বৰ আহিছে; গিৰিয়েকক আজি তিনিদিন দেখা নাই, চকুত পৰা মাত্ৰকে যেন প্ৰচণ্ড আকৰ্ষণে তেওঁক গিৰিয়েকৰ কাষলৈ নিব খুজিলে কিন্তু তেওঁ আৰু এটা খোজো দিব নোৱাৰিলে। তীব্ৰ বিজুলীৰ সংস্পৰ্শত ধাতু যেনেকৈ শক্তিমন্ত হৈ উঠে স্বামীক আগত দেখি তেওঁ সেইদৰেই শক্তিময়ী হৈ উঠিল। তথাপি সকলো আকৰ্ষণৰ বিৰুদ্ধে তেওঁ স্তব্ধ হৈ ৰৈ থাকি একেথিৰে গিৰিয়েকলৈ চাই থাকিল। নীলাম্বৰে এবাৰ চায়েই চকু নমাই লৈছিল—তেওঁৰ চকুদুটা জবাফুলৰ দৰে ৰঙা পৰি আছিল, শৱদাহ কৰিবলৈ গৈ যে এই তিনিদিন অবিশ্ৰান্ত ভাং খাইছিল তাক বিৰাজৰ জানিবলৈ বাকী নেথাকিল। অলপ সময় এইভাবে থকাৰ পাছত বিৰাজ কাষ চাপি আহি সুধিলে "খোৱা হোৱা নাই?" নীলাম্বৰে ক'লে "নাই!" বিৰাজে আন একো নকৈ বান্ধনিঘৰৰ ফালে যাবলৈ ধৰিছিল, এনেতে নীলাম্বৰে মাতি ক'লে "শুনাচোন, ইমান ৰাতিখন অকলে ক'লৈ গৈছিলা?" বিৰাজ থিয় দি থাকি অলপ ইতস্ততঃ কৰি ক'লে—"ঘাটলৈ" অবিশ্বাসৰ সুৰত নীলাম্বৰে ক'লে "নাই তুমি ঘাটলৈ যোৱা নাছিলা!" "তেনেহ'লে যমৰ ঘৰলৈ গৈছিলোঁ।" এই বুলি বিৰাজ ৰান্ধনিঘৰলৈ গ'লগৈ। এঘণ্টামানৰ পাছত ভাত বাঢ়ি যেতিয়া আকৌ নীলাম্বৰক মাতিবলৈ আহিল তেতিয়া তেওঁ টোপনিয়াই আছিল। বেছি পৰিমাণে ভাং খোৱা কাৰণে মূৰটো

গৰম আৰু বুদ্ধিটো ভোতা হৈ আছিল। নীলাম্বৰে পোন হৈ বহি আকৌ আগৰ প্ৰশ্নটোকে সুধি ক'লে "ক'লৈ গৈছিলা?" বিৰাজে নিজৰ জিভাখন কোনোমতে চম্ভালি শান্ত ভাবে ক'লে "আজি খাই বৈ শোৱাঁগৈ মই, কাইলৈ ক'ম!" নীলাম্বৰে মূৰটো জোকাৰি ক'লে "নাই, আজিয়েই শুনিম, ক'লৈ গৈছিলা কোৱাঁ!" তেওঁৰ জিদটো দেখি বিৰাজৰ ইমান দুখতো হাঁহি উঠিল। তেওঁ ক'লে "যদি নকওঁ?" "ক'বই লাগিব, কোৱাঁ!" "মই কোনোমতেই নকওঁ। আগতে খাই বৈ শোৱাঁ গৈ তেহে ক'ম!" নীলাম্বৰে বিবাজৰ হাঁহিটো নেদেখিলে, চকু কিটা ডাঙৰকৈ মেলি যেতিয়া চালে তেতিয়া তাত আগৰ সেই আচ্ছন্ন ভাবটো আৰু নাই; হিংসা আৰু ঘৃণাত চকুকিটা ভৰি আছে, ভীষণ কণ্ঠে ক'লে "নহয় কোনোমতে হ'ব নোৱাৰে, নুশুনিলে তোমাৰ হাতৰ পানী টোপাকে মই খাব নোৱাৰোঁ!" বিৰাজ চক্ খাই উঠিল, বোধহয় কালসৰ্পে খালেও মানুহে ইমান চক্ নেখায়! তেওঁ ধলং পলংকৈ পাছুৱাই গৈ মাটিত বহি পৰি ক'লে "কি ক'লা? মই চোৱা পানীটোপাকে খাব নোৱাৰাঁ?" "নাই কোনোমতেই নেখাওঁ!" "কিয়?" নীলাম্বৰ চিঞৰি উঠিল "আকৌ সুধিবলৈ আহিছাঁ—কিয়?" বিৰাজে নিস্তব্ধে কিছুপৰ গিৰিয়েকৰ মুখলৈ চাই থাকি, পাছত লাহে লাহে ক'লে "বুজিছোঁ, আৰু নোসোধোঁ। ময়ো কেতিয়াও নকওঁ, কাৰণ কাইলৈ যেতিয়া তোমাৰ হুঁচ হ'ব নিজেই বুজি পাবা; এতিয়া তুমি তোমাৰ মাজত নাই!" ভাং খোৱা মানুহে সকলো সহিব

পাৰে, নোৱাৰে কেৱল নিজৰ বুদ্ধি নথকা বুলি কোনোবাই কলে। তেৱোঁ ভয়ানক ক্রুদ্ধ হৈ উঠিল. ক'লে "ভাং খোৱাৰ কথাকেই কৈছাতো? ভাং আজি মই নতুনকৈ খোৱা নাই যে জ্ঞান হেৰুৱাম? বৰং তয়েই হে জ্ঞান হেৰুৱাইছ, তয়েই হে তোৰ মাজত নাই!" বিৰাজে ঠিক একেভাবে মুখলৈ চাই থাকিল। নীলাম্বৰে কৈ যাবলৈ ধৰিলে "কাৰ চকুত ধূলি মাৰ বিৰাজ? মোৰ? মই অতি মূৰ্খ সেইবাবে সিদিনা পীতাম্বৰে কোৱা কোনো কথাকে মই বিশ্বাস কৰা নাছিলোঁ, কিন্তু সি মোৰ ভাই, যথাৰ্থ ভায়েকৰ কামকে কৰিছিল। নহ'লে কিয়নো ক'ব নোৱাৰ ক'ত আছিলি? ঘাটলৈ যোৱা বুলি মিছাতে কিয় ক'লি?" বিৰাজৰ চকুকিটা বলিয়া মানুহৰ দৰে ঠক্‌ঠক্ কৰিবলৈ ধৰিলে। তথাপি সংযত সুৰত ক'লে 'মিছা কথা কৈছিলোঁ কাৰণ আচল কথাটো জানিলে তুমি লাজ পাবা, দুখ পাবা হয়তো মুখলৈ ভাতকে নেযাব সেইকাৰণে, কিন্তু মিছা, তোমাৰ লাজ চৰমো নাই আৰু তুমি মানুহ হৈও থকা নাই! তুমি, তুমি জানোঁ মিছা কথা কোৱা নাছিলা? এটা পশুৰো সিমান ডাঙৰ ছল এটা কৰিবলৈ লাজ লাগিলহেতেন; কিন্তু তোমাৰ তাকো নহ'ল! বৰ সাধুপুৰুষ ওলাইছে! ঘৰত বেমাৰী ঘৈণীয়েৰাক অকলে এৰি থৈ কোন শিচৰ ঘৰত ভাঙৰ উপৰি ভাং খাবলৈ গৈছিলা কোৱাঁচোন!" নীলাম্বৰে আৰু সহিব নোৱাৰিলে। "কৈছোঁ" বুলি হাতৰ ওচৰত থকা তামোলৰ বটাটো বিৰাজৰ মূৰলৈ জোৰেৰে মাৰি পঠিয়ালে। তামোলৰ বটা কপালত লাগি

ঝন্‌ঝন্‌কৈ মাটিত পৰিলগৈ। চাওঁতে চাওঁতে চকুৰ দাতিয়েদি তেজ বৈ গোটেই মুখ ৰাঙলী হৈ উঠিল! বিৰাজে বাঁওহাতে কপালখন চেপি ধৰি চিঞৰি কৈ উঠিল "মোক মাৰিলা?" নীলাম্বৰৰ ওঁঠ, মুখ কঁপিবলৈ ধৰিলে ক'লে "নাই, মৰা নাই কিন্তু মোৰ আগৰ পৰা দূৰ হ; তোৰ সেইখন মুখ আৰু নেদেখুৱাবি, অলক্ষ্মী ক'ৰবাৰ, যা দূৰ হৈ যা!" বিৰাজ থিয় হৈ ক'লে "যাম!" এটা খোজ আগবাঢ়িগৈ আকৌ ঘূৰি ক'লে "কিন্তু সহিব পাৰিবাতো? কাইলৈ যেতিয়া মনত পৰিব জ্বৰৰ ওপৰতে মোক মাৰিলা, খেদি পঠিয়ালা; মই তিনিদিন অনাহাৰত থাকিও আজি তোমালৈ বুলি চাউল এমুঠি খুজি আনিছিলোঁ, সহিব পাৰিবাতো? এই অলক্ষ্মীক এৰি থাকিব পাৰিবাতো?" তেজ দেখা পাই নীলাম্বৰৰ ভাঙৰ নিছা নাইকিয়া হৈ গৈছিল, তেওঁ ৰ লাগি মনে মনে বৈ থাকিল। বিৰাজে শাৰীৰে তেজ মচি মচি ক'লে "আজি এবছৰে যাওঁ যাওঁকৈ তোমাক এৰি যাব পৰা নাছিলোঁ! চোৰাঁচোন মোৰ শৰীৰত আৰু একো নাই, চকুৰেও ভালকৈ নেদেখা হ'লোঁ, খোজ এটা দিবৰ মোৰ শক্তি নাই, মই নগলোঁহেতেন কিন্তু স্বামী হৈ যিটো অপবাদ আজি মোক দিলা ইয়াৰ পাছত আৰু মই তোমাক মোৰ মুখ নেদেখুৱাওঁ! তোমাৰ ভৰিত পৰি মৰিব পৰা লোভটোৱেই মোৰ আটাইতকৈ ডাঙৰ আছিল, সেই লোভকে মই কোনোমতে এৰিব পৰা নাছিলোঁ, আজি তাকো এৰিলোঁ!" এইবুলি কৈ কপাল মচি মচি দুৱাৰেদি এন্ধাৰৰ

মাজত মিলি গ'ল। নীলাম্বৰে কথা ক'ব খুজিছিল কিন্তু জিভাখন লৰাবকে নোৱাৰিলে; লৰ মাৰি পাছে পাছে যাব খুজিছিল কিন্তু ভৰি দুটা চলাব নোৱাৰা হ'ল, কিবা এটা মায়ামন্ত্ৰেৰে যেন বিৰাজে তেওঁক অচল শিল এটালৈ পৰিণত কৰি অদৃশ্য হৈ গ'ল। আজি সৌ সৰস্বতী নৈ খনলৈ চাই পঠিওৱাঁ, ভয় লাগিব! বহাগ মাহত শুকাই থকা ক্ষীণ এই নৈখন শাওনত দুকুল ওপচাই কিমান বেগেৰে বৈ গৈছে! যি ক'লা শিলচটাৰ ওপৰত এদিন ৰাতিপুৱা ককায়েক ভণীয়েক আহি পৰম সুখে বহিছিলহি সেই চটাৰ ওপৰতে আজি এন্ধাৰ ৰাতি বিৰাজ গৈ কেনেখন অন্তৰ লৈ কঁপি কঁপি উঠিলেগৈ। তলত পানীবোৰে শিলত ঠেকা খাই চাকনৈয়া ৰচি বৈ গৈছে বিৰাজে সেইফালে চাই স্তব্ধ হৈ ৰ'ল। তেওঁৰ ভৰিৰ তলত কলা শিলচটা, ওপৰত মেঘাচ্ছন্ন আকাশখন সন্মুখত কলা পানীবোৰ, চাৰিওফালে গভীৰ ক'লা বন আৰু অন্তৰৰ মাজত আপোনঘাতী হোৱাৰ ক'লা প্ৰবৃত্তিটো। তেওঁ তাতে বহি লৈ নিজৰ হাত ভৰি কাপোৰেৰে বান্ধিবলৈ ধৰিলে।

বাৰ

ৰাতিপুৱা আকাশ ডাৱৰে ক'লা কৰি বৰষুণ দি আছিল। নীলাম্বৰ মেলখাই থকা দুৱাৰ মুখতে কোনোবা সময়ত শুই পৰিছিল হঠাৎ তেওঁৰ কাণত এটা মাত পৰিল "আই!" নীলাম্বৰ খৰধৰকৈ উঠি বহিল। হয়তো শ্যামনাম শুনি এনেকুৱা বাৰিষাৰ দিনতে শ্ৰীৰাধা ব্যাকুল হৈ উঠি বহিছিল। তেওঁ চকু মোহাৰি বাহিৰলৈ আহি দেখে চোতালৰ পৰা তুলসীয়ে মাতি আছে। কালি ওৰে নিশা বনৰ প্ৰতি জোপা গছৰ তলে তলে বিচাৰি কান্দি কাটি এঘণ্টামান আগতে শান্ত আৰু ভীত হৈ ফিৰি আহি দুৱাৰ মুখত বহি আছিলহি তাৰ পাছত কোনোবা সময়ত টোপনি অহাত শুই পৰিছিল। তুলসীয়ে সুধিলে "বাবু আই ক'ত?" নীলাম্বৰ হতভম্ব হৈ ক'লে "তইনো তেনে কাক মাতিছিলি?" তুলসীয়ে ক'লে "আইকেই হে মাতিছোঁ বাবু, কালি ৰাতি এডোখৰত কতো একো নাই, সেই এন্ধাৰখনত আয়ে আমাৰ ঘৰৰ পৰা মোটা চাউল দুটামান খুজি আনিলে গৈ, সেইবাবে ৰাতিপুৱাই দুৱাৰ-খন মেল খাই থকা দেখি সুধিবলৈ আহিলোঁ, সেইবোৰ চাউলেৰে নো কি কৰিলে?" নীলাম্বৰে মনে মনে সকলো বুজি পালে কিন্তু একো নেমাতিলে। তুলসীয়ে ক'লে "ইমান পুৱাই তেনে পাছ দুৱাৰ কোনে খুলিলে? অ আই ঘাটলৈ গ'ল হ'ব পায়?" এইবুলি তাই তাৰ পৰা গুচি গ'ল। নৈৰ পাৰৰ প্ৰতিটো গাত,

প্ৰতি জোপা গছতল বিচাৰি বিচাৰি গোটেই দিন অভুক্ত, অস্নাত হৈ থকা নীলাম্বৰ আহি হঠাৎ এঠাইত বৈ পৰিল, “মইনো এনেকৈ কি বলিয়ালি কৰিছোঁ? মই যে গোটেই দিন খোৱাবোৱা কৰা নাই এই কথাটো তেওঁৰ মনত পৰিবলৈ এতিয়াও জানো বাকী আছে? এইটো কথা জানি শুনিও তেওঁ ক'ৰবাত থাকিব পাৰিবনে? তেনেহলে ৰাতিপুৱাৰে পৰা তেওঁ ই কি কাণ্ড কৰি ফুৰিছে?” এই কথাবোৰ নীলাম্বৰৰ মনলৈ ইমান স্পষ্টভাবে আহিবলৈ ধৰিলে যে নিমিষতে তেওঁৰ সকলো দুশ্চিন্তা আঁতৰি গ'ল, তেওঁ পথাৰৰ মাজে দি বোকা-পানী ভাঙি ঘৰলৈ উৰ্দ্ধশ্বাসে লৰিবলৈ ধৰিলে। তেতিয়া বেলি মাৰ যাওঁ যাওঁ হৈছে, পশ্চিম ফালে বেলিয়ে অলপ সময়ৰ কাৰণে ভুমুকি এটা মাৰিছে এনেতে তেওঁ আহি পোনেই গৈ ৰান্ধনিঘৰ সোমালেগৈ। মাটিৰ ওপৰত বহিবলৈ পাৰি দিয়া পীৰাখন সেইদৰেই আছে, যোৱা নিশা বাঢ়ি দিয়া ভাত পৰি আছে, তাৰ ওপৰেদি নিগনি আৰু পইতাচোৰাই ইফাল সিফালকৈ ফুৰিছে, সেইবোৰ কোনেও আঁতোৱা নাই। কালি এন্ধাৰত ভালকৈ মণিব পৰা নাছিল, এতিয়া ভাতৰ চেহেৰা দেখিয়েই বুজিলে, এইবোৰেই তুলসীৰ পৰা খুজি অনা মোটা চাউল! এই চাউলকে বিৰাজে অভুক্ত স্বামীৰ বাবে জ্বৰৰ গাৰে কঁপি কঁপি এন্ধাৰত লুকাই গৈ মাগি আনিছিল, আৰু এই অপৰাধতেই মাৰ খাই অশ্ৰাব্য কটু কথা শুনি, লাজ আৰু ধিক্কাৰত ৰাবিষাৰ দুৰন্ত নিশা ঘৰ এৰি গুচি যাব লগা হ'ল।

নীলাম্বৰ সেইখিনিতে বহি লৈ দুহাতে মুখ ঢাকি মাইকী মানুহৰ দৰে চিঞৰি চিঞৰি কান্দিবলৈ ধৰিলে। বিৰাজ ইমান পৰলৈকে নাহিল যেতিয়া আৰু ঘূৰি অহাৰ আশা নাই। ঘৈণীয়েকক তেওঁ ভালকৈয়ে চিনি পায়। অভিমানী বিৰাজে যে প্ৰাণ গ'লেও লোকৰ ঘৰত আশ্ৰয় ল'বলৈ গৈ এই কলঙ্কৰ কথা প্ৰকাশ নকৰে, তাক ভালকৈয়ে জানিছিল কাৰণেই তেওঁৰ অন্তৰখন হাহাকাৰ কৈ উঠিল। নীলাম্বৰ মাটিত উবুৰি হৈ পৰি লৈ হাত দুখন মেলি দি অবিশ্ৰাম ক'বলৈ ধৰিলে "বিৰাজ, মই কোনোমতে সহিব নোৱাৰোঁ, তই ফিৰি আহ্।" সন্ধ্যা লাগিল, ঘৰত কোনেও চাকি জ্বলাই নিদিলে, ৰাতি হ'ল ৰান্ধনি ঘৰত কোনো নোসোমাল, কান্দিকাটি তেওঁৰ চকু মুখ উখহি গ'ল, কোনেও তাক মচি দিবলৈ নাহিল! দুদিনকৈ লঘোন দি থকাতো কোনেও আহি খাবলৈ নেমাতিলে। বাহিৰত খুব জোৰে বৰষুণ আহিল, এন্ধাৰৰ বুক ফালি দি বিজুলীয়ে তেওঁৰ মুদি থকা চকুৰ ভিতৰলৈকে পোহৰাই দি দুৰ্যোগৰ বাৰ্ত্তা দি গ'ল তথাপি নীলাম্বৰ উঠি নবহিল, চকু নেমেলিল, মুখখন ঢাকি লৈ গোঁ গোঁ শব্দ কৰি মাটিতে পৰি থাকিল। যেতিয়া নীলাম্বৰে সাৰ পালে তেতিয়া ৰাতিপুৱা হৈছে। বাহিৰত এটা গোলমাল শুনি আহি চাই দেখে যে দুৱাৰ মুখত এখন গৰু গাড়ী আহি ৰৈছেহি, আৰু তাৰপৰা বোৱাৰীয়েকে ওৰণীখন ডাঙৰকৈ টানি লৈ নামি আহিছে। পীতাম্বৰে ককায়েকলৈ এবাৰ কেৰাহিকৈ চাই আঁতৰি গ'ল। বোৱাৰীয়েক আহি সেৱা কৰিলে, তেওঁ

কিবা আশীৰ্ব্বাদ এটা দিব্‌লৈ গৈ কান্দি পেলালে। মোহিনীয়ে আচৰিত হৈ মুখ তুলি চাব খোজোতেই নীলাম্বৰ লৰাল্ৰিকৈ কোনোবা ফালে আঁতৰ হৈ গ'ল। মোহিনীয়ে জীৱনত আজি হে প্ৰথমে গিৰিয়েকৰ কথাৰ প্ৰতিবাদ কৰিলে। চকুৰ পানীয়ে উপচি থকা বঙা চকু কিটা ডাঙি ক'লে "তোমাৰ মনটো শিলেৰে গঢ়া নেকি? দুখকষ্ট সহিব নোৱাৰি বাইদেউ আপোনঘাতী হ'ল, ইমানতো আমি পৰ হৈয়ে থাকিম নে? তুমি পাৰা যদি থাকিবা, মই আজিৰ পৰা সিখন ঘৰৰ কামবনো কৰিম।" পীতাম্বৰে চক্ খাই ক'লে "সেইটো আকৌ কি কথা?" মোহিনীয়ে তুলসীৰ মুখে যি যি শুনিছিল আৰু নিজেও যি যি জানিছিল কান্দি কান্দি সেইবোৰকে ক'বলৈ ধৰিলে। পীতাম্বৰে ইমান সহজে বিশ্বাস কৰা বিধৰ মানুহ নহয়, ক'লে "তেওঁৰ গা টো ওপঙি উঠিব নহয়?" মোহিনীয়ে ক'লে "ওপঙি নুঠিবও পাৰে, সোঁতেও উটুৱাই নিব পাৰে নহয়? সতী লক্ষ্মীৰ দেহা মা গঙ্গাই বুকুত সাৱটি ল'লে। তাৰ বাহিৰে কোনেনো বিচাৰি ফুৰিছে আৰু?" পীতাম্বৰে প্ৰথমে বিশ্বাস নকৰিলেও পাছত ক'লে "বাৰু মই বিচাৰি চাম।" অলপ পৰ বৈ থাকি ক'লে "কিন্তু বৌ মোমায়েকৰ ঘৰলৈ যোৱা নাইতো?" মোহিনীয়ে ক'লে "নাই কেতিয়াও নেযায়। বাইদেউ অতি অভিমানী, তেওঁ নৈতেহে প্ৰাণ দিলে।" "বাৰু মই ইয়াৰ খবৰ কৰাম।" এইবুলি পীতাম্বৰ ওলাই গ'ল। বৌয়েকৰ কাৰণে আজি হঠাৎ মনটো বেয়া লাগি গ'ল। বিচাৰিবলৈ

মানুহ দুনুহ লগাই আৰু এটা মানুহক বিৰাজৰ মোমায়েকৰ ঘৰলৈ পঠাই জীৱনত আজি এটা পুণ্যৰ কাম কৰিলে। ঘৈণীয়েকক মাতি ক'লে "যদুৰ হতুৰাই জেওৰাখন ভঙাই দিবা আৰু যি পাৰা কৰিবা! ককাইদেউলৈ আৰু চাব নোৱাৰা হৈছে।" এই বুলি গুৰ অকণেৰে পানী এবাটি খাই কেছাৰীলৈ গুচি গ'লগৈ। চাৰি পাঁচদিন নথকাত তেওঁৰ বহুত কাম খতি হৈছিল। কাম কৰি থাকোতে মোহিনীয়ে ভাবিলে, গিৰিয়েকেই যিখন মুখলৈ চাব পৰা নাই সেইখন মুখৰ অৱস্থা চাগৈ কেনে হৈছে। নীলাম্বৰ চ'ৰাঘৰৰ ভিতৰত চকু মুদি স্তব্ধ হৈ বহি আছিল। সন্মুখত ৰাধাকৃষ্ণৰ যুগল মূৰ্ত্তি বেৰত আঁৰি থোৱা আছে। এই ছবিখন হেনো বৰ জাগ্ৰত; ৰেলগাড়ী নোহোৱাৰ দিনতে ককাকে খোজকাঢ়ি গৈ বৃন্দাবনৰ পৰা এই ছবিখন আনিছিল গৈ হেনো! এই ছবিখনে ককাকৰ লগত মানুহৰ দৰে কথা পতা বুলি নীলাম্বৰে মাকৰ মুখে শুনিছিল। ঠাকুৰ দেৱতাৰ সম্বন্ধে নীলাম্বৰৰ ধাৰণাটো বৰ অস্পষ্ট নাছিল। একান্ত মনে মাতিব পাৰিলে দেৱতাই আগত আহি কথা ক'ব পাৰে এই কথাটো তেওঁ সঁচা বুলিয়েই ভাবিছিল। সেইকাৰণেই এই ছবিখনেৰে কথা কোৱাবলৈ তেওঁ ইতিপূৰ্ব্বে বহুবাৰ চেষ্টা কৰি চাইছিল যদিও সফল হোৱা নাছিল। এই নোৱাৰাৰ কাৰণটো সদায় নিজৰ অক্ষমতাৰ ওপৰতে পেলাই আহিছিল, অথচ এই কথাটো কেতিয়াও মনলৈ অহা নাছিল যে ছবিয়ে কথা পাতিব পৰাটো অসম্ভৱ। তেওঁ লিখাপঢ়া শিকা নাছিল,

বৰ্ণপৰিচয় মাথোঁ হৈছিল। ইয়াৰ পাছত বিৰাজৰ পৰা ৰামায়ণ, মহাভাৰত পঢ়িবলৈ আৰু চিঠিপত্ৰ লেখিবলৈ শিকিছিল। শাস্ত্ৰ বা ধৰ্ম্মগ্ৰন্থ কোনোদিন পঢ়া নাছিল আৰু সেই কাৰণেই ঈশ্বৰ সম্বন্ধীয় ধাৰণা বৰ কম আছিল। কিন্তু এই বিষয়ে কোনো যুক্তি তৰ্ক ভাল নেপাইছিল। লৰা কালত ইয়াৰ কাৰণেই কেতিয়াবা পীতাম্বৰ আৰু কেতিয়াবা বিৰাজৰ লগত মাৰপিট পৰ্য্যন্ত হৈ গৈছিল। বিৰাজ তেওঁতকৈ কেৱল চাৰি বছৰ মানৰ সৰু আছিল, তেওঁক বৰ বেছি নেমানিছিল। এবাৰ মাৰ খাই বিৰাজে নীলাম্বৰৰ পেটত কামুৰি তেজ উলিয়াই দিছিল। শাহুৱেকে দুইকো গালি পাৰিছিল আৰু বিৰাজক কৈছিল "ছিঃ আই, গুৰুজনক তেনেকৈ কামুৰিব নেপায় নহয় ?" বিৰাজে কান্দি কান্দি কৈছিল "তেওঁহে মোক আগতে মাৰি লৈছিল।" মাকে পুতেকক মতাই আনি শপত খুৱাই কৈছিল, বিৰাজৰ গাত যেন কেতিয়াও হাত নোতোলে। তেতিয়া নীলাম্বৰৰ বয়স চৈধ্য বছৰ মান হ'ব, আজি প্ৰায় ত্ৰিশ বছৰ হ'লহি, নীলাম্বৰে মাতৃ আদেশ কেতিয়াও লঙ্ঘন কৰা নাছিল। আজি স্তব্ধ হৈ বহি লৈ পুৰণা দিনৰ পাহৰি যোৱা সেই কথাবোৰ স্মৰণ কৰি পোনতে মাকৰ ওচৰত মনে মনে ক্ষমা খুজিলে ; তাৰ পাছত তেওঁৰ জাগ্ৰত দেৱতাৰ আগত বিৰ্ বিৰ্ কৈ দুটা সহজ কথাৰে বুজাই ক'বলৈ ধৰিলে "অন্তৰ্যামী দেৱতা ! তুমিতো সকলো জানা, তাই যেতিয়া পাপ কৰা নাই, সকলো দোষ মোৰ ওপৰত পেলাই দি তাইক স্বৰ্গলৈ যাবলৈ দিয়া। ইয়াত বহুত দুখ কষ্ট পাই গ'ল, তাইৰ আৰু যেন দুখ নহয়, দয়াময় !" তেওঁৰ

মুদখাই থকা চকুৰেদি পানী ব'বলৈ ধৰিলে। হঠাৎ তেওঁৰ ধ্যান ভঙ্গ হ'ল। "দেউতা!" নীলাম্বৰ আচৰিত হৈ চাই দেখে সৰু বোৱাৰীয়েক কাষতে বহি আছে। তেওঁৰ মুখৰ ওপৰত ওৰণীখন কমকৈ লোৱা, তেওঁ সহজভাৱে ক'লে "মই আপোনাৰ ছোৱালীৰ দৰে দেউতা, ভিতৰলৈ আহক, গা ধুই আজি দুটামান খাব লাগিব!" প্ৰথমে নীলাম্বৰে নিৰ্ব্বাক হৈ চাই থাকিল, কত যুগ যেন পাৰ হৈ গৈছে তেওঁক কেৰে খাবলৈ মতা নাই! মোহিনীয়ে আকৌ ক'লে "দেউতা, মোৰ বন্ধা বঢ়া হৈ গৈছে।" এইবাৰ তেওঁ বুজি পালে, গোটেই গাটো এবাৰ কঁপি উঠিল তাৰ পাছত আকৌ উবুৰি হৈ পৰি কান্দি কান্দি সুধিলে "আই, বন্ধাবঢ়া হৈ গ'ল?" গাৱঁৰ সকলোৱে শুনি বিৰাজ নৈত ডুবি মৰা কথাটো বিশ্বাস কৰিলে। বিশ্বাস নকৰিলে অকল ধূৰ্ত্ত পীতাম্বৰে; তেওঁ মনে মনে তৰ্ক কৰিবলৈ ধৰিলে এই অকোৱা পকোৱা নৈখনত কিমান জোপোহা কিমান কঁাইট, জেং আছে, নৈত ডুবি মৰা হ'লে ক'ৰবাত নহয় ক'ৰবাত মৰা শটো ওলালহেতেন! নৈৰ দাঁতিয়ে দাঁতিয়ে কত মানুহ দুনুহ লগাই বিচাৰ কৰা স্বত্তেও একো চিনচাব্ নোলাল যেতিয়া নীলাম্বৰে বঢ়িয়াকৈ বুজিলে যে বোৱেকে আন যিহকে নকৰক কেতিয়াও নৈত ডুবি মৰা নাই। কিছুদিনৰ আগতে মনলৈ অহা সন্দেহ এটা আকৌ মনলৈ আহিবলৈ ধৰিলে। এই কথাটো কিন্তু কাৰো আগত ক'বলৈ সাহ ন'হল। এবাৰ মোহিনীক ক'ব খুজিছিল, মোহিনীয়ে কাণত আঙুলি দি পিছুৱাই

গৈ ক'লে "তেতিয়া হ'লে ঠাকুৰ দেৱতা সকলো মিছা, দিন-ৰাতিও মিছা।" বেৰত আঁৰি থোৱা অন্নপূর্ণাৰ ছবিখনলৈ দেখুৱাই ক'লে "বাইদেউ এওঁৰে এটা অংশ আছিল, এই কথাটো আনে নেজানিলেও মই খুব ভালকৈ জানোঁ!" পীতাম্বৰৰ খং নুঠিল, হঠাৎ তেওঁ যেন বেলেগ মানুহ হৈ পৰিছিল। মোহিনীয়ে বৰজনাকৰ লগত কথা ক'বলৈ আৰম্ভ কৰিছিল। ভাত বাঢ়ি দি আঁৰত বৈ গোটেই ঘটনাটো এটা এটাকৈ শুনি ল'লে ; সংসাৰ-খনত কেৱল তেঁৱেই হে জানিলে কিনো হৈছিল আৰু ভালকৈ বুজিছিল কি মৰ্ম্মান্তিক বেদনা লৈ বাইদেৱেক এইদৰে আঁতৰি যাব লগা হ'ল। নীলাম্বৰে ক'লে "আই, যিমান অপৰাধকে নকৰোঁ লাগে, জ্ঞানেবেতো কৰা নাই, তেনে সকলো মোহ এৰি দি গুচি গ'ল কেনেকৈ ? আৰু সহিব নোৱাৰা হৈছিল বাবেই গ'ল নেকি বাৰু ?" মোহিনীয়ে বহুত কথাকে জানিছিল, এবাৰ ভাবিলে কয় যে বায়েকে যাবগৈ বুলি এদিন স্বামীৰ ভাৰ তেওঁকেই গটাই দিছিল বুলি ; কিন্তু একো নেমাতি মনে মনে থাকিল। পীতাম্বৰে ঘৈণীয়েকক সুধিলে "তুমি বৰজনাৰৰ লগত কথা পাতা নেকি ?" মোহিনীয়ে ক'লে "দেউতা বুলি মাতোঁ কাৰণে কথাও পাতোঁ!" পীতাম্বৰে হাঁহি ক'লে "কিন্তু মানুহে শুনিলে নিন্দা কৰিব নহয় ?" মোহিনীয়ে ৰুষ্ট হৈ ক'লে "লোকে আৰু নো কি কৰিব পাৰিব ? সিহঁতৰ কাম সিহঁতে কৰক, মোৰ কাম মই কৰিম।" এই যাত্ৰা তেখেতক জীয়াই ৰাখিব পাৰিলে লোকৰ নিন্দা মূৰ পাতি ল'ম!" এই বুলি নিজৰ কামলৈ গ'লগৈ।

তেৰ

এইদৰে পোন্ধৰটা মাহ পাৰ হৈ গ'ল। পূজাৰ আগমনীয়ে আকাশে বতাহে আনন্দৰ জাননী দি গ'ল। আবেলি পৰত নীলাম্বৰ আসন এখনৰ ওপৰত থিৰভাবে বহি আছিল। শৰীৰ আগতকৈ বহুত খীণালে, মুখখন শেতা, মূৰৰ চুলিবোৰত সৰু সৰু জট বান্ধি গৈছে, চকুত বৈৰাগ্যৰ ভাৱ এটা; মহাভাৰতখন জপাই থৈ বিধৱা বোৱাৰীয়েকক সম্বোধন কৰি ক'লে "আই, পুটিহঁত আজিও চাগে নাহিব আৰু?" শুভ্ৰবস্ত্ৰ পিন্ধি নিৰাভৰণী বোৱাৰীয়েকে কাষতে বহি লৈ মহাভাৰতৰ পাঠ শুনি আছিল, বোলৰ ফালে চাই ক'লে "নহয় দেউতা, অহাৰ সময় এতিয়াও আছে!" দুৰ্দ্দান্ত শহুৰেক ঢুকুৱাৰ পৰা পুটী এতিয়া স্বাধীন! তাই লগুৱা লিগিৰী লৈ গিৰিয়েকৰ লগত আজি বাপেকৰ ঘৰলৈ অহাৰ কথা আৰু পূজাৰ কেইদিন ইয়াতে থাকিব বুলি খবৰ দি পঠাইছে। আজিলৈকে ঘৰৰ কথাবোৰৰ বিষয়ে একোকে গম পোৱা নাই। তাইৰ মাতৃসমা বৌৱেক নাই, সৰু ককায়েকো ছমাহ আগতে সাপৰ কামোৰত ঢুকাইছে, এইবোৰ কথা একোকে এতিয়াও জনা নাই। নীলাম্বৰে হুমুনিয়া এটা কাঢ়ি ক'লে "নহা হ'লেই ভাল আছিল কিজানি! একেলগে অতবোৰ সহিব পাৰিব জানো?" আদৰৰ সৰু ভণীয়েকজনীৰ কথা মনত পেলাই আজি তেওঁৰ চকু পানী ওলাল। যি ৰাতি পীতাম্বৰে সাপে কামোৰাৰ পাছত তেওঁৰ ভৰিত শাৰটি ধৰি কৈছিল

"ককাইদেউ, খালি তোমাৰ ভৰিৰ ধূলি মোৰ মূৰত দিয়া,, সিমানতো যদি নেবাচোঁ মোৰ আৰু আন উপায় নাই!" এই বুলি সৰুলো জৰাফুকা বাদ দি ককায়েকৰ ভৰিত জোৰেৰে মূৰটো ঘঁহি আছিল আৰু শেষ মুহূৰ্ত্তলৈকে মুক্তি পোৱাৰ আশাত ভৰি এৰা নাছিল; সেইদিনাই নীলাম্বৰে শেষবাৰলৈ কান্দি আৰু নকন্দা হৈছিল। আজি শুকাই যোৱা চকুলৈ আকৌ পানী আহিল। পতিব্ৰতা সাধ্বী বোৱাৰীয়েকেও লুকুৱাই চকুপানী টুকি বহি থাকিল। নীলাম্বৰে লাহে লাহে ক'লে "তাৰ কাৰণেও সিমান দুখ কৰা নাই, আই! মোৰ পীতাম্বৰৰ নিচিনাকৈ ভগবানে যদি বিৰাজকো ললেহেঁতেন তেনেহলে আজিৰ দিনটো মোৰ সুখৰহে আছিল! সি তো নহ'ল! পুটী এতিয়া ডাঙৰ হৈছে, মাকতুল্য বৌয়েকৰ এই কলঙ্কৰ কথা শুনি বুকুখন কেনেকুৱা কৰিব বাৰু কোৱাঁচোন, আই? তাইতো আৰু মূৰ ডাঙিব নোৱাৰিব!" সুন্দৰীয়ে আত্মগ্লানি আৰু সহিব নোৱাৰি, দুমাহমানৰ আগত নীলাম্বৰৰ আগত কৈ পেলাইছিল, সেই ৰাতি বিৰাজ মৰা নাছিল, জমিদাৰ ৰাজেন্দ্ৰৰ লগত গৃহত্যাগ কৰি গুচি গৈছিল। সুন্দৰীয়ে নীলাম্বৰৰ দুখ আৰু চাব নোৱাৰা হৈছিল, ভাবিছিল এই কথাটো জানিলে খঙতে হয়তো দুখ-বেজাৰ পাহৰিব পাৰিব! ঘৰলৈ আহি নীলাম্বৰে সেই কথা ক'লেহি। সেইকথাটো মনত পৰি বোৱাৰীয়েকে কিছুপৰ মৌন হৈ থাকি ক'লে "এইবোৰ কথা পুটীক জনোৱা দৰকাৰ নাই।" "কেনেকৈ লুকুৱাম আই? যেতিয়া সুধিব বৌৱনো কি হৈছিল

তেতিয়া কি উত্তৰ দিবা ?” বোৱাৰীয়েকে ক’লে “সকলোৱে নৈত ডুবি মৰা বুলি যেনেকৈ জানে, তাকে ক’ম !” নীলাম্বৰে মূৰটো জোকাৰি ক’লে “নোৱাৰি আই! শুনিছোঁ পাপ গোপন কৰিলে হেনো বাঢ়িহে যায়! আমি তাইৰ আপোন মানুহ হৈ পাপৰ বোজা আৰু নবঢ়াওঁ!” এইবুলি অলপ হাঁহিলে। সেই হাঁহিত যে কিমানখিনি দুখ আৰু ক্ষমা প্ৰকাশ পালে তাক বোৱাৰীয়েকে দেখিলে। অলপ পাছত সঙ্কুচিত হৈ ক’লে “এইবোৰ কথা সঁচা নহ’বও পাৰে, দেউতা!” “কোনবোৰ কথা আই? বাইদেৱেৰৰ কথা?” বোৱাৰীয়েক মৌন হৈ থাকিল। নীলাম্বৰে ক’লে “সঁচা কথা আই, সকলো সঁচা; জানাই নহয় খং উঠিলে আৰু পাগলী-জনীৰ একো জ্ঞান নেথাকিছিল? যেতিয়া ইমানকণ হৈ আছিল তেতিয়াও যেনে, ডাঙৰতো তেনেই আছিল! তাবোপৰি যিমানখিনি অত্যাচাৰ আৰু অপমান মই সেইদিনা কৰিছিলোঁ। সেইখিনি স্বয়ং নাৰায়ণেও কিজানি সহ্য কৰিব নোৱাৰিলে-হেতেন, তাইতো মানুহহে।” নীলাম্বৰে হাতেৰে চকু মোহাৰি লৈ ক’লে “আই! মনত পৰিলে বুকু ফাটি যাব খোজে, বেচেৰীয়ে তিনদিন নোখোৱাকৈ জ্বৰত কঁপি কঁপি মোলৈ বুলি দুটামান চাউল মাগি আনিবলৈ গৈছিল আৰু সেই অপৰাধতে মই”—আৰু ক’ব নোৱাৰিলে চুবিয়াৰ আগেৰে মুখ ঢাকি ওলাই অহা কান্দোনটো ৰোধ কৰিবলৈ ধৰিলে। বোৱাৰীয়েকেও কান্দি আছিল—কথা নক’লে। বহুত সময় পাৰ হৈ গ’ল।

নীলাম্বৰে নিজক চম্তালি লৈ চকু মচি ক'লে "বহুত কথাকে তুমি জানা আই! তেওঁ কওঁ শুনা, কেনেকৈ ক'ব নোৱাৰোঁ সেই ৰাতিয়েই তাই অজ্ঞান উন্মত্ত অৱস্থাত সুন্দৰীৰ ঘৰ পাইছিলগৈ, তাৰ পাছত উঃ টকাৰ লোভত সুন্দৰীয়ে মোৰ পাগলীজনীক সেই ৰাতিয়েই ৰাজেনবাবুৰ নাৱত তুলি দি আহিলে গৈ"— তেওঁৰ কথা শেষ নৌ হওঁতেই মোহিনীয়ে নিজক পাহৰি চিঞৰি উঠিলে "কেতিয়াও সঁচা হ'ব নোৱাৰে, বাইদেউৰ দেহাত প্ৰাণ থাকে মানে এনে কাম কোনেও কৰাব নোৱাৰে! বাইদেৱে সুন্দৰীৰ মুখকে নেচাইছিল!" নীলাম্বৰে শান্তভাবে ক'লে "তাকো শুনিছোঁ, হয়তো আই তোমাৰ কথাই সঁচা! তাইৰ দেহাত আৰু প্ৰাণ নাছিল, ভালকৈ জ্ঞান বুদ্ধি হোৱাৰ আগতে প্ৰাণটো মোক গতাই দিছিল, তাক লগত লৈতো যোৱা নাই। আজিও সি মোৰ ওচৰতে আছে" এইবুলি চকু মুদি অন্তৰৰ ভিতৰলৈকে যেন চকু ফুৰাই চাবলৈ ধৰিলে! বোৱাৰীয়েকে মুগ্ধ হৈ সেইখন মুখলৈ চাই থাকিল। সেই মুখত খং বা হিংসা-দ্বেষৰ ছাঁ এটাও নাছিল, আছিল কেৱল অসীম বেদনা আৰু ক্ষমাৰ অনিৰ্ব্বচনীয় মহিমা! মোহিনীয়ে মনে মনে তেওঁক প্ৰণাম জনাই তাৰপৰা গুচি গ'ল। সন্ধ্যাৰ চাকি দিওঁতে এই কথাকে বাৰে বাৰে ক'লে "বাইদেৱে চিনি পাইছিল, আৰু সেই কাৰণেই এদিনো এৰি থাকিব খুজিছিল।"

সুদীৰ্ঘ চাৰি বছৰ পাছত পুটী বাপেকৰ ঘৰলৈ আহিছে আৰু ডাঙৰ মানুহৰ দৰেই আহিছে। তাইৰ গিৰিয়েক,

ছমহীয়া কেচুৱাটো, পাঁচ ছয় জন মান লগুৱা-লিগিৰী আৰু মালবস্তুৰে ঘৰ ভৰি পৰিল। ষ্টেচনত নমাৰ লগে লগে যদুচাকৰৰ মুখে সকলো খবৰ পাই ভাৰপৰাই কান্দিবলৈ আৰম্ভ কৰিছিল। চিঞঁৰি কান্দি কান্দি গোটেই চুবুৰীটোক জাননী দি ৰাতি এডোখৰত ঘৰ সোমাই ককায়েকৰ কোলাত মুৰ দি উবুৰি খাই পৰিল। সেই ৰাতি পানীটোপাকে নুচুলে, ককায়েককো নেৰিলে, মুখখন ঢাকি থৈয়ে সকলো ঘটনা শুনি ল'লে। আগেয়ে বৌৱেকলৈ ভয় কৰিছিল, সঙ্কোচ কৰিছিল কিন্তু ককায়েকলৈ কোনোদিনেই ভয় সংশয় নাছিল আৰু তেওঁক মতা মানুহ বুলিও নেভাবিছিল। সকলো ৰকমৰ আব্দাৰ ককায়েকৰ ওপৰত চলিছিল। পুটী আহি পায়েই ককায়েকৰ ডিঙিত সাৱটি ধৰি কান্দি আছিল। তাইৰ এই ককায়েকক যিবোৰ মানুহে ইমান দুখকষ্ট দি এনেকুৱা থীণ আৰু বলিয়াৰ নিচিনা কৰিলে, সেইবোৰৰ প্ৰতি তাইৰ খং আৰু বিদ্বেষৰ সীমা নোহোৱা হ'ল। ককায়েকৰ তুলনাত নিজৰ সকলো দুখ তুচ্ছ যেন লাগিল। শহুৰেকৰ ঘৰৰ প্ৰতি এটা ঘিণ জন্মিল, সৰু ককায়েকক সাপে কামোৰা কথাটোও মনত সিমানকৈ নেলাগিল আৰু দুখুনী বিধবা বৌৱেকৰ পৰা মুখখন আঁতৰাই থ'লে। দুদিনমান পাছত পুটীয়ে গিৰিয়েকক মতাই আনি ক'লে "মই ককাইদেউক লৈ পশ্চিমলৈ ফুৰিবলৈ যাম, তুমি মালবস্তুবোৰ লৈ ঘৰলৈ উভতি যোৱা গৈ। আৰু মন গ'লে মোৰ লগতো ওলাব পাৰা!" অনেক ভাবি চিন্তি যতীনে পাছৰ ব্যবস্থাটোকে

সহজ পালে আৰু আকৌ এবাৰ বস্তুবাহানি বন্ধাচটা কৰাত লাগি গ'ল। যাত্ৰাৰ আয়োজন হ'বলৈ ধৰিলে। পুটীয়ে সুন্দৰীক এবাৰ মনে মনে মতাইছিল, তাই কিন্তু নাহিল। মাতিবলৈ পঠোৱা মানুহৰ আগত কৈ পঠালে "এই মুখ আৰু দেখুৱাব নোৱাৰোঁ, ক'বলগীয়া যি আছিল তাক কলোঁ, আৰু ক'বলৈ একো নাই!" পুটীয়ে খঙত ওঁঠ কামুৰি মনে মনে থাকিল। পুটীৰ নিদাৰুণ উপেক্ষা আৰু নিষ্ঠুৰ ব্যৱহাৰে মোহিনীক যে কিমান আঘাত দিছিল তাক কেৱল মাত্ৰ অন্তৰ্যামীয়েহে জানে! তেওঁ হাতজোৰকৈ ডাঙৰ জাকক মনে মনে স্মৰণ কৰি ক'লে "বাইদেউ, তোমাৰ বাহিৰে মোক আন কোনে চিনি পাব? য'তে থাকা তুমি মোক ক্ষমা কৰিলে, সেয়ে মোৰ সকলো!" মোহিনী সদায়েই নিস্তব্ধ প্ৰকৃতিৰ, আজিও নীৰবে সকলোকে সেৱা কৰি গ'ল, কোনো কথা নক'লে। ৰবজনাকক খুড়ৰাৰ ভাৰ পুটীয়ে লৈছিল গতিকে এই কেইদিন তাত গৈ বহাৰো একো প্ৰয়োজন নহ'ল। যোৱাৰ দিনা নীলাম্বৰে আচৰিত হৈ সুধিলে "আই তুমি নোযোৱা নেকি?" বোৱাৰীয়েকে লাহেকৈ মুৰটো জোকাৰিলে। পুটীয়ে কেচুৱা কোলাত লৈ শুনিবলৈ ধৰিলে। নীলাম্বৰে ক'লে "নাই, তুমি অকলে কেনেকৈ থাকিবা? আৰু থাকিনো কি হ'ব আই? ব'লা!" মোহিনীয়ে তলমুৰকৈ ক'লে "নহয়, দেউতা মই কোনোমতে যাব নোৱাৰোঁ!" বোৱাৰীয়েকৰ বাপেকৰ ঘৰৰ অৱস্থা খুব ভাল। বিধৱা হোৱাৰ পাছত তেওঁক কেইবাবাৰো নিবলৈ আহিছিল, কিন্তু তেওঁ কোনোমতেই নগ'ল।

নীলাম্বৰে সেইসময়ত ভাবিছিল তেওঁৰ কাৰণেই বোৱাৰীয়েক যাব নোখোজে ; কিন্তু এতিয়া অকলশৰীয়া ঘৰটোত কিহৰ কাৰণে থাকিব খুজিছে একো বুজি নেপালে। সুধিলে “কিয় আই, ইয়াৰ পৰা কিয় যাব নোৱাৰাঁ ?” বোৱাৰীয়েক মনে মনে থাকিল। “নকলেতো মোৰ যোৱা নহ’ব, আই ?” তেওঁ লাহে লাহে ক’লে “আপুনি যক্, মই থাকিম !” “কিয় ?” মোহিনীয়ে মনে মনে থাকি মনৰ সঙ্কোচটো গুচাবলৈ চেষ্টা কৰিলে। তাৰ পাছত খুব লাহেকৈ ক’লে “কিজানি বাইদেউ আহে ? মই সেই কাৰণেই ক’লৈকো যাব নোৱাৰোঁ। !” নীলাম্বৰ চক্ খাই উঠিল। খুব তীব্ৰ বিজুলীৰ পোহৰে চকুত চাঁট মাৰি যেনেকৈ সকলো এন্ধাৰ কৰি দিয়ে, তেনেকৈয়ে চাৰিওফালে এন্ধাৰ দেখিলে, কিন্তু সি কেৱল মুহূৰ্ত্তৰ বাবেহে। তাৰ পাছত নিজক চম্ভালি বৰ খীণ হাঁহি এটা মাৰি ক’লে “তুমিও যদি বলিয়াৰ দৰে কথা কোৱাঁ, এনে অবুজ হৈ উঠাঁ তেনে মোৰ কি গতি হ’ব ?” মোহিনীয়ে নিমিষৰ ভিতৰতে চকু মুদি নিজৰ অন্তৰখন চাই ল’লে, তাৰ পাছত স্থিৰ ভাবে কোনো সংশয় নথকাকৈ ক’লে “দেউতা, অবুজ মই হোৱা নাই ! আপোনাৰ যি মন যায় ক’ব পাৰে, কিন্তু চন্দ্ৰ সূৰ্য্য থাকেমানে মই কাৰো কথা বিশ্বাস নকৰোঁ। !” ককায়েক ভণীয়েক দুয়ো তেওঁৰ ফালে নিৰ্ব্বাক হৈ চাই থাকিল। তেওঁ ঠিক সেইদৰেই দৃঢ়ভাবে কৈ গ’ল “বাইদেৱে আপোনাৰ পৰা স্বামীৰ ভৰিত মুৰ থৈ মৰিবলৈ বৰ মাগি লৈছিল, সেইটো কেতিয়াও মিছা হ’ব নোৱাৰে ! মোৰ

সতী সাধ্বী বাইদেউ আকৌ ঘূৰি আহিব, যিমান দিন জীয়াই থাকিম এই আশাকে লৈ থাকিম ; মোক আৰু ক'লৈকো যাবলৈ নক'ব, দেউতা !" এইদৰে বহুত খিনি কথা কোৱাৰ পাছত ভাগৱত ফোঁপাবলৈ ধৰিলে।

নীলাম্বৰে আৰু সহি থাকিব নোৱাৰিলে। তেওঁৰ ওলাই অহা কান্দোনটোক মুক্তি দিবলৈ তাব পৰা লৰমাৰি আঁতৰি গ'ল। পুটীয়ে কেচুৱাটোক নমাই থৈ আজি প্ৰথম বৌৱেকৰ ডিঙিত সাৱটি ধৰি কান্দি কান্দি ক'লে "তোমাক মই কোনো দিনাই চিনি পোৱা নাছিলোঁ বৌ ; মোক ক্ষমা কৰিবা !" সৰু বৌৱেকে তাইৰ কেচুৱাটো নিজৰ কোলাত তুলি লৈ কান্দোনটো লুকুৱাই ৰান্ধনিঘৰলৈ গুচি গ'ল।

চৈধ্য

বিৰাজৰ মৰাই উচিত আছিল কিন্তু নমৰিল। সেই ৰাতি মৰিবলৈ ধৰা আগ মুহূৰ্ত্তত তেওঁৰ ছয়দিন ধৰি অনাহাৰে থাকি হোৱা দুৰ্ব্বল আৰু বিকৃত মস্তিষ্কই অপমান আৰু অসহ্য আঘাত পাই, মৰণৰ বাট এৰি সম্পূৰ্ণ বেলেগ বাট এটা বাছি ল'লে। মৰিবলৈ বুলি হাত ভৰি বান্ধি লওঁতেই ক'ৰবাত বজ্ৰ পৰিলে, সেই ভয়ানক শব্দত চক্ খাই মুখ তোলোতেই, বিজুলীৰ তীব্ৰ পোহৰত সিপাৰৰ গা-ধোৱা ঘাটটো আৰু মাছমৰা চাংখন চকুত পৰি গ'ল। এইবোৰে যেন তেওঁলৈকে অতপৰ নিঃশব্দে বাট

চাই আছিল। চকুত পৰা মাত্ৰকে যেন এটা ইঙ্গিত দি দিলে। বিৰাজে হঠাৎ ভীষণ কণ্ঠে কৈ উঠিল "সাধুপুৰুষ! মোৰ হাতে পানীটোপাকে নেখায়! কিন্তু সেই পাপিষ্ঠটোৱে খাবতো! ৰাৰু!" কমাৰৰ ভঁাটিৰ মুখেদি জ্বলন্ত কয়লা যেনেকৈ জ্বলি পুৰি ছাই হয়, বিৰাজৰ জ্বলি থকা মস্তিষ্কৰ আগত পৰি তেওঁৰ অমূল্য অতুলনীয় হিয়াখনো সেইদৰে জ্বলিপুৰি ভস্ম হৈ গ'ল।

তেওঁ স্বামী পাহৰিলে, ধৰ্ম্ম পাহৰিলে, মৰণ পাহৰিলে, সকলো পাহৰি সিপাৰৰ ঘাটলৈ চাই থাকিল। আকৌ কড় কড় শব্দ কৰি আন্ধাৰৰ বুকু ফালি দি বিজুলী জ্বলি উঠিল, তেওঁৰ মেলি থকা চকু সঙ্কুচিত হৈ নিজৰ ওপৰত পৰিল; এবাৰ মুখ বঢ়াই পানীৰ ফালে চালে, এবাৰ ডিঙি ঘূৰাই ঘৰৰ ফালে চালে, তাৰ পাছত লঘুহাতেৰে নিজৰ হাত ভৰিৰ বান্ধোন খুলি বনৰ ভিতৰত অদৃশ্য হৈ গ'ল। তেওঁৰ দ্ৰুত পদশব্দত বনৰ কত কি আঁতৰি গ'ল তাক লক্ষ্যকে নকৰি সুন্দৰীৰ ঘৰৰ ফালে খোজ ল'লে। তাইৰ ঘৰ পঞ্চানন ঠাকুৰতলীত; পূজা দিবলৈ বুলি বিৰাজ ইয়ালৈ বহুতবাৰ আহিছে। এই গাঁৱৰ বোৱাৰী হলেও সৰুৰে পৰা এই গাঁৱৰ বাটপথ সকলো চিনি পায়। অলপ সময়ৰ ভিতৰতে আহি সুন্দৰীৰ ঘৰ পালেহি। ইয়াৰ দুঘণ্টামান পাছত কাঙালী ডোমে তাৰ নাওখন সিপাৰলৈ উটাই দিলে। পইচাৰ লোভত সি বহুত দিনেই সুন্দৰীক সিপাৰে থৈ আহিছে আজি নিশাও যাবলৈ ধৰিলে, আজি জানিবা এজনীৰ ঠাইত তিৰোতা দুজনী! এন্ধাৰত বিৰাজৰ মুখখন নেদেখিলে, আৰু

দেখিলেও চিনিব নোৱাৰিলেহেতেন। তেওঁলোকৰ ঘাটৰ ওচৰেদি যাওঁতে এন্ধাৰ তীৰত দীৰ্ঘ দেহা এটা বৈ থকা অস্পষ্টকৈ দেখিলে, দেখি বিৰাজে চকু দুটা মুদি পেলালে। সুন্দৰীয়ে মনে মনে সুধিলে "কোনে এনেকৈ মাৰিলে আইদেউ?" বিৰাজে অধীৰ হৈ ক'লে "মোৰ গাত তেওঁৰ বাহিৰে আৰু কোনে হাত তুলিব পাৰে সুন্দৰী? তই যে তাকেই বাৰে বাৰে সুধি আছ?" সুন্দৰী অপ্ৰতিভ হৈ মনে মনে থাকিল। ইয়াৰ আৰু দুঘণ্টামান পাছত এখন সুন্দৰকৈ সজোৱা নাও চলাবলৈ ধৰোঁতেই বিৰাজে সুন্দৰীৰ ফালে চাই সুধিলে, "তই লগত নেযাৱ নেকি?"

"নাই আইদেউ, মই ইয়াত নেথাকিলে মানুহে সন্দেহ কৰিব; আইদেউ যোৱা, ভয় নকৰিবা, আকৌ দেখা হ'ব!" বিৰাজে আৰু একো নক'লে। সুন্দৰী কাঙালীৰ নাৱত ঘৰলৈ উভতিল। জমিদাৰৰ নাওখনে বিৰাজক লৈ ঘাট এৰি ত্ৰিবেণীৰ ফালে যাবলৈ ধৰিলে। বতাহৰ হো-হোৱনিয়ে বঠাৰ শব্দ নাইকিয়া কৰি পেলালে, দূৰত এঠাইত বহি ৰাজেন্দ্ৰই মদ খাবলৈ ধৰিলে, বিৰাজে এমূৰে পাষাণ মুৰ্ত্তিৰ দৰে পানীলৈ চাই বহি থাকিল। আজি ৰাজেন্দ্ৰই মদ সৰহকৈ খাইছিল। মদৰ ৰাগীয়ে গাৰ তেজ গৰম কৰি মগজু উন্মত্ত কৰি আনিছিল, নাওখন গৈ সাতগাওঁৰ সীমা এৰাৰ লগে লগে তেওঁ ওচৰত আহি বহিলহি। বিৰাজৰ ৰুক্ষ চুলি মেল খাই আছিল, ওৰণি গৈ কান্ধত পৰি আছিল। একোতেই তেওঁৰ চৈতন্য নাই। কোন আহিল, আহি কাষত বহিল তাৰ পিনে ভ্ৰূক্ষেপকে নকৰিলে। কিন্তু ৰাজেন্দ্ৰৰ ই কি হ'ল?

অকলে কোনোবা ভয়ঙ্কৰ ঠাইলে গৈ মানুহৰ মনত যিদৰে ভূতপিশাচৰ ভয়ে তোলপাৰ লগাই দিয়ে, তেওঁৰ মনতো সেইদৰে এটা ভয়ৰ ধুমুহা বব'লৈ ধৰিলে। তেওঁ বিৰাজলৈ চাবলৈকে ব'ল, মাতিবৰ সাহ নহ'ল। অথচ এইজনী তিৰোতাৰ কাৰণেই তেওঁ কৰা নাই কি? দুবছৰে ক্ৰমাগত মনে মনে এওঁকেই অনুসৰণ কৰি ফুৰিছে; নিদ্ৰা আৰু জাগৰণত ধ্যান কৰি আহিছে, চকুৰ দেখা এটা পাবলৈ আহাৰ নিদ্ৰা ত্যাগ কৰি হাবিয়ে বনে লুকাই ফুৰিছে! সপোনৰ অগোচৰ এই কথাটো আজি সুন্দৰীয়ে যেতিয়া আহি টোপনিৰ পৰা জগাই কাণে কাণে ক'লেহি তেওঁ ইমান অভিভূত হৈ পৰিল যে এই সৌভাগ্যৰ কথাটো বহুপৰলৈকে হৃদয়ঙ্গম কৰিবকে নোৱাৰিলে।

আগফালৰ নৈখন বেঁকাবেকি হৈ যোৱাত দুইপাৰৰ বাঁহ গছ, পুৰণা বটগছ আৰু আন আন গছৰ ডাল আৰু পাতেৰে ঠাইখন বৰ এন্ধাৰ কৰি পেলালে। নাওখন এইখিনি ঠাই পোৱাৰ লগে লগে ৰাজেন্দ্ৰই কোনোমতে সাহ কৰি ক'লে "তুমি—আপুনি, আপুনি ভিতৰত গৈ বহকগৈ—গছৰ ডালবোৰ গাত লাগিব!" বিৰাজে মুখ ঘূৰাই চালে, সমুখত সৰু চাকি এটা জ্বলি আছিল। তাৰ ক্ষীণ পোহৰত চকুৱে চকুৱে পৰিল, আগতেও এনেকুৱা হৈছে! সেই সময়ত এই দুৰ্ব্বৃত্তই আনৰ মাটিৰ ওপৰত থিয় হৈ থাকিও সেই দৃষ্টি সহ্য কৰিব পাৰিছিল; কিন্তু আজি নিজৰ অধিকাৰৰ ভিতৰত, নিজে মদৰ ৰাগীত টং হৈ থকা স্বত্ত্বেও সেই চাৱনিৰ আগত মূৰ তুলি থ'ব নোৱাৰিলে, সি আপোনা আপুনি

দোঁ খাই আহিল। কিন্তু বিৰাজে চায়েই থাকিল। তেওঁক ইমান ওচৰতে পৰপুৰুষ এজন বহি আছে অথচ মুখৰ ওপৰত ওৰনিখনো নাই। এই সময়ত নাওখন ঘোৰ বনৰ মাজত সোমাল, নাৱৰীয়াবোৰে বঠা এৰি ডালপাতবোৰ গুচোৱাত লাগিল। নৈখনো ঠেক বাটেদি যাব লগা হোৱাত সোঁতৰ কোব খুব বেচি বাঢ়িল। "হেই সাৱধান" এইবুলি ৰাজেন্দ্ৰই সিহঁতক সতৰ্ক কৰি দি বিৰাজক উদ্দেশ্য কৰি ক'লে "ইয়াত ক'ৰবাত দুখ পাব, ভিতৰলৈ আহক" কোৱাৰ লগে লগে নিজে ভিতৰ সোমাল। বিৰাজে মোহাচ্ছন্ন, যন্ত্ৰচালিতৰ দৰে পিছে পিছে সোমাবলৈ আহি "আই ঐ" বুলি অকস্মাৎ চিঞৰি উঠিল। সেই চিঞৰ শুনি ৰাজেন্দ্ৰ চক্ খাই উঠিল। চাকিৰ অস্পষ্ট পোহৰত বিৰাজৰ চকু, তেজলাগি থকা শিৰৰ সেন্দুৰ, চামুণ্ডা গোসাঁনীৰ ত্ৰিনয়নৰ দৰে জ্বলি উঠিছে। মাতাল ৰাজেন্দ্ৰই জুইৰ ওচৰৰ পৰা আহত কুকুৰৰ দৰে ভয়ত আঁতৰি থিয় হ'ল। মানুহে নেদেখাকৈ ভৰিৰ তলত এন্ধাৰত ক্লেদাক্ত শীতল আৰু পিছল সৰীসৃপ গছকিলে যিদৰে জপিয়াই উঠে বিৰাজো সেইদৰে উফৰি আহি বাহিৰত পৰিলহি, পানীৰ ফালে এবাৰ চাই লৈ "আই ঐ মই কি কৰিলোঁ" বুলি এন্ধাৰত অতল পানীত জাপ দি পৰি গ'ল।

নাৱৰীয়াবোৰে চিঞৰি লৰধাপৰ কৰি নাও লুটিয়াই পেলাব খুজিলে; তাৰ বাহিৰে আন একো কৰিব নোৱাৰিলে। সকলোৱে প্ৰাণপণে চাই থাকিও এন্ধাৰত একো দেখা নেপালে। কেৱল

ৰাজেন্দ্ৰই অকণো লৰচৰ নকৰিলে। নিছা কেতিয়াবাই গৈছিল যদিও বৈয়েই থাকিল। অলপ পাছত সোঁতৰ কোবত নাও নিজে নিজে বাহিৰ আহি পোৱাত নাৱৰীয়াই সুধিলে "বাবু কি কৰা যাব? পুলিচক খবৰ দিব লাগিব নহয়?" ৰাজেন্দ্ৰই তাৰ মুখলৈ কিছু সময় চাই থাকি ভগা ভগা মাতেৰে ক'লে "কিয়, জেললৈ যাব খুজিছ নেকি? গদাই, যেনেকৈ পাৰ পলা!" গদাই পুৰণা মানুহ, বাবুক ভালকৈয়ে চিনি পায়, আন সকলোৱেও জানে, সেইবাবেই ঘটনাটো আগৰ পৰাই কিছু অনুমান কৰি ল'ব পাৰিছিল। এই ইঙ্গিতটো পোৱাৰ লগে লগে চকুৰ আগত সকলো খোলোচা হৈ পৰিল। আন এটাইকে মাতি আনি মনে মনে কিবা আদেশ দিয়াৰ লগে লগে নাওখন তীৰবেগে অদৃশ্য হৈ গ'ল। কলিকতাৰ ওচৰ পাইহে ৰাজেন্দ্ৰই কিছু তৎ পালে। ঘোৰা ৰাতি এন্ধাৰত মুখামুখিকৈ বহোঁতে দেখা চকুকিটাৰ কথা মনত পৰি আজি দিনৰ বেলিকা ইমান দূৰত থাকিও গা চম্‌চম্ কৰিবলৈ ধৰিলে। তেওঁ মনে মনে নিজৰ কাণ মলি ক'লে "এই জীৱনত এনে কাম আৰু নকৰোঁ!" কিহৰ ভিতৰত যে কি সোমাই থাকে তাক কোনে জানে? পাগলী জনীয়ে যে কালি প্ৰাণটো আধ্যা কৰি নেপোলালে তাকেই পৰম ভাগ্য বুলি ভাবিলে, আৰু কোনোদিনেই সেই ফাললৈ যোৱাৰ আশা নিৰ্ম্মূল হৈ গ'ল।

ইমান দিনে তেওঁ মুৰ্খ কুলটাক লৈয়েই ধেমালি কৰি আছিল, সতী বোলা বস্তুটোনো কি তাক নেজানিছিল। আজি পাপিষ্ঠৰ

কলুষিত জীৱনত প্ৰথম চেতনা হ'ল, বাহিৰৰ ভেলটো লৈ খেলা কৰিব পাৰি কিন্তু জীৱন্ত বিষধৰ এটা ইমান ডাঙৰ জমিদাৰ পুত্ৰৰ পক্ষেও খেলাৰ সামগ্ৰী হ'ব নোৱাৰে।

পোন্ধৰ

সেইদিনা আবেলি যিজনী তিৰোতাই বিৰাজৰ মুৰশিতানত বহি আছিল, তাইক সুধি লৈ বিৰাজে গম পালে, তেওঁ হুগলীৰ হাস্পাতালত আছে। বহুতদিন বাত আৰু কফ আদিৰ বিকাৰৰ পাছত যেতিয়া তেওঁৰ হুঁচ আহিলে তেতিয়াৰ পৰা নিজৰ কথাবোৰ মনত পেলাবলৈ চেষ্টা কৰিলে। এটা এটাকৈ বহুত কথা মনলৈ আহিল। এদিন বাৰিষাৰ ৰাতি গিৰিয়েকে সতীত্বৰ ওপৰত কটাক্ষ কৰিছিল। তেওঁৰ ৰোগত জৰ্জ্জৰিত, উপবাসত অৱসন্ন দেহাই আৰু নিৰ্ম্মল মনটোৱে সেই নিদাৰুণ অপবাদ সহ্য কৰিব নোৱাৰিলে। দুখকষ্ট পাই বহুতদিনৰ পৰাই তেওঁ হয়তো বলিয়া হৈ যাবলৈ ধৰিছিল।

সেইদিনা অভিমান আৰু ঘৃণাত স্বামীৰ মুখ আৰু নেচাওঁ বুলি ভাবি সকলো মায়া এৰি নৈত মৰিবলৈ আহিছিল কিন্তু নমৰিল। তাৰপাছত জ্বৰ আৰু বিকাৰৰ ঘোৰত নাৱত উঠি আধাবাটতে তাৰপৰা জাপমাৰি পানীত পৰিছিল। পানীৰ পৰা কোনোমতে সাঁতুৰি আহি পাৰত উঠেহি, তিতা কানিকাপোৰেৰে ওৱে নিশা অকলে অকলে বহি থাকি জ্বৰত

কঁপি আছিল, ইয়াৰ পাছত কেনেবাকৈ কোনোবা গৃহস্থৰ দুৱাৰ মুখত আহি শুই পৰিছিলহি। ইমানখিনিলৈকেহে তেওঁৰ মনত পৰে, আৰু মনত পৰে তেওঁ আজি গৃহত্যাগিনী কুলটা— পৰপুৰুষক আশ্ৰয় কৰি গাঁৱৰ বাজ হৈ আহিলে। ইয়াৰ পাছৰ কথাবোৰ আৰু ভাবিব নোৱাৰে আৰু ভাবিবলৈ ইচ্ছাও নকৰে! বিৰাজৰ গা ক্ৰমে ভাল হৈ আহিল. উঠি বহিব আৰু খোজ কাঢ়ি ফুৰিব পৰাও হ'লহি, কিন্তু ভৱিষ্যতৰ চিন্তাৰ পৰা নিজক একেবাৰে আঁতৰাই থ'ব খুজিলে। ভৱিষ্যতৰ কথাটো ভালকৈ অনুভৱ কৰিব পাৰিছিল যদিও তাৰ আগত তৰিথোৱা আঁৰ কাপোৰখনৰ চুক এটা তুলি চোৱাৰ কথা ভাবিলেও তেওঁৰ ভয়ত গোটেই শৰীৰ শিয়ঁৰি উঠে, অৱশ দেহাটো যেন মূৰ্চ্ছিত হৈ পৰিব খোজে! আঘোন মহীয়া পুৱা এটাত সেই তিৰোতাজনী আহি ক'লে "এতিয়া ভাল হৈ আহিছাঁ, আন ঠাইলৈ যাব লাগিব।" "বাৰু" বুলি কৈ বিৰাজ মনে মনে থাকিল। তিৰোতাজনী হাস্পাতালতে কামকৰা মানুহ। তাই বিৰাজক দেখিয়েই বুজি পাইছিল, সম্ভৱতঃ এই বেমাৰীজনীৰ আত্মীয়স্বজন কেৱে নাই; তাই আকৌ ক'লে "খং নকৰিবা আই, এটা কথা তোমাক সুধি চাওঁ; যিবিলাকে তোমাক ইয়াত থৈ গৈছিলহি, তেওঁবিলাকে তোমাক চাবলৈতো আৰু নাহিল? তোমাৰ আপোন মানুহ নহয় জানো?" বিৰাজে ক'লে "তেওঁলোকক মই কেতিয়াও চকুৰে দেখা নাই। এদিন বাৰিষা ৰাতি মই ত্ৰিবেণীৰ ওচৰতে ডুবিছিলোঁ, তেওঁলোকে মোক দয়া কৰি ইয়াত

থৈ যাব পায়!” “ওঃ পানীত ডুবি গৈছিলা? তোমাৰনো ঘৰ ক'ত?” বিৰাজে মোমায়েকৰ ঘৰৰ ঠিকনা দি ক'লে “মই তালৈকে যাম, মোৰ তাত আপোন মানুহ আছে।” তিৰোতাজনী বয়সীয়া আছিল, বিৰাজৰ অৱস্থা দেখি তাইৰ কিছু মৰমো হৈছিল, ক'লে “তালৈকে যোৱা গৈ আই, অলপ সাৱধানে থাকিবা, দুদিনতে আকৌ গা ভাল হৈ যাব!” বিৰাজে অলপ হাঁহি ক'লে “আৰু নো কি ভাল হ'ম আই? এই চকুটোও আৰু ভাল নহয়, এই হাতখনো নহয়!” বেমাৰত তেওঁৰ বাওঁচকু আৰু বাওঁহাতখন বেয়া হৈ গৈছিল। তিৰোতাজনীৰ চকুজোৰা পানীৰে ভৰি পৰিল, ক'লে “ক'ব নোৱাৰি আই, ভাল হ'বও পাৰে!” পাছদিনা খন তাই নিজৰ জাৰকাপোৰ এখন আৰু অলপ ক্ৰিবাকিবি দি গ'ল। বিৰাজে সেইবোৰ লৈ বাহিৰলৈ আহিব খুজি, হঠাৎ আকৌ ফিৰি আহি ক'লে “মই মুখখন এবাৰ চাব খোজোঁ, এখন আয়না যদি”—“আছে আই, আয়না মই এতিয়াই আনি দিম!” এইবুলি তিৰোতাজনীয়ে ভিতৰলৈ গৈ আয়না এখন আনি দি তাৰপৰা আঁতৰি গ'ল। বিৰাজে আয়না হাতত লৈ আকৌ এবাৰ নিজে শোৱা খাটখনৰ ওপৰত বহিলে গৈ! নিজৰ চেহেৰাটো আয়নাত দেখাৰ লগে লগে ঘিণত অন্তৰখন ভৰি উঠিল। আয়নাখন পেলাই দি বিছনাৰ ওপৰত মুখ ঢাকি কান্দি উঠিল। মুৰৰ চুলিবোৰ খুৰোৱা—“ইমান কোছা চুলি গ'ল ক'লৈ? গোটেই মুখখন ইমান ক্ষতবিক্ষত কৰিলে কোনে?' পদুমখাহিৰ দৰে চকুৰ অৱস্থা কি হ'ল?

ফেঁচা সোণ যেন বৰণ কোণে হৰি নিলে? ভগৱান! কিয় ইমান গুৰুদণ্ড বিহিলা? কেতিয়াবা দেখা হ'লে এই মুখ কেনেকৈ দেখুৱাম?” দেহাত প্ৰাণ থাকে মানে আশা নমৰে! সেই কাৰণেই বোধহয় তেওঁৰ অন্তৰৰ ক্ষীণ আশা এটা তেতিয়াও মাৰ যোৱা নাছিল। “ভগৱান! সেই আশাটো এইদৰে নিৰ্ম্মূল কৰি দিলা কিয়?” জ্ঞান ফিৰি পোৱাৰ পিছত, ৰোগশয্যাত শুই বিৰাজে যেতিয়া স্বামীৰ মুখখন চকুৰ আগত উজ্জ্বল ভাবে দেখিছিল তেতিয়া কেতিয়াবা মনলৈ আহিছিল, তেওঁ যি কাম কৰি পেলালে তাকতো অজ্ঞান অৱস্থাতহে কৰিছিল, তথাপি সেই অপৰাধৰ কোনো ক্ষমা নাই নেকি? সকলো পাপৰে প্ৰায়শ্চিত্ত আছে, ইয়াৰ নাই জানোঁ? অন্তৰ্যামীয়েতো জানে যথাৰ্থ পাপ তেওঁ একো কৰা নাই, যিকণ পাপ হ'ল, অতদিন কৰা স্বামী সেৱাৰ কাৰণে তাৰ খণ্ডন নহ'ব নেকি? কেতিয়াবা আকৌ মনে মনে ভাবিলে “তেওঁৰতো খং মনত নেথাকে, যদি গৈ ভৰিত ধৰি নিজৰ কথাবোৰ সকলো খুলি কওঁ, মোৰ মুখলৈ চাই কি ক'ব বাৰু?” তেতিয়া কিনো কৰিব তাৰ কল্পনাটোকে নানাভাবে মনত আঁকি লৈ কত ৰাতি সাৰ পাই কটাইছে, টোপনিত চকু মুদ খাই আহিলে চকুত পানী সানি আকৌ নতুন ভাবে ভাবিবলৈ বহিছে! হায় ভগৱান! তেওঁৰ সেই ৰঙীন কল্পনাটো কিয় এনেদৰে চূৰমাৰ কৰি দিলা? এই চেহেৰা লৈ তেওঁ স্বামীৰ ভৰিত উবুৰি খাই পৰি আকৌ কেনেকৈ মুখ তুলি চাব? কোঠাটোত আৰু এজনী বেমাৰী আছিল, বিৰাজক

কন্দা দেখি আচৰিত হৈ সুধিলে "কি হ'ল তোমাৰ? কিয় কান্দিছা?" হায়ৰে আন মানুহেও বিৰাজৰ কান্দোনৰ অৰ্থ জানিব খোজে? বিৰাজে লৰালৰিকৈ চকু মোহাৰি, কোনোফালে নেচাই তাৰপৰা লাহে লাহে ওলাই গুচি গ'ল। সেইদিনা বিৰাজে লোকেলোকাৰণ্য ৰাজপথেদি ক্লান্ত অৱসন্ন চৰণ দুটা আগত পৰি থকা গোটেই জীৱনযাত্ৰাৰ পথত আগবঢ়াই দিলে। তেওঁৰ বুকু ভেদি হুমুনিয়া এটা ওলাই আহিল। মনে মনে ক'লে "ভগৱান! হয়তো ভালেই হ'ল! এইবাৰৰ পৰা আৰু কোনেও মোৰ ওপৰত চকু নিদিব! এই যাত্ৰাৰ কাৰণে এই মুখ এই চকুৰেই উপযুক্ত।"

গাৱঁৰ মানুহে তেওঁক গৃহত্যাগিনী কুলটা বুলি জানিছে সেইবাবে যিখন মুখ গাৱঁত আৰু স্বামীৰ আগত দেখুৱাব নোৱাৰা হ'ল, সেইখনৰ অৱস্থা এনেকুৱা হোৱাটোও মঙ্গলেই হে! বিৰাজে বাটেৰে আগুৱাই গ'ল।

ষোল

কিমান দিন পাৰ হৈ গ'ল। প্ৰথমে বিৰাজে দাসীৰ কাম কৰিবলৈ লৈছিল কিন্তু শৰীৰ অসুস্থ দেখি গৃহস্থই বিদায় দিলে। তেতিয়াৰ পৰা ভিক্ষাবৃত্তিকে আকোৱালি ল'লে। বাটে বাটে মাগি ফুৰি গছতলত ৰান্ধে আৰু গছতলতে শুই থাকে। বৰ্ত্তমানৰ জীৱনটোত অতীতৰ লেশমাথোন চিনো বিচাৰি পাবলৈ টান। বিৰাজৰ গাত শতছিন্ন কাপোৰ, মুৰৰ চুলিবোৰ সৰু সৰু জটা বন্ধা, মাগিপোৱা ফটা কথাখন গাৰ বৰণৰ লগত মিলি পৰিছে, অথচ মাত্ৰ এতিয়া পঁচিশ বছৰ বয়স হৈছে। আজিৰ এই দেহাৰ তুলনা এদিন স্বৰ্গতো বিচাৰি পোৱা টান আছিল। অতীতৰ পৰা বিচ্ছিন্ন কৰি আনি ঈশ্বৰে তেওঁক নতুনকৈ গঢ় দিছে। নিজেও সকলো পাহৰি পেলাইছে! কেৱল দুটা কথা পাহৰিব পৰা নাই। "দিয়া" বুলি ফুটাই এতিয়াও ভালকৈ মাগিব নোৱাৰে, কথাষাৰ কোৱাৰ লগে লগে মুখলৈ তেজ উঠি আহে! আৰু এইটোও পাহৰিব নোৱাৰে যে তেওঁ বহুত দূৰত গৈ মৰিব লাগিব! মৰণৰ সেইকণ ঠাই কতদূৰত নেজানিলেও এইটো জানে যে তেওঁ কোনোবা দূৰণিত থকা সেই ঠাইখনৰ কাৰণেই বাটকুৰি বাই গৈছে! তেওঁৰ এইটো অৱস্থা স্বামীক কোনোমতেই দেখুৱাব নোৱাৰে, দোষ যিমান কমেই হক তেওঁৰ এই দশা দেখি স্বামীৰ বুকু ফাটি যাব এই কথা ভালদৰে বুজি পাই কাৰণেই তেওঁ দূৰৰ পৰা আৰু দূৰলৈ আঁতৰি যাবলৈ

ধৰিলে। এবছৰ এই দৰে বাটে বাটে অনাই বনাই ফুৰিছে কিন্তু ক'ত আছে তেওঁৰ সেই অপৰিচিত গম্যস্থান? কোনডোখৰ মাটিৰ বুকুত তেওঁৰ এই লজ্জাহত, তপ্তমূৰটো থৈ লাঞ্ছিত জীৱনটোক নিঃশব্দে শেষ কৰি দিব পাৰিব? আজি দুদিন ধৰি উঠিব নোৱাৰা হৈ গছ এজোপাৰ তলত পৰি আছে। লাহে লাহে বেমাৰ আকৌ বাঢ়ি আহিছে—কাহ জ্বৰ আৰু বুকুৰ বিষ! দুৰ্ব্বল শৰীৰ আৰু নবিয়াত পৰি হাস্পাতাললৈ গৈছিল ভাল হ'বলৈ নৌ পাওঁতেই আকৌ ইমানখিনি পথশ্ৰম, অনশন আৰু অৰ্দ্ধাশন! গাত বল থকাৰ বাবেই আজিলৈকে বাঁচি আছে কিন্তু আৰু নোৱাৰিব কিজানি! আজি চকু মুদি থাকি ভাবিবলৈ ধৰিলে, এই গছতলেই তেওঁৰ লক্ষ্যস্থান নেকি? এই ঠাইখনৰ কাৰণেই কি তেওঁ অত দেশ অত বাট অবিশ্ৰাম আহিলে? তেওঁ আৰু উঠিব নোৱাৰিব নেকি? বেলি পৰি আহিল। গছৰ আগৰ পৰা সূৰ্য্যৰ শেষ ৰাঙলী কিৰণ আঁতৰি গ'ল, গাওঁত বজোৱা শঙ্খৰ মাত আহি কাণত পৰিলহি, লগে লগে গৃহলক্ষ্মীবোৰৰ শান্ত মঙ্গলময়ী মুৰ্ত্তিবোৰ চকুৰ আগত ভাহি উঠিল। এতিয়া কোনে কি কৰিছে, কেনেকৈ চাকি জ্বলাইছে, হাতত চাকি লৈ ক'ত ক'ত দেখুৱাই ফুৰিছে, ডিঙিত আঁচল মেৰিয়াই লৈ প্ৰণাম কৰিছে, তুলসীগুৰিত চাকি থৈ কোনে কি কামনা ঈশ্বৰৰ আগত নিবেদন কৰিছে—সকলোবোৰ তেওঁ চকুৰে দেখিবলৈ আৰু কাণেৰে শুনিবলৈ ধৰিলে। বিৰাজৰ বহুদিনৰ মূৰত চকুলৈ পানী আহিল। কত যুগ যেন পাৰ হৈ গৈছে.

তেওঁ কোনো ঘৰত চাকি দিবলৈ পোৱা নাই, কাৰো কাৰণে ঈশ্বৰৰ চৰণত দীৰ্ঘায়ু কামনা কৰি সেৱা জনোৱা নাই। এইবোৰ চিন্তা তেওঁ পৰাপক্ষত মনৰ পৰা আঁতৰাই থয়, আজি কিন্তু আৰু নোৱাৰিলে। শঙ্খৰ মাত শুনাৰ লগে লগে তেওঁৰ ক্ষুধিত, তৃষিত হৃদয়ে একো বাধা নেমানি গৃহলক্ষ্মীবোৰৰ লগত গৈ থিয় দিলে গৈ। তেওঁৰ মানসপটত প্ৰতি ঘৰ দুৱাৰ, প্ৰতিখন চোতাল, বন্ধাই থোৱা তুলসী ভেটি, প্ৰতিটো চাকি যেন একাকাৰ হৈ গ'ল, এইবোৰতো সকলো তেওঁৰ পৰিচিত; সকলোৰে মাজত যে তেওঁৰ হাতৰ চিনো আছে! তেওঁৰ আৰু দুখ নেথাকিল, ভোক-পিয়াহ গুচি গ'ল, তন্ময় চিত্তেৰে গৃহলক্ষ্মীবোৰৰ পাছে পাছে অনুসৰণ কৰিবলৈ ধৰিলে। যেতিয়া তেওঁলোক বান্ধিবলৈ সোমাল, তেৱোঁ লগে লগে গ'ল। ৰান্ধি এটাই গিৰিয়েক-হঁতক খাবলৈ দিওঁতে তেওঁ চাই থাকিল, তাৰ পাছত সকলো কামৰ শেষত ৰাতি বহুত হওঁতে বধুবোৰে যেতিয়া আহি নিদ্ৰিত স্বামীৰ বিছনাৰ কাষত ব'লহি, তেৱোঁ কাষলৈ আহি হঠাৎ শিহৰি উঠিল "এইয়া যে তেওঁৰেই স্বামী।" বিৰাজৰ আৰু চকুৰ পচাৰ নপৰিল একেথৰে নিদ্ৰিত স্বামীৰ মুখলৈ চাই চাই ওৰে নিশাটো কটাই দিলে। ঘৰ এৰি অহাৰ পৰা আজিলৈকে তো এদিনাও তেওঁৰ কাষলৈ অহা নাই? আজি তেওঁৰ ভাগ্যত কি অসহ্য সুখ! নিদ্ৰা, জাগৰণ, তন্দ্ৰা আৰু সপোনত ই কি মধুৰ নিশিযাপন! বিৰাজ চঞ্চল হৈ উঠি বহিল। পূবফাল তেতিয়াও ফৰকাল হৈ উঠা নাই. জোনাকৰ পোহৰ আহি গছতলত তেওঁৰ কেউফালে

শেৱালীফুলৰ দৰে পৰি আছিল। তেওঁ ভাবিবলৈ ধৰিলে "মই যদি অসতীয়েই হওঁ, তেনে কিয় আহি তেওঁ এইদৰে দেখা দিব?" তেওঁৰ পাপৰ প্ৰায়শ্চিত্ত অতদিনে শেষ হ'ল নেকি? আৰু সেই কথাটো জনাই দিবলৈকে আজি দেখা দিলেহি নেকি? যদি সেয়ে হয় আৰুতো তেওঁ ক'তো এক মুহুৰ্ত্ত পলম কৰিব নোৱাৰে? ৰাতিপুৱাবলৈ বিৰাজে বাট চাই থাকিল। আজিৰ নিশাই তেওঁৰ ৰুদ্ধ দৃষ্টি মুকলি কৰি দি আটাইবোৰ আনন্দ আৰু মাধুৰ্য্যেৰে ভৰাই দি গ'ল। দেখা হক্ বা নহক্ আৰু কোনেও তো তেওঁক স্বামীৰ পৰা আঁতৰাই থ'ব নোৱাৰে। এইদৰেই যদি স্বামীক পোৱাৰ উপায় আছিল তেনে বৃথাই ইমান দিন কিয় তেওঁৰ পৰা আঁতৰি থাকি ইমান দুখ যাতনা পালে? এই ত্ৰুটিৰ কথা ভাবি তেওঁৰ অন্তৰত এটা গভীৰ বেদনাই বাৰে বাৰে আঘাত কৰিবলৈ ধৰিলে। আজি কিহৰ পৰা ক'ব নোৱাৰি তেওঁৰ এটা স্থিৰ বিশ্বাস হ'ল যে তেওঁক স্বামীয়ে মাতিছে! বিৰাজে দৃঢ় কণ্ঠে ক'লে "ঠিকেই তো! এই দেহাটো জানো মোৰ যে তেওঁৰ বিনা অনুমতিত এইদৰে তাক নষ্ট কৰি পেলালোঁ? বিচাৰৰ অধিকাৰ মোৰতো নাই তেওঁৰ হে! যি কৰিব লাগে তেৱেঁই কৰিব নহয়, মই সকলো কথা তেওঁৰ চৰণত নিবেদন কৰি ছুটী ল'ম।" এইবাৰ বিৰাজ উভতিল। আজি তেওঁৰ শৰীৰ লঘূ, ভৰি যেন মাটিত নপৰি-বই, মন পৰিপূৰ্ণ, ক'তো অকনো গ্লানি নাই। গৈ থাকোতে বাৰে বাৰে তেওঁ ভাবিবলৈ ধৰিলে "ই কি ভুল কৰিলোঁ? ই

কি অহঙ্কাৰে মনত ঠাই লৈছিল? এই কুৎচিৎ মুখ পৃথিবীৰ সকলোকে দেখুৱাবলৈ লাজ নেলাগিল, কেৱল লাজ লাগিল তেওঁক দেখুৱাবলৈ! যাৰ আগত নিজৰ সকলো প্ৰকাশ কৰাৰ অধিকাৰ ন বছৰ বয়সৰ পৰাই বিধতাই দিছিল।”

পুটীয়ে ককায়েকক একমুহূৰ্ত্তৰ কাৰণেও বিশ্ৰাম নিদিয়ে। পূজাৰ সময়ৰ পৰা পুহৰ শেষলৈকে নগৰৰ পাছত নগৰ, তীৰ্থৰ পাছত তীৰ্থ কৰাই লৈ ফুৰিলে। তাই কম বয়সীয়া ছোৱালী, সুস্থ সৱল দেহ, কৌতূহল অসীম, তাইৰ খোজত খোজ মিলাই চলা নীলাম্বৰৰ পক্ষে অসাধ্য—তেওঁ ভাগৰি পৰিলে। কিয় যে মনটোৱে ক’তো অকণো জিৰনি ন’লৈ ঘৰৰ ফালে যাবলৈ প্ৰবল আকৰ্ষণ কৰে তাৰ একো অৰ্থ বিচাৰি নেপায়। গাৱঁত কি আছে? কিয় এনে স্বাস্থ্যকৰ ঠাইত থাকিও ভাল নেলাগে? বোৱাৰীয়েকে মাজে সময়ে পুটীলৈ চিঠি দিয়ে, তাতো বিশেষ একো নেথাকে তথাপি সেই গাৱঁৰ প্ৰতিজোপা গছৰ প্ৰৱল আকৰ্ষণে তেওঁৰ শীৰ্ণ শৰীৰটোক কঙ্কালসাৰ কৰি পেলাবলৈ ধৰিলে। পুটীয়ে বিচাৰে ককায়েকে সকলো পাহৰি আকৌ আগৰ দৰে হক। আগৰ দৰে সুস্থ সবল, সদানন্দময়, আগৰ-দৰেই মুখে মুখে গান, কাৰণে অকাৰণে হাঁহিৰ ভড়াল! কিন্তু ককায়েকে এই সকলো চেষ্টা নিস্ফল কৰিবলৈ ধৰিছে। আগতে তাই সিমান ভবা নাছিল, হতাশ হোৱাও নাছিল, ভাবিছিল আৰু কিছুদিন যক্। কিন্তু এদিন দুদিনকৈ চাৰিমাহ হৈ গ’ল ক’তা একোতো নহ’ল? ঘৰৰ পৰা আহাৰ সময়ত মোহিনীৰ

কথাবোৰে তাইৰ অন্তৰত এটা কৰুণাৰ ভাব জগাই দিছিল, সেইবোৰ কথা বিশ্বাসো কৰিছিল। ককায়েক ভাল হৈ গ'লে সৰুকালৰ কথা ভাবি হয়তো তেওঁ মনে মনে ক্ষমা কৰিব পাৰিলহেতেন। আচলতে বৌৱেকক ক্ষমা কৰিবলৈ আৰু অন্তৰত স্নেহ লৈ স্মৰণ কৰিবলৈ পুটী নিজেও ব্যাকুল হৈ উঠিছিল কিন্তু তাৰ সুযোগ ক'ত? ক'তা ককায়েকতো ভাল হৈ নুঠিল? সংসাৰত কি দুখ থাকিব পাৰে যাৰ কাৰণে এই হেন ককায়েককো এৰি, আঁতৰি যাব পাৰি, এই কথা তাই কোনোমতে ভাবিবই নোৱাৰে। বৌৱেক ভালেই বা বেয়াই হওক পুটীৰ কোনো দৰকাৰ নাই, এই অপৰাধীৰ প্ৰতি তেওঁৰ মনত বিদ্বেষৰ সীমা নাইকিয়া হ'ল; আনফালে সেই দুখুনীৰ বিচ্ছেদ মনে মনে অনুভব কৰি যিজন মানুহে নিজক তিলতিলকৈ ক্ষয় কৰিবলৈ ধৰিছে তেওঁৰ প্ৰতিও পুটী প্ৰসন্ন হ'ব নোৱাৰিলে। এদিন ৰাতিপুৱা মুখখন গোমোৰাকৈ তাই ক'লেহি "ককাইদেউ, ব'লা ঘৰলৈ যাওঁগৈ!" নীলাম্বৰ কিছু আচৰিত হৈ ভনীয়েকৰ ফালে চালে; কাৰণ মাঘমাহটো তেওঁলোকে প্ৰয়াগতে কটোৱাৰ কথা আছিল। পুটীয়ে ককায়েকৰ মনৰ ভাব বুজিলে। বুজি পেলাই ক'লে "ইয়াত আৰু এদিনো থাকিবৰ মন নাই, কাইলৈকে যাব লাগিব।" তাইৰ কষ্ট ভাবটো দেখি ককায়েকে অলপ বিষণ্ণ ভাবে হাঁহি ক'লে "কিয় মন নাই অ পুটি?" পুটীয়ে ইমান পৰে কোনোমতে চকুপানী ৰাখি আছিল, এইবাৰ কান্দি পেলালে। কান্দোনসনা মাতেৰে ক'লে "থাকিনো কি হ'ব

আৰু ? তোমাৰ ভাল লগা নাই, যাওঁ যাওঁকৈ দিনে দিনে শুকাই গৈছা, নাই মই ইয়াত আৰু এদিনো নেথাকোঁ!" নীলাম্বৰে বৰ মৰমেৰে হাতত ধৰি ওচৰত বহুৱাই ক'লে "ফিৰি গ'লেই জানোঁ। আৰু ভাল হ'ম ? মোৰ গা যে আৰু ভাল হ'ব তাৰ আশা নাই পুটি। যাব খুজিছ যদি ব'ল ঘৰলৈকে যাওঁ, তাতে যি হয় হ'ব।" ককায়েকৰ কথা শুনি পুটীয়ে বেছিকৈ কান্দি ক'লে "কিয় তুমি তেওঁক সদায় এইদৰে ভাবি থাকাঁ ? কেৱল ভাবি ভাবিয়েই এনে হৈ গৈছা!" "কোনে ক'লে মই ভাবোঁ বুলি ?" পুটিয়ে তেনেভাবে থাকিয়েই উত্তৰ দিলে, "কোনে ক'ব আৰু, মই নিজেই জানোঁ।!" "তই তেওঁক নেভাব ?" পুটিয়ে চকু মছি উদ্ধতভাবে ক'লে "নাই নেভাবোঁ, তেওঁক ভাবিলে পাপ হয়!" নীলাম্বৰ চক্ খাই উঠিল "কি হয় ?" "পাপ হয়, তেওঁৰ নাম মুখলৈ আনিলে মুখ অশুচি হয়, মনলৈ আনিলে গা ধুব লাগে" এইবুলি কৈ পেলাই আচৰিত হৈ দেখিলে ককায়েকৰ স্নেহ কোমল দৃষ্টি নিমিষতে পৰিবৰ্ত্তিত হৈ গৈছে। নীলাম্বৰে ভণীয়েকলৈ চাই কঠিনভাবে ক'লে "পুটি!" সেই মাত শুনি পুটি অত্যন্ত ভীত আৰু কুণ্ঠিত হৈ পৰিল। তাই ককায়েকৰ বৰ মৰমৰ আছিল, সৰুকালত হেজাৰ দায় দোষ কৰিলেও কাহানিও ককায়েকৰ এনে দৃষ্টি আৰু মাত শুনা নাছিল। এতিয়া ইমান ডাঙৰ হৈও বকনি খাব লগা হোৱাত ক্ষোভ আৰু অভিমানত তলমূৰ কৈ থাকিলে। নীলাম্বৰে আৰু একো নোকোৱাকৈ উঠি যোৱাৰ পাছত তাই চকুত আঁচল

দি কান্দিবলৈ ধৰিলে। দুপৰীয়া ককায়েকে ভাতখোৱা সময়ত তাই ওচৰকে নেচাপিল, আবেলি আনৰ হাতে খোৱাবস্তু পঠাই দিলে। নীলাম্বৰে নেমাতিলে, কথা এটাকে নক'লে। সন্ধ্যা লাগি গৈছে। নীলাম্বৰে আহ্নিক শেষ কৰি সেই আসনখনতে মনে মনে বহি আছে, পুটীয়ে নিঃশব্দে আহি আঁঠু কাঢ়ি লৈ ককায়েকৰ পিঠিত মূৰটো থ'লেহি। এইটো তাইৰ নালিচ জনোৱাৰ ধৰণ। সৰুকালতো কিবা দোষ কৰি বৌয়েকৰ গালি খালে এনেকৈয়ে আহি অভিযোগ কৰিছিল। নীলাম্বৰৰ সেই কথা মনত পৰি চকু চলচলীয়া হৈ উঠিল, মূৰত হাত দি কোমল মুৰত সুধিলে "কি অ আই?" পুটীয়ে পিঠিৰ পৰা উঠি আহি কোলাত মূৰ গুজি কান্দিবলৈ ধৰিলে। নীলাম্বৰে তাইৰ মূৰত হাত থৈ মনে মনে বহি থাকিল। বহুত পৰ কন্দাৰ পাছত তাই লাহে লাহে ক'লে ককাইদেউ, মই আৰু তেনেকৈ নকওঁ!" নীলাম্বৰে তাইৰ চুলিবোৰ লাৰি চাৰি ক'লে "তেওঁ তোৰ গুৰুজন, কেৱল সম্পৰ্কতে নহয় পুটি, মাকৰ দৰে তুলিতালি সাক্ষাৎ মাতৃতুল্য; আনে যিহকে কয় কওক, কিন্তু তোৰ মুখত তেনেকুৱা কথা ওলালে ডাঙৰ অপৰাধ হয়!" পুটীয়ে চকু মছি ক'লে "কিয়নো আমাক এইদৰে পেলাই গুচি গ'ল?" "কিয় যে গ'ল তাক কেৱল মই আৰু যিজন অন্তৰ্যামী তেৱেঁই হে জানে। তেওঁ নিজেও নেজানিছিল, সেই সময়ত বলিয়া হৈ গৈছিল, অলপো জ্ঞান থকা হ'লে আপোনঘাতী হ'ল হেঁতেন, এনে কাম কেতিয়াও নকৰিলেহেঁতেন!"

পুটীয়ে আৰু এবাৰ চকু মছি ভগা মাতেৰে ক'লে "কিন্তু, কিয় এতিয়া আৰু নাহে ককাইদেউ ?" "কিয় নাহে ? আহিবৰ উপায় নাই বাবেই নাহে" বুলি নিছুক জোৰকৈ চম্ভালি ক'লে "মোক যিটো অৱস্থাত এৰি থৈ গ'ল, অলপো উপায় থকা হ'লে ফিৰি আহিলেইহেতেন, এটা দিনো ক'তো নেথাকিলেহেঁতেন ! এই কথাটো তই নিজেই জানোঁ বুজি নেপাৱ ?" পুটিয়ে মুখ ঢাকি লৈ ক'লে "বুজি পাওঁ, ককাইদেউ !" নীলাম্বৰ উদ্দীপ্ত হৈ ক'লে "তাকে ক ভণীটী, তাই আহিবলৈ বিচাৰে কিন্তু নোৱাৰে ! সেইটো যে কিমান ডাঙৰ শাস্তি তাক তইঁতে নেদেখ' কিন্তু চকু মুদিলেই মই দেখোঁ ! আৰু সেইটো দেখি থকাৰ কাৰণেই মই দিনে দিনে এইদৰে ক্ষয় হৈ গৈছোঁ অ, আন একো কাৰণে নহয় !"

পুটীয়ে কান্দি পেলালে। নীলাম্বৰে নিজৰ চকু মছি লৈ ক'লে "তাই কেৱল দুটা আশাৰ কথা মোক যেতিয়াই তেতিয়াই কৈছিল ; এটা আশা শেষ সময়ত যেন মোৰ কোলাত মুৰ থবলৈ পায় আৰু আনটো হ'ল সীতাসাবিত্ৰীৰ নিচিনা হৈ মৃত্যুৰ পাছত তেওঁলোকৰ শাৰীত ঠাই পায়। দুৰ্ভগীয়াৰ সকলো আশা লোপ পালে।" পুটিয়ে মনে মনে শুনি যাবলৈ ধৰিলে। নীলাম্বৰে ৰুদ্ধকণ্ঠ পৰিষ্কাৰ কৰি লৈ ক'লে "তইঁতে সকলোৱে তাইৰ অপবাদ দিয়, হাক দিব নোৱাৰি মই মনে মনে থাকোঁ। কিন্তু ঈশ্বৰৰ আগত কেনেকৈ ফাঁকি দিওঁ কচোন ! তেৱেঁ দেখিছে কাৰ ভুল কাৰ অপৰাধৰ বোজা মুৰত লৈ তাই এইদৰে ডুবি গ'ল ? ক চোন

বাৰু মই তাইক দোষ দিওঁ কেনেকৈ ? আশীৰ্ব্বাদ নকৰি কেনেকৈ থাকোঁ ? নহয় অ ভণীটী সংসাৰৰ চকুত যিমান কলঙ্কিনীয়েই নহওক, তাইৰ বিৰুদ্ধে মোৰ কোনো নালিচ কোনো ক্ষোভ নাই ! নিজ দোষতে তাইক এই জনমত পাইয়ো হেৰুৱালোঁ, ঈশ্বৰে কৰক যেন পাছৰ জনমতো তাইকেই পাওঁ !” তেওঁ আৰু ক’ব নোৱাৰিলে, মাত ধৰি আহিল। পুটীয়ে চকু মছি দিবলৈ আহি নিজেই কান্দি পেলালে। হঠাৎ মনত হ’ল তাইৰ ককায়েক যেন বহুত দূৰলৈ আঁতৰি গৈছে ! কান্দি ক’লে “যলৈকে যাব খোজা, ব’লা ককাইদেউ, মই কিন্তু তোমাক এদিনলৈও এৰিব নোৱাৰোঁ !” নীলাম্বৰে মুখ তুলি এবাৰ হাঁহিলে।

বিৰাজ জগন্নাথৰ বাটেৰে ঘূৰি আহিছিল ! এই বাটেদি যেতিয়া মৰণৰ ঠাই বিচাৰি গৈছিল, সেইটো যোৱা আৰু এই অহাৰ মাজত কিমান প্ৰভেদ ! এতিয়া তেওঁ ঘৰলৈ গৈছে। বাটত দুৰ্ব্বল দেহাটোৰে যত বিশ্ৰাম বিচাৰিবলৈ ধৰিলে, বিৰাজৰ খং তত চৰি গ’ল। কোনো কাৰণে ক’তো অকণো ৰ’বৰ মন আৰু নাই। তেওঁৰ কাহ গৈ যে যক্ষ্মালৈ পৰিণত হৈছিল তাক গম পাইছিল, আৰু সেই বাবেই ভয় হ’ল যদি যোৱা হৈ নুঠে গৈ। সৰুৰে পৰা এটা দৃঢ় ধাৰণা আছিল যে দেহ নিষ্পাপ নহ’লে কোনেও স্বামীৰ ভৰিত মৰিবলৈ নেপায় ! সেই কাৰণে তেওঁ এই দৰে প্ৰমাণ কৰি চাব খুজিলে যে তেওঁৰ প্ৰায়শ্চিত্ত ইমান দিনে সম্পূৰ্ণ হৈ উঠিল নে নাই। এই পৰীক্ষাত উত্তীৰ্ণ হ’ব পাৰিলে তেওঁ মহানন্দে জীৱনৰ সিপাৰে তেওঁলৈ বাট চাই থাকিব। কিন্তু

দামোদৰ নৈৰ এই পাৰে অহাৰ লগে লগে তেওঁৰ হাতভৰি উখহি উঠিল, মুখেৰে বেছিকৈ তেজ ওলাবলৈ ধৰিল, আৰু কোনোমতে ভৰি দুখন চলাব নোৱাৰা হৈ গ'ল। তেওঁ হতাশ হৈ গছ এজোপাৰ তলত বহি ভয়তে কান্দিবলৈ ধৰিলে। ইকি ভয়ানক অপৰাধ যে ইমান কষ্ট কৰিও শেষ আশা পূৰ্ণ নহ'ল? এই জনমৰ আশা গ'লেই, পৰজন্মৰো আৰু আশা নাই তেনেহলে তেওঁ আৰু কি কৰিব? আশা নাই বুলি জানিও গছতলতে পৰি পৰি গোটেই দিনটো হাতযোৰকৈ স্বামীৰ ভৰিত মিনতি জনাবলৈ ধৰিলে।

পাছদিনা তাৰকেশ্বৰৰ ওচৰত কৰবাত হাটবাৰ আছিল। পুৱাৰ পৰা সেইটো বাটেৰে গৰু গাড়ী চলি আছিল। বিৰাজে সাহ কৰি বুঢ়া গাড়োৱান এটাক আবেদন জনালে। গাড়োৱানে তেওঁৰ কান্দোন দেখি মান্তি হ'ল আৰু তাৰকেশ্বৰত আনি নমাই দিলেহি। বিৰাজে মন্দিৰৰ ওচৰৰ এটুকুৰা ঠাইতে পৰি থাকিবলৈ স্থিৰ কৰিলে। ইয়ালৈ কত মানুহ অহা যোৱা কৰি থাকে যদি কোনো উপায়ে সৰুজাকলৈ এটা খবৰ পঠাব পাৰে। কঠিন পীড়িত কত নৰনাৰী, কত কামনা লৈ এই দেৱমন্দিৰৰ কেউফালে পৰি আছেহি, সিঁহতৰ মাজলৈ আহি আজি বিৰাজে মনত অলপ শান্তি পালে। তাহাঁতৰ দৰে নিজৰো ব্যাধি আছে, কামনা আছে, সেইবাবে তেওঁো তাতে নীৰৱে পৰি থাকিব পাৰিব, কাৰো দৃষ্টি আকৰ্ষণ নকৰে বা কাৰো অৰ্থহীন কৌতূহল চৰিতাৰ্থ কৰিব নেলাগে, এইবোৰ ভাবি ইমান দুখতো মনত অলপ শান্তি পালে।

কিন্তু বেমাৰ ক্রমাৎ বাঢ়ি যাবলৈহে ধৰিলে। মাঘ মাহৰ এই দুর্জ্জয় জাৰত আৰু অনাহাৰত ছয়দিন পাৰ হৈ গ'ল কিন্তু আৰু দিন যোৱাটো বোধহয় সম্ভৱ নহ'ব, কোনোৱা অহাৰ সম্ভাৱনাও আৰু নাই। কেৱল মৰণৰ আশাহে থাকিল, তেওঁ তাৰ বাবেই নিচুক সাজু কৰিবলৈ ধৰিলে। সেইদিনা আকাশ ডাৱৰে ঢকা আছিল ; আবেলিৰ লগে লগে এন্ধাৰ হৈ আহিল। সিবেলা মুখেৰে তেজ বহুত ওলোৱা কাৰণে আধামৰা শৰীৰ একেবাৰে ভাগি পৰিছিল। তেওঁ মনে মনে ভাবিলে কিজানি আজিয়েই সকলো শেষ আৰু তেতিয়াৰ পৰা মন্দিৰৰ পাছফালে মুখ ঢাকি পৰি থাকিল। দুপৰীয়া পূজা ভগাৰ লগে লগে আনদিনৰ দৰে উঠি গৈ সেৱা কৰিব নোৱাৰিলে মাটিত পৰি থাকিয়েই সেৱা জনালে।

অতদিনে স্বামীৰ ওচৰত কেৱল মিনতিকে জনাই আছিল। তেওঁ অবোধ নহয়, যি কাম কৰি পেলালে তাত এই জনমলৈ আৰু কোনো দাবী ৰখা নাই, কেৱল যাতে পৰজন্মৰ অধিকাৰকণ নেযায় তাকেহে বিচাৰিছিল। নেজানি কৰা অপৰাধৰ শাস্তিটো যেন এই জন্ম অতিক্রম কৰি পৰজন্ম পর্য্যন্ত নেযায় তাৰ বাবেহে ভিক্ষা মাগি আছিল ; কিন্তু বেলি পৰাৰ লগে লগে তেওঁৰ চিন্তাই হঠাৎ আন এটা বাট ল'লে। ভিক্ষাৰ ভাব অন্তৰত আৰু নেথাকিল, তাৰ ঠাইত বিদ্রোহৰ ভাব এটাই দেখা দিলে। গোটেই অন্তৰ জুৰি এক অপূর্ব্ব অভিমানৰ সুৰ অনির্ব্বচনীয় মাধুর্য্যেৰে বাজি উঠিল। তেওঁ তাতে মগ্ন হৈ থাকি কেৱল মনে মনে

কঁবলৈ ধৰিলে, “কিয় তেনে তুমি কৈছিলা ?” তেওঁৰ পঙ্গু বাঁও হাতখন নজনাকৈ কেতিয়া বাটৰ ওপৰত পৰিছিল গৈ ক’বই নোৱাৰে হঠাৎ হাতখনত বৰকৈ দুখ পাই তেওঁ কেঁকাই উঠিল। এইটো মানুহ অহাযোৱা কৰা বাট। যিজন মানুহে নেদেখাকৈ এই ক্ষীণ অৱশ হাতখন গছকি দিছিল, তেওঁ অতিপাত লাজ পাই আৰু দুঃখিত হৈ ফিৰি আহি তাতে থিয় হৈ ক’লে “ইচ্ তুমি কোন ? কিয় বাটৰ ওপৰত এনেদৰে পৰি আছাঁ ? মই বৰ অন্যায় কৰি পেলালোঁ, বৰ বেছি দুখ পালা নেকি ?” নিমিষতে বিৰাজে মুখৰ পৰা কাপোৰ গুচাই চলে, তাৰ পাছত অস্ফুট শব্দ এটা কৰি মনে মনে পৰি থাকিল। এইজন মানুহ নীলাম্বৰ, তেওঁ এবাৰ অলপ তললৈ চাই আঁতৰি গ’ল। বেলি মাৰ যোৱা কিছু সময় হৈছে। পশ্চিম আকাশত ডাৱৰৰ লেশ নাই, বেলিৰ সোণালী আভা মন্দিৰৰ চূড়াত গছৰ আগত আহি পৰিছিলহি। নীলাম্বৰে কিছু দূৰত বৈ পুটীক ক’লে “ভণীটী সৌ ক্ষীণ মানুহজনীক বৰ গছকিলোঁ। অ’ চা চোন যদি কিবা দিব পাৰ—বোধহয় ভিক্ষুক !” পুটীয়ে চাই দেখে তিৰোতাজনীয়ে তেওঁলোকৰ ফালে একেথৰে চাই আছে। তেওঁ লাহে লাহে ওচৰত আহি থিয় দিলেহি। বিৰাজৰ মুখৰ আধাখিনি কাপোৰে ঢকা আছিল তথাপি যেন আগত ক’ৰবাত দেখা যেন লাগিল। সুধিলে “হয়নে, তোমাৰ ঘৰনো ক’ত ?” “সাত গাঁৱত” এই বুলি কৈ মানুহজনীয়ে, অলপ হাঁহিলে। এই হাঁহিটোৱেই বিৰাজৰ সকলোতকৈ মধুৰ আছিল। এই হাঁহিটো ভুল কৰাৰ শক্তি

সংসাৰৰ কাৰো নাছিল। "দেহি ঐ! এইয়া আমাৰ বৌ দেখোন!" এই বুলি কৈয়েই সেই তিৰোতাজনীৰ ওপৰত উবুৰি হৈ পৰি কান্দিবলৈ ধৰিলে। নীলাম্বৰে দূৰত বৈ চাই আছিল, কথাবাৰ্ত্তা একো নুশুনিলেও সকলো বুজি পালে। তেওঁ ওচৰ চাপি আহিল। এবাৰ তেওঁৰ গোটেই শৰীৰটো চাই লৈ, পাছত শান্তকণ্ঠে ক'লে "ইয়াত এনেকৈ নেকান্দিবি পুটি" বুলি কৈ ঘৈণীয়েকৰ শীৰ্ণ দেহাটো এটা অকণমান শিশুৰ দৰে বুকুত তুলি লৈ বেগাবেগিকৈ নিজৰ ঘৰৰ ফালে খোজ ল'লে।

*　　　*　　　*

ভাল ঠাইত নি চিকিৎসা কৰাবলৈ বিবাজক বহুত সাধ্য সাধনা কৰা হৈছিল, কিন্তু কোনোমতেই ৰাজী কৰাব নোৱাৰিলে। ঘৰ এৰি যাবলৈ বিবাজ আৰু কোনোমতেই মান্তি নহ'ল। নীলাম্বৰে পুটীক এফালে মাতি নি ক'লে "কেইটা দিননো আৰু ভণীটী? য'তে থাকিব খোজে থাকক্, নিছাতে আৰু জোৰ জুলুম নুকৰিবি!" তাড়কেশ্বৰত স্বামীৰ বুকুত মুখ থৈ বিবাজে প্ৰথমে কৈছিল তেওঁক ঘৰলৈ লৈ যাবলৈ, তেওঁক নিজৰ শয্যাত শুৱাই দিবলৈ। ঘৰৰ প্ৰত্যেকটো বস্তুৰ প্ৰতি আৰু স্বামীৰ প্ৰতি তেওঁৰ যে কিমান তৃষ্ণা, তাক যেয়ে দেখে সেয়ে উপলব্ধি কৰি কান্দি পেলায়। দিনৰাতিৰ সৰহভাগ তেওঁ বেহুঁচ হৈ পৰি থাকে, কিন্তু অলপ জ্ঞান আহিলেই ঘৰৰ প্ৰতিটো বস্তু তন্নতন্নকৈ চায়। নীলাম্বৰ বিছনাৰ কাষতে থাকে আৰু সজল চকুৰে প্ৰায়েই ভগবানক প্ৰাৰ্থনা কৰে "বহুত শাস্তি দিলা প্ৰভু! এইবাৰ ক্ষমা কৰা!

পৰকাললৈ যাবৰ সময়ত সংসাৰৰ প্ৰতি থকা এই মোহ গুচাই দিয়া ভগৱান!” গৃহত্যাগিনীৰ গৃহৰ প্ৰতি এই আকৰ্ষণ দেখি নীলাম্বৰে মনে মনে ভীত হৈ উঠে। দুসপ্তাহ হৈ গ'ল, কালিৰ পৰা বিকাবৰ লক্ষণে দেখা দিছে; বিবাজে আজি দিনৰ দিনটো প্ৰলাপ বকি থাকি অলপ আগতে শুই পৰিছিল, সন্ধ্যাৰ পাছত চকু মেলি চালে। পুটীয়ে কান্দি কাটি ভৰিৰ ওচৰত শুই আছিল; জাক শিতানত বহি আছে। তেওঁলৈ চাই সুধিলে “সৰু নহয় নে?” সৰুৱে মুখখন নমাই আনি ক'লে “হয় বাইদেউ, মই মোহিনী!” “পুটী ক'ত?”

জা-কে হাতেৰে দেখুৱাই ক'লে “তোমাৰ ভৰিৰ কাষত শুই আছে!”

“তেওঁ ক'ত?” “সিটো কোঠাত আহ্নিক কৰিছে!” “তেনে মযো কৰোঁ।” এই বুলি চকু মুদি জপ কৰিবলৈ ধৰিলে। বহুত সময়ৰ পাছত সোঁ হাতখন কপালত লগাই নমস্কাৰ কৰিলে, তাৰ পাছত জা-কৰ মুখলৈ কিছুপৰ চাই থাকি লাহে লাহে ক'লে “আজিয়েই যামগৈ কিজানি, কিন্তু ভণীটী আকৌ যেন দেখা হয়, তোক যেন আকৌ এইদৰেই কাষত পাওঁ!” বিবাজৰ সময় যে শেষ হৈ আহিছে তাক কালিৰ পৰা সকলোৱে বুজি পাইছিল, তেওঁৰ কথা শুনি মোহিনীয়ে নিঃশব্দে কান্দিবলৈ ধৰিলে। বিবাজৰ জ্ঞান ভালকৈয়ে আহিছে। তেওঁ মাতটো আৰু অলপ সহজ কৰি ক'লে “সৰু, সুন্দৰীক এবাৰ মাতি দিব পাৰ নে?” সৰুজাকে ৰুদ্ধস্বৰে ক'লে “বাইদেউ, তাইক নো

কেলেই ? আৰু মাতিলেও তাই কেতিয়াও নাহে !” “আহিব অ’ ! নাহিব কেলৈ ? এবাৰ মতা ! মই তাইক ক্ষমা কৰি আশীর্ব্বাদ দি যাওঁ ! মোৰ আৰু কাৰো ওপৰত খং নাই, ক্ষোভো নাই। ভগৱানে যেতিয়া মোক ক্ষমা কৰি স্বামীক ঘূৰাই দিছে মইো সকলোকে ক্ষমা কৰি যাব খোজোঁ !” সৰুজাকে কান্দি কান্দি ক’লে “এইয়া নো কি ক্ষমা বাইদেউ ? বিনাদোষত অত শাস্তি দিও তেওঁৰ মনোবাঞ্ছা পূর্ণ নহ’ল। তেওঁ তোমাক আমাৰ মাজৰ পৰা নিবলৈ ওলাইছে, হাত এখনে চকু এটাই নিলে কিন্তু সিমানতো যদি তোমাক আমাৰ মাজত থ’লেহেঁতেন।” বিৰাজ হাঁহি উঠিল, ক’লে “মোক লৈনো কি কৰিলিহেঁতেন ? গাৱঁত দুর্ণাম ওলালেই, মোৰনো জীয়াই থকাৰ পৰা কি লাভ, ভণীটি ?”

সৰুজা-কে ডিঙিত সাৱটি জোৰদি ক’লে “আছে বাইদেউ, লাভ আছে, তাৰোপৰি সেইবোৰ দুর্ণামতো সঁচা নহয়, একেবাৰে মিছা, আমি তালৈ ভয় নকৰোঁ !” “তইতে নকৰ, কিন্তু মই কৰোঁ নহয় ? দুর্ণামতো মিছা নহয় একেবাৰে সঁচা ! মোৰ অপৰাধ যিমান কমেই নহওক সৰু, তাৰ পাছত হিন্দুঘৰত আৰু জীয়াই থকা উচিত নহয় ! ভগৱানৰ দয়া নাই বুলিছ কিন্তু”—তেওঁৰ কথা শেষ হ’বলৈ নৌ পাওঁতেই পুটীয়ে কান্দি কৈ উঠিল “ওঃ এনে দয়া ভগৱানৰ !” ইমান পৰ তাই কান্দি কান্দি সকলো কথা শুনি আছিল আৰু সহি থাকিব নোৱাৰি তেনেকৈ কৈ উঠিল। কান্দি কান্দি ক’লে “তেওঁৰ দয়া নাই, ইমানকণ বিচাৰো নাই । আচল পাপীবোৰৰ একোৱেই নহয়, আৰু আমাক ইমান শাস্তি দিছে !” তাইৰ কান্দোনৰ কোব

দেখি বিৰাজে হাঁহিবলৈ ধৰিলে। কেনে মধুৰ কেনে বুকুভঙা সেই হাঁহি! তাৰ পাছত কপট খঙেৰে ক'লে "মনে মনে থাক্ নিচিঞৰিবি আৰু!" পুটীয়ে লৰমাৰি গৈ বৌৰেকৰ ডিঙিত সাৱটি ধৰি জোৰেৰে কান্দি উঠিল, "তুমি নমৰিবা বৌ, আমি কোনেও সহিব নোৱাৰোঁ। তুমি দৰব-জাতি খোৱাঁ, আন ক'ৰবালৈ যাওঁগৈ ব'লা, দুটা ভৰিত ধৰিছোঁ বৌ আৰু দুদিনমান জীয়াই থাকাঁ!" তাইৰ কান্দোনত নীলাম্বৰে আহ্নিক এৰি আহি ওচৰ পাই শুনিলে, পুটীয়ে যিহকে মনত আহে তাকে কৈ বৌৰেকক আৰু দুদিনমান জীয়াই থাকিবলৈ অনুৰোধ কৰিছে। এইবাৰ বিৰাজৰো চকুৰেদি পানী ওলাবলৈ ধৰিলে। সৰুজাকে অতি যতনেৰে পানীখিনি মচি দি পুটীক টানি আনোতেই তাই বৌৰেকৰ বুকুত মুখ লুকুৱাই সকলোকে কন্দুৱাই কান্দিবলৈ ধৰিলে। বহুত সময়ৰ পাছত বিৰাজে ভগা ভগা মাতেৰে ক'লে "নেকান্দিবি পুটি, শুন্!" আঁৰৰ পৰা নীলাম্বৰে শুনিবলৈ ধৰিলে বিৰাজৰ সম্পূর্ণ চেতনা ঘূৰি আহিছে। তেওঁৰ যে যন্ত্ৰণাৰ অৱসান হ'বৰ হ'ল তাকো বুজিলে। বিৰাজে কৈ গ'ল "সুবুজাকৈ ভগৱানক দোষ নিদিবি। তেওঁৰ বিচাৰ যে কিমান সূক্ষ্ম, অথচ কি অসীম দয়া তাক মোৰ বাহিৰে কোনে বেছি জানিব? মৰাটোৱেই যে মোৰ বচা তাক মই মৰাৰ পাছত তইঁতে বুজিবি! আৰু কৈছ এখন হাত আৰু চকু এটা নিলে, সিতো দুদিন আগে গ'লেই হৈঁতেন! এই কণ শাস্তি দিয়েই যে মোক তইঁতৰ মাজলৈ আকৌ ফিৰাই দিলে সেই কথা কেনেকৈ পাহৰিবি পুটি!"

"বৰডাল ফিৰাই দিছে!" বুলি পুটীয়ে আকৌ কান্দিবলৈ ধৰিলে। ভগৱানৰ দয়া আৰু সূক্ষ্ম বিচাৰৰ কথা একো বিশ্বাস নকৰিলে। গোটেই ঘটনাটো তাইৰ মানত এটা গভীৰ অন্যায় আৰু অত্যাচাৰ যেন হে লাগিল। অলপ পাছত বিৰাজে ক'লে "পুটি, বহুত পৰ ককায়েৰক দেখা নাই অ' এবাৰ মাতচোন? নীলাম্বৰ ওচৰতে আছিল, আহি পোৱাত বোৱাৰীয়েকে বিছনাৰ পৰা উঠি থিয় হ'ল। নীলাম্বৰে শিতানত বহি লৈ ঘৈণীয়েকৰ সোঁহাতখন সাৱধানে লৈ নাড়ী চাবলৈ ধৰিলে। দুৰ্ব্বল শৰীৰত ইমানবোৰ কথা কোৱাৰ পাছত যে সকলো শেষ হৈ যাব তাক নীলাম্বৰে আগতে অনুমান কৰিছিল, এতিয়া নাড়ী চাই তাকেই বুজিলে।

বিৰাজে "বাৰু হাত চোৱা" বুলি হাঁহিলে। হঠাৎ তেওঁ মৰ্ম্মান্তিক পৰিহাস কৰি পেলালে। এই উপলক্ষ কৰিয়েই যে অত কাণ্ড হৈ গ'ল, তাক সকলোৰে মনত পৰিল। নীলাম্বৰৰ মুখখন বেজাৰত বিবৰ্ণ হৈ গ'ল, তাক বোধহয় বিৰাজেও দেখিলে। তেওঁ তৎক্ষণাৎ অনুতপ্ত হৈ ক'লে "নাই নাই মই সেইটো কোৱা নাই, সঁচাকৈ কৈছোঁ কোৱাঁচোন আৰু কিমান সময় আছে?" এইবুলি কৈ চেষ্টা কৰি গিৰিয়েকৰ কোলাত মূৰটো তুলি দি ক'লে "আৰু এবাৰ সকলোৰে আগত কোঁৱা মোক ক্ষমা কৰিছাঁ?" নীলাম্বৰে হাতেৰে চকু মছি ৰুদ্ধস্বৰে ক'লে "কৰিছোঁ।" বিৰাজে কিছুপৰ চকু মুদি পৰি থাকি ক'লে "জ্ঞানে অজ্ঞানে ইমান দিন ঘৰ কৰোঁতে দায় দোষ কিমান যে কৰিছিলোঁ, তাৰ অন্ত

নাই! সৰু তয়ো শুন্, পুটি তয়ো শুন্, ভণীটী আজি তোমালোকে সেই সকলোবোৰ পাহৰি গৈ মোক বিদায় দিয়াঁ, মই যাওঁ”— এইবুলি হাতখন বঢ়াই দি গিৰিয়েকৰ ভৰি দুটা বিচাৰিবলৈ ধৰিলে। নীলাম্বৰে গাৰুটো আঁতৰাই বিছনাত ভৰি কিটা দিওঁতেই, বিৰাজে হাতেৰে ক্ৰমাগত ভৰিৰ ধূলি মূৰত লৈ, ক'বলৈ ধৰিলে “আজি মোৰ সকলো দুখ সাৰ্থক হ'ল। আৰু কোনো দুখ নাই, মোৰ দেহাও শুদ্ধ আৰু নিষ্পাপ হৈয়েই আছে; এইবাৰ যাওঁ লৈ, সিপাৰে বৈ থাকিম গৈ।” এই বুলি গিৰিয়েকৰ কোলাত মুখখন ঢাকি থৈ অস্ফুট স্বৰে ক'লে “মোক এনেকৈয়ে লৈ থাকাঁ, মোক এৰি কলৈকো গুচি নেযাবা।” ইমানকে কৈ মনে মনে থাকিল. তেওঁৰ বৰ ভাগৰ লাগিছিল। সকলোৱে বেজাৰত ম্লান হৈ বহি থাকিল। ৰাতি বাৰমান বজাৰ পৰা বিৰাজে ভুল বকিবলৈ ধৰিলে। নৈত জাপ মাৰি পৰাৰ কথা—হাস্পাতালৰ কথা আৰু আন আন কথা —কিন্তু সকলো কথাৰ ভিতৰত তেওঁৰ একান্ত পতিপ্ৰেমে কিদৰে মুহূৰ্ত্তৰ ভুলত সতী সাধ্বীৰ জীৱনটো দগ্ধ কৰিলে কেৱল তাৰ কথাকেহে বাৰে বাৰে ক'বলৈ ধৰিলে। এই কেদিন নীলাম্বৰে তেওঁৰ আগত বহি আহাৰ কৰিব লগা হৈছিল; সেইদিনা মাজে মাজে পুটীক আৰু সৰুজাকক মতাই আনি ধমকি দিবলৈ ধৰিলে। তাৰ পাছত ৰাতি পুৱাৰ লগে লগে মাত বন্ধ হৈ আহিল, কেৱল দীৰ্ঘশ্বাস উঠিবলৈ ধৰিল। তেওঁৰ চকু মেল নোখোৱা হ'ল, মুখৰ মাত নোলোৱা হ'ল, স্বামীৰ কোলাত মূৰ থৈ দুখুনীৰ জীৱনৰ সকলো দুখৰ এইদৰেই ওৰ পৰিল।